# প্ৰান্তিক

অৰণ্যৰ পৰা তেল নগৰীলৈ • ডিব্ৰুগড়ত দামৰ মহিমা • ধূমপান আৰু মহিলা • অসমৰ বন-ঘৰচীয়া ঘোঁৰা • চৈখোৱাৰ বানপানী • ফুলনিখনৰ গোলাপ কেইজোপা

৮ম বছৰ ২১শ সংখ্যা ১—১৫ অক্টোবৰ '৮৯



OKDISCD




# প্ৰান্তিক

মূল্য পাঁচ টকা

## এই সংখ্যাত

শ্ৰীনগৰত বৰ্তমান কাৰ কথামতে কাম চলিছে সেই বিষয়ত কোনো সন্দেহ নাই। কিন্তু বেছিদিনৰ কথা নহয়; —এই উপত্যকাটো শান্তই আছিল। ইয়াত বিভিন্ন অঞ্চল আৰু ধৰ্মৰ লোকে এতিয়াও নিৰৱে বৈ থকা ঝিলাম নৈ খনতকৈও অধিক নিৰৱে বাস কৰিছিল। কিন্তু এতিয়া বন্দুকে তাৰ শান্তি ভংগ কৰিছে। তাৰ পৰিণতি কি তেওঁলোকে নাজানে। কিন্তু তেওঁলোকৰ সকলোৰে মুখত সেই একেই উত্তেজনাৰ চিন।

**কুলদীপ নায়াৰৰ বিশেষ প্ৰবন্ধ ঃ উপত্যকাটো ইমান শান্ত আছিল !** ।১০।

স্বাধীনতাৰ কালছোৱাত অসমত যিবোৰ সমাজবাদী আৰু সমাজবাদ-ভাবাপন্ন শক্তিৰ জন্ম হৈছিল, সেইবোৰে দুখীয়া শ্ৰেণীবোৰক আৰ্থসামাজিক কাৰ্যসূচীৰ ভেটিত একগোট কৰিবলৈ সমৰ্থ নহ'ল। .... আজি সমাজবাদ আৰু সমাজবাদ-ভাবাপন্ন লোকসকল পুনৰ একগোট হ'বৰ সময় আহিছে। হিন্দুক হিন্দুভাৱে, মুছলমানক মুছলমানভাৱে, জনজাতিক জনজাতিভাৱে সংগঠন কৰিলে বিভিন্ন সম্প্ৰদায়ৰ ধনী আৰু ক্ষমতাবান শ্ৰেণীবোৰৰ আৰ্থিক আৰু সাংস্কৃতিক প্ৰসাৰৰহে সুবিধা হয়। আজি অসমত সেইবাবে সাম্প্ৰদায়িকতাৰ মাধ্যমেদি পুঁজিবাদৰ প্ৰসাৰৰ ক্ষেত্ৰহে প্ৰসাৰিত হৈছে। .... ছাত্ৰ সংস্থাই এতিয়াও আন্দোলনৰ কালৰ অসমীয়া জন সংহতিৰ ভাবতে খামোচ মাৰি ধৰি আছে। কিন্তু পুঁজিবাদী শ্ৰেণীবোৰৰ প্ৰভাৱত অগপৰ নেতাসকলৰ মনত ধন-সংগ্ৰহৰ বা ক্ষমতা সংৰক্ষণৰ যি মোহ উপজিছে, সেই মোহজালে ছাত্ৰসকলৰ একাংশকো পুঁজিবাদী অৰ্থনীতিৰ আৰু সংস্কৃতিৰ গৰাহত পৰিবলৈ বাধ্য কৰিছে।

**ড. বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ বাটৰ বাৰমিহলিৰ সপ্তবিংশতিম প্ৰবন্ধ ঃ সমাজবাদ আৰু সংহতি** ।১২।

ঘন বৰষুণ পিছল মাটি, লাহে-লাহে দিবা পাৱ''। — এই গীতটোৰে এসময়ত এগৰাকী শিল্পী বিশেষ জনপ্ৰিয় হৈ উঠিছিল। এই গীতটিৰেই সুৰ নকল কৰি হিন্দী চলচ্চিত্ৰ জগতৰ বিশিষ্ট সংগীত পৰিচালক নৌশাদ আলিয়ে ''মাডাৰ ইণ্ডিয়া'' নামৰ চলচ্চিত্ৰখনত ব্যৱহাৰ কৰা কথাটো লৈও সংগীত জগতত যথেষ্ট আলোড়নৰ সৃষ্টি হৈছিল। পাছত নৌশাদ আলিয়ে দোষ স্বীকাৰ কৰিবলগীয়া হৈছিল। এই জনসমাদৃত গীতটি সৃষ্টি কৰা শিল্পী গৰাকী আছিল যোগেশ চন্দ্ৰ ভৰালী। তেওঁ আজি আমাৰ মাজত নাই।



কলা-সংস্কৃতি শিতানত **দ্বিজেন্দ্ৰ নাথ দাস আৰু পংকজ কুমাৰ তালুকদাৰৰ প্ৰবন্ধ ঃ লোকগীতকেই জীৱন বুলি ধৰা শিল্পী যোগেশ চন্দ্ৰ ভৰালী** ।৩৬।


পত্ৰালাপ ।৪। ঘটনা-প্ৰবাহ ।৭। কুলদীপ নায়াৰৰ প্ৰবন্ধ ।১০। বাটৰ বাৰমিহলি ।১২। ডিব্ৰুগড়ত দামৰ মহিমা ।১৪। চৈখোৱাত বানপানী ।১৮। বন-ঘৰচীয়া ঘোঁৰা ।২১। প্ৰজ্ঞা ।২৪। ঘৰুৱা ।২৫। ফুলনিৰ গোলাপ কেইজোপা ।২৮। অৰণ্যৰপৰা তেল নগৰীলৈ ।৩০। দৈনন্দিন ।৩৪। কলা-সংস্কৃতি ।৩৬। গল্প ।৩৯। কবিতা ।৪২। উপন্যাস ।৪৩। ক্ৰীড়াংগন ।৪৭। দুৰ্যোধন-অৰ্জুন ।৪৮। শেষপৃষ্ঠা ।৫০।


বেটুপাতৰ ৰঙীন ছবি ঃ মনজিৎ মহন্ত

যোৱা সংখ্যাৰ প্ৰান্তিকৰ ৮ নম্বৰ আৰু ৫১ নম্বৰ পৃষ্ঠাৰ ছবি দুখনৰ স্থান সাল-সলনি হোৱাত আমি দুঃখীত।

-স.প্ৰা

## অহা সংখ্যাত

''কিন্তু বিধিৰ এনেহে ইচ্ছা— এই গোপীনাথ বৰদলৈয়েই গুৱাহাটী বিশ্ববিদ্যালয়ৰ নবনিযুক্ত কৰ্তৃপক্ষৰ পৰা বিশেষ সন্মান পোৱাৰ কথা দূৰতে থাওক, অনতিপলমে অনেক অশান্তিহে পাবলগীয়া হ'ল।''

মন্ত্ৰীয়ে মাতি পঠিয়ালে উপাচাৰ্য সন্দিকৈ মন্ত্ৰীৰ ঘৰলৈ নাযায়; মন্ত্ৰীহে সন্দিকৈৰ ঘৰলৈ আহে।— অসমত প্ৰচলিত এই ধৰণৰ কথাটো সঁচানে ? সঁচা হোৱা উচিত নে ?

**গুৱাহাটী বিশ্ববিদ্যালয়ৰ জন্ম আৰু বৰদলৈ-বিশ্ববিদ্যালয় মনোমালিন্য**

''এজন সত্যাগ্ৰহীৰ ৰাজনীতি'' শিতানৰ তৃতীয় প্ৰবন্ধ ঃ **ডঃ নিৰোদ কুমাৰ বৰুৱা**

এনকেফেলাইটিছ এটা মাৰাত্মক ৰোগ। ইয়াৰ প্ৰত্যক্ষভাৱে কৰিব পৰা চিকিৎসা নাই। এই ৰোগে সম্প্ৰতি অসমত সন্ত্ৰাসৰ সৃষ্টি কৰিছে। এঘাৰ বিধ মহ, গাহৰি, বগলী আদি এই ৰোগ বিয়পোৱাৰ লগত জড়িত।

**ডঃ প্ৰফুল্ল দত্তৰ গুৰুত্বপূৰ্ণ প্ৰবন্ধ এনকেফেলাইটিছ**

ৱাৰ্ছ-চুক্তিভুক্ত কমিউনিষ্ট দেশ পোলেণ্ডত ছলিডেৰিটিৰ প্ৰধানমন্ত্ৰী নিযুক্ত হৈছে। কিন্তু ছলিডেৰিটিৰ মুখ্য নেতা লেক ৱালেছাৰ মতেই— প্ৰধান মন্ত্ৰিত্ব গ্ৰহণ কৰি ছলিডেৰিটিয়ে সাংঘাতিক ভুল কৰিলে।

বিশ্ব পৰিক্ৰমাত ঃ **ছলিডেৰিটিৰ চৰম পৰীক্ষা ঃ ডঃ সুনীল পৱন বৰুৱা**

দহ বছৰৰ মূৰে-মূৰে ভাৰতীয় জনগণৰ শাসক দলৰ পৰিবৰ্তন বিচাৰি নিৰ্বাচনযোগে ৰায় দিয়াৰ এটা প্ৰবণতা দেখা যায় ? তেনে এক পৰিবৰ্তনকামী মনোভাবে আগন্তুক নিৰ্বাচনত বিৰোধী দলসমূহক সহায় কৰিব ?

**দিলীপ কুমাৰ মহন্তৰ পৰ্যালোচনা ঃ আগন্তুক লোকসভাৰ নিৰ্বাচন আৰু অসম**


মুখ্য সম্পাদক ঃ ড. ভবেন্দ্ৰনাথ শইকীয়া
সহকাৰী সম্পাদক ঃ ইমৰান হুছেইন
অংগ সজ্জা ঃ দেবানন্দ উলুপ
ব্যৱস্থাপনা ঃ মায়া বৰুৱা (এডভাৰটাইজমেণ্ট)
প্ৰসন্ন শৰ্মা (ছাৰকুলেশ্যন)
ফ'ট'টাইপ ছেটিং ঃ মহেশ্বৰ ডেকা, খগেন্দ্ৰ চহৰীয়া
মুদ্ৰাংকন ঃ শৰাইঘাট অফছেট প্ৰেছ আৰু শৰাইঘাট ফ'ট'টাইপছ
প্ৰদীপ বৰুৱাৰ দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত।

৮ম বছৰ ২১শ সংখ্যা ১—১৫ অক্টোবৰ '৮৯ Vol VIII No. 21. 1 – 15 October '89

Prantik
The Assamese Fortnightly

যোগাযোগৰ ঠিকনা ঃ নবগিৰি পথ, চানমাৰি, ডাকঘৰ শিলপুখুৰী, গুৱাহাটী—৭৮১০০৩। ফোন ২৮৭৫১
Navagiri Road, Chanmari, P.O. Silpukhuri, Guwahati – 781003 Phone 23751

## অমনোযোগিতা

যি কোনো কামত হাত দিবলৈ হ'লে লাগে একান্ত মনোযোগিতা। অমনোযোগিতাই বা অৱহেলাই বহুতো সময়ত বিপদৰ সৃষ্টি কৰে। বিশেষকৈ গুৰুত্বপূৰ্ণ চাকৰিত থকা বিষয়াসকলৰ অমনোযোগিতাই সাধাৰণ নাগৰিকক্হে অসুবিধাত পেলায়। মোৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ দুটা ঘটনাকে অৱগত কৰালো।

কলেজৰ স্কলাৰশ্বিপ সংক্ৰান্তত চহী এটা লবলৈ এজন উচ্চপদস্থ বিষয়াৰ কাষ চাপিছিলো। অনুমতি লৈ তেখেতৰ কোঠালৈ সোমালো। বিষয়াজনে অফিছৰ কাগজ-পত্ৰত চকু ফুৰাই আছিল। মোৰ আগমনৰ কাৰণ সম্পৰ্কে সম্পূৰ্ণকৈ কোৱা শেষ নহওঁতেই ঘপহকৈ তেখেতে চহী কৰি দিলে। কিন্তু কথা হ'ল, তেখেতে চহীটো কৰিলে মূল ফৰ্মখন মেৰিয়াই নিয়া বগা কাগজখনতে। চহী কৰিব লগীয়া আচল ঠাইখিনি বাদ পৰিল।

মোৰ কলেজীয়া সহপাঠীৰ উপকাৰৰ অৰ্থে গৈছিলো অধ্যক্ষৰ ওচৰলৈ আবেদন এটি লৈ। সহপাঠীজন আৰ্থিক ফালৰ পৰা অত্যন্ত দুখ লগা পৰিয়ালৰ। স্নাতক শ্ৰেণীৰ প্ৰথম বাৰ্ষিকৰ পৰীক্ষা দি কলেজত দিব লগীয়া নানা বিষয়ৰ মাছুল দিব নোৱৰাৰ বাবে কৰ্তৃপক্ষই দ্বিতীয় বাৰ্ষিকত তেওঁৰ নাম তোলা নাই। পঢ়াৰ প্ৰতি প্ৰবল ধাউতি থকা সহপাঠীজনে আৰু তেওঁৰ পৰিয়ালবৰ্গই মোক তাৰ উপায় বিচাৰি অধ্যক্ষলৈ আবেদন এটি কৰিবলৈ অনুৰোধ কৰিলে। সহপাঠীজন হোজা ধৰণৰ। তেওঁৰ হৈ মই থূলমূলকৈ এনেকুৱা আবেদন এখন লিখিছিলো ঃ

মহাশয়,

মোৰ আৰ্থিক অৱস্থা বৰ শোচনীয়। বহু কষ্টৰ মূৰত আজি স্নাতক শ্ৰেণী পাইছোঁহি। পঢ়াশুনা কোনোমতে সম্পূৰ্ণ কৰিবলৈ প্ৰবল হেঁপাহ। যোৱা বানপানীয়ে মোক আৰ্থিক দিশত বৰকৈ হতাশ কৰিছে। কলেজত দিব লগীয়া মাছুলখিনি অহা বাছনি পৰীক্ষাৰ আগতে আদায় কৰি দিম। এতিয়া যেন মহাশয়ে দ্বিতীয় বাৰ্ষিকত মোৰ নাম অন্তৰ্ভুক্ত কৰে।

অধ্যক্ষ মহোদয়ে আবেদনখনত কোনোমতে চকু ফুৰাই বিনা বাক্যে, চকুৰ নিমিষতে কেইটামান ইংৰাজী শব্দ লিখি চহী কৰি কলেজৰ কেৰাণী এজনৰ ওচৰলৈ পঠালে। অধ্যক্ষ মহোদয়ে যে ইমান সহজে চহী কৰি দিব মই কল্পনাও কৰা নাছিলো। মোৰ মনটো আনন্দত ভৰি পৰিছিল। মনৰ আনন্দত ইংৰাজী শব্দ কেইটা পঢ়াই নাছিলো। ভাবিছিলো অধ্যক্ষ মহোদয়ো এজন দুখীয়াৰ দুখ বুজা লোক। পিছে আবেদনখন পাই কেৰাণীজন হতভম্ব। অধ্যক্ষৰ চহীৰ তলতে ইংৰাজীতে লিখা শব্দ কেইটাৰ অৰ্থ হ'ল ঃ

চক্ৰবৰ্তী,

ল'ৰাজনৰ যোৱা আগষ্টৰ পৰা দিবলগীয়া মাছুলখিনি দহ টকা জৰিমনা সহ লৈ স্নাতক দ্বিতীয় শ্ৰেণীত নাম অন্তৰ্ভুক্ত কৰক।

—মানব দাস,
বগৰিবাৰী

## "ধৰ্মৰ সাৰ্বজনীন বৈশিষ্ট্য সম্পৰ্কে"

মই লিখা উক্ত শিৰোনামাৰ প্ৰবন্ধটোত (১৬।৮।৮৯) কথা এটাত অলপ ভুল বৈ গ'ল। ছপাৰ ভুল নহয়, মোৰহে অসাৱধানতাৰ বাবে হোৱা ভুল। শুধৰণি এটা দি থোৱাটো উচিত হ'ব বুলি ভাবিছোঁ। ২৪ নম্বৰ পৃষ্ঠাৰ প্ৰথম স্তম্ভৰ আৰম্ভণিতে বিভিন্ন ধৰ্মই স্বীকাৰ কৰা কেন্দ্ৰীয় চৰিত্ৰত "সত্য, অহিংসা, মানবপ্ৰেম, ব্যক্তিমৰ্যাদা অথচ পাৰমাৰ্থিক মূল্যৰ প্ৰতি শ্ৰদ্ধা"ৰ লগতে "অবতাৰবাদ" শব্দটো সোমোৱাটো ভুল হ'ল,—যিহেতুকে ইছলাম ধৰ্মত অৱতাৰবাদ নাই। মোৰ ক'ব লগীয়া কথা আছিল "সত্য, অহিংসা ... আদিৰ উপৰিও কোনো-কোনো ধৰ্মৰ অৱতাৰবাদীসূত্ৰই ধৰ্মক আৰু মহীয়ান কৰি তুলিছে।"

—অঞ্জনা চলিহা,
যোৰহাট

১

সাম্প্ৰতিক সময়ত বিজ্ঞান আৰু বিজ্ঞানসম্মত চিন্তাধাৰাৰ প্ৰতি সমগ্ৰ পৃথিৱীতে এটা দুৰ্বাৰ আকৰ্ষণ প্ৰকৃত শিক্ষিতসকলৰ মাজত গঢ়ি উঠা পৰিলক্ষিত হৈছে আৰু এনে এক সময়তে ধৰ্মীয় চিন্তাধাৰা আৰু ধৰ্মীয় প্ৰমূল্যসমূহক নানা উপায় আৰু কৌশলেৰে বিজ্ঞানসম্মত বুলি প্ৰতিষ্ঠা কৰিবলৈ সমগ্ৰ পৃথিৱীজুৰি এচাম ধৰ্মীয় গণ্ডীৰ মাজত থকা দশা-বিশ্বাসী (fatalist) বুদ্ধিজীৱীয়ে উঠি পৰি লাগিছে; আৰু এই সোঁতটোৰেই এক পাৰ্শ্বীয় ৰূপ শ্ৰীমতী অঞ্জনা চলিহাৰ "ধৰ্মৰ সাৰ্বজনীন বৈশিষ্ট্য সম্পৰ্কে" শীৰ্ষক প্ৰবন্ধটোত (১৬।৮।৮৯) প্ৰস্ফুটিত হৈছে।

ধৰ্ম এক কাল্পনিক ভিত্তি—যাৰ দৰাচলতে কোনো বাস্তৱিক ভিত্তি নাই। ধৰ্মৰ ভৌতিক উপস্থাপন অসম্ভৱ। ধৰ্মৰ কদৰ্যতাই যুগে-যুগে জনগণক জুলুকি-জুলুকিকৈ শিকাইছে। বিজ্ঞানৰ বিকাশত আজিলৈকে আটাইতকৈ বেছি পৰিমাণে প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে ধৰ্মই। গতিকে "বিজ্ঞানসম্মত ধৰ্ম" বুলি এটা বিশেষ ধৰ্ম নাই, আৰু ভৱিষ্যতেও হ'ব নোৱাৰে।

ধৰ্মৰ সকলো পাৰ্শ্বীয় বিধি-অবিধি (dos and don'ts) বাদ দিলেও ধৰ্মৰ এটা কথা সকলো ধাৰ্মিকৰ বাবে গ্ৰহণীয়; —সেয়া হ'ল ভগবানৰ অস্তিত্ব স্বীকাৰ আৰু সেইটোৱেই হ'ল বিজ্ঞান আৰু ধৰ্মক মাইলৰ আঁতৰত ৰখাৰ একমাত্ৰ বিভাজক; যিহেতু বিজ্ঞানে ধৰ্মৰ আন সকলো dos and don'ts-অৰ প্ৰতি পাদ্যতা দিব পাৰিলেও ঈশ্বৰ বা ভগবান বিজ্ঞানৰ চাৰিসীমাত সোমাব নোৱাৰে; কাৰণ ঈশ্বৰৰ কোনো দৃশ্যাত্মক, ভৌতিক বা প্ৰকল্পমূলক ভিত্তি নাই।

শ্ৰীমতী চলিহাই কৈছে,—"সেই শ্বাশ্বত ধৰ্ম ৰক্ষা কৰিব পাৰিলেহে আমি বিজ্ঞান তথা বিজ্ঞানৰ লগতে সাহিত্য, দৰ্শন, কলা, শিল্প আদি সংস্কৃতিৰ শুভ দিশবোৰ ৰক্ষা কৰিব পাৰিম। সত্য, অহিংসা, মানৱপ্ৰেম, ব্যক্তি মৰ্যাদা অথচ পাৰমাৰ্থিক মূল্যৰ প্ৰতি শ্ৰদ্ধা, অৱতাৰবাদ আদি হৈছে বিভিন্ন ধৰ্মই স্বীকাৰ কৰা ধৰ্মৰ কেন্দ্ৰীয় চৰিত্ৰ।" —অৰ্থাৎ সংস্কৃতিৰ শুভ দিশ বুলি য'লৈ ইয়াত আঙুলি টোওঁৱা হৈছে, তাক ৰক্ষা কৰিবলৈ ধৰ্ম অপৰিহাৰ্য আৰু ধৰ্মবিহীন কোনো সংস্কৃতিৰ ঐতিহ্য এই মন্তব্যই নুই কৰিছে। কিন্তু সংস্কৃতি হ'ল এটা জাতিৰ দাপোণ,—য'ত জাতিটো সামগ্ৰিকভাৱে প্ৰতিফলিত হয়। "হ'ব পাৰে সাংস্কৃতিক কৰ্ম সংগীত, হ'ব পাৰে সাহিত্য, কলা, ভাস্কৰ্য; —আনকি হ'ব পাৰে নাৰী-দেহৰ সৌন্দৰ্য-সুষমাৰ অন্বেষণ।' (প্ৰান্তিক, ৮ম বছ ১২শ সংখ্যা)। ইয়াৰ সৈতে আকৌ ধৰ্মৰ লেটিপেটিখন কিয়? কিন্তু কিছুমান স্বাৰ্থান্বেষীৰ প্ৰক্ৰিয়াত অসমীয়া তথা ভাৰতীয় সংস্কৃতি ধৰ্মীয় ভাবাপন্ন আৰু অদৃশ্য শক্তিৰ প্ৰতি ভক্তি প্ৰদৰ্শনৰ নিত্য আৰু নৈমিত্তিক কাণ্ড-কাৰখানাত পৰিণত হ'ল; —সৃষ্টি হ'ল 'উচ্চ' আৰু 'নিম্ন' সংস্কৃতিৰ। সত্য, অহিংসা, মানৱ প্ৰেম আদি ধৰ্মৰ কেন্দ্ৰীয় চৰিত্ৰ বুলি কোৱা হৈছে; কিন্তু বৰ্তমান সময়ত আটাইতকৈ অভাৱ ঘটিছে এই কেইটাৰে। তাতোকৈও দুখৰ কথা,—সৰহসংখ্যক হিংসা সংঘটিত হৈছে ধৰ্মীয় গণ্ডীৰ পৰাই; —অথচ আমাৰ সমাজখন মূলতঃ ধাৰ্মিক সমাজ,—য'ত শতকৰা নিৰানব্বৈ জনতকৈও অধিক লোকে কিবা নহয়—কিবা এটা ধৰ্ম অনুসৰণ কৰে!

"ধৰ্মই কেৱল মানুহক ঈশ্বৰৰ অভিমুখেই লৈ নাযায়, মানুহক প্ৰকৃত মানুহ ৰূপেও গঢ়ি তোলে।" কিন্তু কেনেকৈ? প্ৰাথমিক বিদ্যালয়ত নাম লগাওঁতেই আমি আৰম্ভ কৰিছিলো—"নাজানো প্ৰভু ক'ত আছা তুমি আমি অতি সৰু ল'ৰা।" আৰু পাঠ্যক্ৰমৰ স্নাতক, স্নাতকোত্তৰ পৰ্যায় পৰ্যন্ত ধৰ্ম আৰু ধৰ্মীয় গোন্ধ মিহলি সংস্কৃতিৰ অধ্যয়নেই আমি কৰোঁ; দ্বৈত আৰু অদ্বৈতবাদ আমি খৰচি মাৰি পঢ়োঁ; কান্ধত গামোচা লৈ সংস্কৃত শ্লোক মাতি আমি তৰ্কযুদ্ধত অৱতীৰ্ণ হ'ব পাৰোঁ; —কিন্তু নোৱাৰোঁ আমি ভাতৃসুলভভাৱে জীয়াই থাকিব। মানুহ হিচাপে পৰিচয় দিব পৰাকৈ সামাজিক ক্ৰিয়াকাণ্ডক প্ৰতিষ্ঠা কৰিব আমি নোৱাৰোঁ। চকু মেলিলেই অলেখ উদাহৰণ আমাৰ চাৰিওফালে সিঁচৰতি হৈ আছে।

"বিজ্ঞানৰ আবিস্কাৰে হৰিক অস্বীকাৰ কৰিব পাৰিব জানো?" —শ্ৰীমতী চলিহাই সুধিছে। প্ৰশ্নটোৱেই অবান্তৰ। ক'ত বিজ্ঞান আৰু ক'ত ঈশ্বৰ! বিজ্ঞানে ইয়াকেহে শুদ্ধ বুলি ভাবে যাৰ নিজস্ব পৰিচয় আছে; যাৰ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱ প্ৰমাণ কৰিব পাৰি; যাক প্ৰকল্পত বা প্ৰায়োগিকভাৱে উপস্থাপন কৰিব পাৰি। কিন্তু ঈশ্বৰক এনে কোনো প্ৰক্ৰিয়াৰে আজিলৈকে কোনেও প্ৰত্যক্ষ বা পৰোক্ষভাৱে উপস্থাপন কৰিব পৰা নাই বাবেই ই দূৰত, সাগৰত লীন যোৱা আকাশৰ নিচিনা হৈ আছে। ভগবান নাই বুলি প্ৰমাণ কৰাটো বিজ্ঞানৰ দায়িত্ব নহয়; কাৰণ বিজ্ঞানৰ কাৰ্যক্ৰমণিকাই সেই সম্পৰ্কীয় ইংগিত ইতিমধ্যে দিছেই। ভগবান আছে বুলি প্ৰত্যক্ষ বা পৰোক্ষ প্ৰমাণ প্ৰায়োগিকভাৱে সৰ্বকালৰ আৰু সৰ্বজনৰ বাবে দেখুৱাই দিয়াটোহে ধৰ্মৰ কৰ্তব্য।

—ড. প্ৰবীণ কুমাৰ নেওগ,
কাকজান,
যোৰহাট

২

## ধৰ্ম, দৰ্শন, বিজ্ঞান আৰু আমি

ধৰ্ম, দৰ্শন আৰু বিজ্ঞান—এই তিনিওটা বিষয়ৰ মাজত সম্পৰ্ক আছে যদিও তিনিওটাৰে ভিত্তি বেলেগ, বিচাৰ ধাৰাও বেলেগ।

সামগ্ৰিকভাৱে চাবলৈ গ'লে, ধৰ্মৰ ভিত্তি বিশ্বাস, দৰ্শনৰ ভিত্তি চিন্তা আৰু বিজ্ঞানৰ ভিত্তি পৰীক্ষা। বিশ্বপ্ৰকৃতিৰ চমকপ্ৰদ ঘটনাৰাজিয়ে প্ৰাগৈতিহাসিক মানৱৰ মনত যি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল, তাৰ কিছুমান ভাবি লোৱা কাৰণত বিশ্বাসে সৃষ্টি কৰিছিল ধৰ্মৰ, কাৰণবোৰৰ ওপৰত চিন্তাই জন্ম দিছিল দৰ্শনৰ আৰু পৰীক্ষাই জন্ম দিছিল বিজ্ঞানৰ ভিত্তি। বিশ্বৰ সকলো ধৰ্মৰে তিনিটা অংগ—ইয়াৰ আধ্যাত্মিক দৰ্শন, ধৰ্মীয় আচাৰ আৰু নৈতিকতা। কিছুমান যুক্তিহীন ৰহস্যময় বিশ্বাসে জন্ম দিয়ে আধ্যাত্মিক দৰ্শন আৰু তাৰ ভিত্তিতেই পালন কৰা হয় ধৰ্মীয় আচাৰসমূহ। ধৰ্মৰ মাজত যি যুক্তিৰ চিহ্ন আছে সেয়া মাথোঁ নৈতিকতাৰ মাজতেই সীমাবদ্ধ আৰু ধৰ্মৰ বাকী দুটা অংগৰ লগত ইয়াৰ বিশেষ সম্পৰ্ক নাই। প্ৰকৃততে সৰ্বদা সুখসন্ধানী মানৱ জীৱনৰ উদ্দেশ্যৰ লগত সংগতি ৰাখি সমাজৰ সাৰ্বজনীন সুখৰ বাবেই নৈতিকতাৰ প্ৰয়োজন; তাৰ বাবে কোনো ধৰ্মীয় ভিত্তিৰ আৱশ্যক নাই। ধৰ্মৰ ভিত্তিয়েই হ'ল বিশ্বাস,—যুক্তিহীনতা। গতিকে ধৰ্ম প্ৰতিষ্ঠিত হ'ব লাগিব যুক্তিৰ ওপৰত—কথাষাৰ অৰ্থহীন। এতিয়া আহোঁ দৰ্শনৰ ক্ষেত্ৰলৈ। শৃংখলাবদ্ধ চিন্তা আৰু যুক্তি দৰ্শনৰ মূল ভেটি। সভ্যতাৰ আৰম্ভণিতে প্ৰকৃতিৰ স্বয়ংক্ৰিয় পৰিঘটনাসমূহেই দৰ্শনৰ চিন্তাৰ বাবে আধাৰ আছিল যদিও পৰীক্ষামূলক বিজ্ঞানে বহুতো নতুন পৰিঘটনাৰ সৃষ্টি কৰাত সেইবোৰো দৰ্শনৰ আলোচ্য বিষয় হৈ পৰিল। কিন্তু আধুনিক যুগত প্ৰকৃতি বিজ্ঞানৰ এনে কিছুমান পৰিঘটনা আবিষ্কৃত হ'ল যাৰ ব্যাখ্যাৰ ক্ষেত্ৰত পৰম্পৰাগত দৰ্শন অসমৰ্থ হ'ল আৰু জন্ম হ'ল নতুন সাহসৰ তাত্ত্বিক বিজ্ঞানৰ ভেটি। তাত্ত্বিক বিজ্ঞানৰ—বিশেষকৈ তাত্ত্বিক পদাৰ্থবিজ্ঞানৰ এনেবোৰ অভিনৱ ধাৰণাৰ ভিতৰত সোমাবলৈ গ'লে দৰ্শনে ইয়াৰ পৰম্পৰাগত স্পষ্ট ধাৰণাৰ ভিত্তি ত্যাগ কৰি ধূসৰ ধাৰণাৰেও পৰিঘটনাৰ ব্যাখ্যা দিবলৈ যত্ন কৰিব লাগিব। কিন্তু বিশ্বৰ পৰম্পৰাগত দৰ্শনে আজিও তেনে কৰিবলৈ সাহস দেখুৱাব পৰা নাই আৰু সেয়ে অৰ্বাচীন কালত তাত্ত্বিক বিজ্ঞান—বিশেষকৈ তাত্ত্বিক পদাৰ্থবিজ্ঞানে ইয়াৰ নিজস্ব দাৰ্শনিক বৈজ্ঞানিক ভাবধাৰা গঠন কৰি লৈছে আৰু অভূতপূৰ্ব সাফল্যেৰে প্ৰাকৃতিক পৰিঘটনা ব্যাখ্যা কৰাত সচেষ্ট হৈছে। কিন্তু বিজ্ঞানৰ এক প্ৰধান দুৰ্বলতা হৈছে ইয়াৰ নৈৰ্ব্যক্তিক ভাবধাৰা ঃ 'কি হোৱা উচিত' সম্পৰ্কে উদাসীন হৈ 'কি হয়' কেৱল সেই সম্পৰ্কে অনুসন্ধান। কিন্তু সামাজিক প্ৰাণী হিচাপে মানুহে 'কি হোৱা উচিত'ৰ বিচাৰ অৱশ্যেই কৰিব লাগিব আৰু এই বিচাৰৰ ভিত্তি হ'ব সৰ্বদা সুখসন্ধানী মানৱজীৱনৰ উদ্দেশ্য আৰু নৈতিকতা। ধৰ্মৰ আধ্যাত্মিক দৰ্শন তথা ধৰ্মীয় আচাৰৰ কোনো প্ৰমূল্য নাই এই ক্ষেত্ৰত। অৱশ্যে নৈতিকতা তথা মানৱ-জীৱনৰ উদ্দেশ্য বিচাৰত দৰ্শনে আমাক সহায় কৰিব পাৰে আৰু দৰ্শনৰ প্ৰমূল্যও ইয়াতেই।

শেষত কওঁ, যেতিয়ালৈকে এনে এখন সমাজ গঢ়ি নুঠে য'ত ধৰ্ম আৰু বিশ্বাসৰ ঠাইত আছে দৰ্শন আৰু যুক্তি আৰু যাৰ অগ্ৰগামী নেতৃত্বত আছে বিজ্ঞান, তেতিয়ালৈকে মানৱৰ মুক্তি অসম্ভৱ।

—জয়ন্ত কুমাৰ শৰ্মা,
প্ৰবক্তা, পদাৰ্থবিজ্ঞান বিভাগ,
বজালী মহাবিদ্যালয়,
পাঠশালা

## বৃত্তিমূলক শিক্ষা সাং কৰাৰ পাছৰ অৱস্থা

চৰকাৰে নতুন শিক্ষানীতিৰ অধীনত সাঙুৰি লোৱা বৃত্তিমূলক শিক্ষাটোও এক গুৰুত্বপূৰ্ণ বিষয়। চৰকাৰৰ এই নীতি নিঃসন্দেহে প্ৰশংসনীয় আৰু সময়োপযোগী হৈছে। কিন্তু বৃত্তিমূলক শিক্ষা সাং কৰাৰ পাছত নিয়োগ, মূলধন যোগাৰ আদিৰ প্ৰতি চৰকাৰে বিশেষ গুৰুত্ব নিদিয়াত এই শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যৰ ক্ষেত্ৰত অকৃতকাৰ্যতা দেখা গৈছে।

আমি ১৯৮৫ চনতে ইলেকট্ৰিকেল এপ্লায়েনছেছ আৰু অটম'বাইল মেইনটেনেনছ বিষয় দুটা লৈ যোৰহাট

জিলাৰ তেল-নগৰী বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা উত্তীৰ্ণ হওঁ। কিন্তু এই শিক্ষা সাং কৰাৰ পাছত আমাৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। কোনো চাকৰিত স্থান নাই ; নাই কোনো মূলধনৰ যোগাৰ। আছে মাত্ৰ প্ৰমাণপত্ৰবোৰ—যাক কোনো চৰকাৰী বিভাগ বা নিগমে বিবেচনা নকৰে। কেতিয়াবা এনে বিভাগ বা নিগমত আমাৰ উপযুক্ত কাৰিকৰী পদ ওলাইছে বুলি বিজ্ঞাপন পালে উপযুক্ত মাছুল আদি দি আবেদন কৰোঁ। তেওঁলোকে মাছুল গ্ৰহণ কৰে ; কিন্তু সাক্ষাতলৈ হ'লে নিমন্ত্ৰণ নকৰে। আমি প্ৰত্যেকেই হাউছ ৱায়াৰিং কৰিব পাৰোঁ, টেষ্ট ৰিপ'ৰ্ট হ'লে দিব নোৱাৰোঁ। গতিকে আমি এই বিদ্যাকো ত্যাগ কৰিব লগীয়া হৈছে। তাকে নকৰিলে চৰকাৰী আইনে আমাক জগৰীয়া কৰে।

আমাৰ অৱস্থাটো শিক্ষা বিভাগক মুকলিমুৰীয়াকৈ জনালো। কোনো শিক্ষাৰ্থীৰে অৱস্থা আমাৰ দৰে "গালো বালো খোলাকটিৰ তাল" হ'বলৈ নিদি, অন্ততঃ প্ৰমাণপত্ৰবোৰ কিবা সৎ কামত ব্যৱহাৰ কৰিব পৰাৰ ব্যৱস্থা কৰিলে আমাৰ সমুখৰ অন্ধকাৰ দূৰ হ'ব আৰু ভৱিষ্যতৰ ছাত্ৰছাত্ৰীসকলে নতুন শিক্ষানীতিক আন্তৰিকতাৰে গ্ৰহণ কৰিব।

এজন নিবনুৱা
—জিতুল কোঁৱৰ,
বকৱাগাঁও, ঘিলাধাৰী

## "শংকৰ বৰুৱাৰ বিষয়ে আৰু কিঞ্চিৎ"

শ্ৰীনৰেন বৰা দেৱৰ চিঠিখনত (১।৭।৮৯) শংকৰ বৰুৱাৰ বিষয়ে পঢ়িবলৈ পাই তেখেতৰ বিষয়ে আমি জনা আৰু পঢ়িবলৈ পোৱা তলৰ কথাখিনি লিখিবলৈ মন গ'ল।

৪২'ত শংকৰ বৰুৱা আদহীয়া। তেওঁ গোলাঘাট জিলা কংগ্ৰেছ কমিটিৰ বহুবাৰৰ সভাপতি, অসম প্ৰদেশ কংগ্ৰেছ ৱৰ্কিং কমিটিৰ চৈধ্যজনৰ এজন আৰু অখিল ভাৰতীয় কংগ্ৰেছ কমিটিলৈ অসমৰ পৰা নিৰ্বাচিত ছজনৰ এজন। জয়প্ৰকাশ নাৰায়ণৰ সংগ্ৰাম কমিটিৰ লগত লগ লাগি অসমত গোপন সংগ্ৰাম সৃষ্টি কৰি বছৰৰ পাছত বছৰ প্ৰতিৰোধ আন্দোলন চলাই যাব পৰা অদম্য শক্তিসম্পন্ন ব্যক্তি আছিল শংকৰ বৰুৱা। অকল নিজ জিলাতে নহয়, সমগ্ৰ অসমতে তেওঁ বহুতো সাহসী ডেকা কৰ্মীৰ সৃষ্টি কৰিছিল। তেওঁ '৪২ ৰ পলাতক আছামী। ১৯৪৫ চনলৈকে কিছুদিনৰ বাবে বৰুৱা অসম বিধান সভাৰ সদস্য আছিল। উজনি অসমত হোৱা আন্দোলনৰ তেওঁ গুৰি ধৰোঁতা। ১৯৪৬ চনতো তেওঁ পলাতক আছামী। '৪২ ত পলাতক অৱস্থাত থাকোঁতে তেখেতৰ গোলাঘাট চহৰত থকা পঁজাটি আৰু আচবাব-পত্ৰ ইংৰাজ চৰকাৰে ভাঙি লণ্ড-ভণ্ড কৰে ; আনকি পৰিবাৰ-গৰাকীক ল'ৰা-ছোৱালীসহ বহিষ্কাৰ কৰি পঠায়। কোঁচত কেঁচুৱা লৈ মানুহগৰাকীয়ে আশ্ৰয় বিচাৰি টলৌটলৌকৈ ঘূৰি ফুৰিছিল। '৪২ ৰ আন্দোলনৰ শেষত বৰুৱাই ঘূৰি আহি পাইছিল শূন্য পঁজা। গাঁৱৰ ভলণ্টিয়াৰ-সকলে বাঁহ-খেৰ যোগাৰ কৰি ঘৰটো সাজি দিছিল। বাঁহৰ চঁছালিৰে শুবলৈ চাং কৰি দিছিল। চাউল-পাত যোগাৰ কৰি দিছিল।

মহাযুদ্ধৰ সময়ত মিলিটেৰিয়ে ধান দাই থকা গাভৰু কিছুমানক বলাৎকাৰ কৰা কাৰণে শংকৰ বৰুৱাই অসমৰ নাৰীসকলক সশস্ত্ৰ হৈ থাকি আত্মৰক্ষা কৰিবলৈ আহ্বান জনাইছিল। '৪২ ৰ আন্দোলনৰ পাছত এই কথাকে লৈ এচামে বৰুৱাৰ গাত দোষ দি অখিল ভাৰতীয় কংগ্ৰেছলৈ প্ৰতিবেদন পঠালে। বৰুৱাই এই কথাৰ প্ৰতিবাদ কৰিছিল আৰু তেওঁ কি কাৰণে মহিলা-সকলক সশস্ত্ৰ হ'বলৈ আহ্বান জনাইছিল সেইকথা মহাত্মাক বুজাই দিবলৈ সক্ষম হৈছিল। পৰবৰ্তী কালত মহাত্মাই সেই উপদেশ-নিৰ্দেশবোৰ Advice to woman-অত সন্নিবিষ্ট কৰিছিল।

স্বাধীনতাৰ পাছত ১৯৪৭ চনৰ ডিছেম্বৰ মাহত জয়প্ৰকাশ নাৰায়ণ অসমলৈ আহিছিল। তেতিয়া তেওঁ গোলাঘাটলৈও গৈছিল। তাত তেওঁৰ থকা-খোৱাৰ ব্যৱস্থা অধিবক্তা দৌলেশ্বৰ দত্তৰ ঘৰত কৰা হৈছিল। গোলাঘাট এবাৰ সময়ত জয়প্ৰকাশ নাৰায়ণে খেদ কৰিলে,— গোলাঘাটলৈ আহিলো, বৰুৱাই মোক নিজৰ ঘৰতো নাৰাখিলেই, এবাৰো নিনিলেও। বৰুৱাই স্বভাৱসুলভ হাঁহিটিৰে কৈছিল,— 'হামাৰা ঘৰ ! ঠিক হ্যায় যানেকে ৰক্ত হোকে যায়েগা।' যোৱাৰ পথত বৰুৱাই জয়প্ৰকাশক নিজৰ ঘৰ দেখুৱাইছিল। জয়প্ৰকাশে '৪২ ৰ অসমৰ জিন্দা ছহিদজনৰ পঁজাটি, কেৱল বাঁহৰ দুখন চঁছালিৰ বেঞ্চ আৰু এখন ইজি চেয়াৰ দেখি আচৰিত আৰু মৰ্মাহত হৈছিল। বৰুৱাই হেনো পৰিয়ালৰ সকলোকে মাতি আনি জয়প্ৰকাশক কৈছিল,— "হামাৰা সম্পত্তি।" পাছত জয়প্ৰকাশে হেনো ল'ৰা-ছোৱালীকেইটাৰ দোহাই দি কিছু সহায়ো কৰিছিল।

'৪২ চনৰ মাৰ্চমাহত হোৱা কংগ্ৰেছৰ বছৰেকীয়া অধিবেশন আৰু পুনৰগঠন সম্মিলনত জয়প্ৰকাশে মুকলি সভাত ভাষণ দিওঁতে কৈছিল, ... চালাম হ্যায় উন তিন সাথীয়োকো জিনহোনে চন '৪২ কা বগাৱতকো শুৰু কিয়া। চালাম হ্যায় সেনাপতি বাপট কো, নানাচাহিব পাটিলকো, চালাম হ্যায় শংকৰচন্দ্ৰ বৰুৱাকো।" ...

—বিষ্ণু দত্ত শৰ্মা,
নগাঁও কলেজ,
নগাঁও

## স. অ. ছাত্ৰসন্থাৰ প্ৰতি আস্থা

সদৌ অসম ছাত্ৰসন্থাৰ জাগৰণে অসমত বিভিন্ন পৰিবৰ্তনৰ সূচনা কৰিব পাৰিছে। সেই কথা আমি স্বীকাৰ কৰিবই লাগিব। কিন্তু আজি সেই সংগঠনটোৰ প্ৰতি ৰাইজৰ আস্থা লোপ পাইছে। আমি ভাবোঁ ছাত্ৰ-সমাজত ক্ৰমান্বয়ে গা কৰি উঠা উচ্ছৃংখলতা ৰোধ কৰিব পাৰিলেই সংস্থাটোৰ প্ৰতি ৰাইজৰ আস্থা পুনৰ ঘূৰি আহিব। এই ক্ষেত্ৰত—সদৌ অসম ছাত্ৰসন্থাৰ সভাপতি-সম্পাদকে দৃঢ় পদক্ষেপ লব বুলি অনুৰোধ জনালো।

—ৰাজেন নেওগ,
সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা,
কাকজান কলেজ।

## গৌৰাংগ ডেকা সম্পৰ্কীয় বাতৰিত ভুল

— যোৱা ১৬—৩১ আগষ্টৰ প্ৰান্তিকত (পৃষ্ঠা ১৫) এটা ভুল বাতৰি প্ৰকাশিত হৈছে। সেইটো হৈছে (আমি জনামতে) শ্ৰীগৌৰাংগ ডেকাই ৰঙিয়া উচ্চতৰ মাধ্যমিক স্কুলৰ পৰা যোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৫ম (পঞ্চম) স্থানহে পাইছে ; তৃতীয় স্থান পোৱা নাই। তেওঁ পোৱা সৰ্বমুঠ নম্বৰ হ'ল ৬৭৫।

গিৰীশ ডেকা,
কটন কলেজ,
ৰজনী কান্ত বৰদলৈ ছাত্ৰাবাস





# ই-কংগ্ৰেছৰ বিৰুদ্ধে গোচৰ

নতুন দিল্লীত আছাম ট্ৰিবিউন কাকতৰ সোণালী জয়ন্তী উপলক্ষে আয়োজিত অনুষ্ঠান এটাত ভাষণ দি প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীয়ে কৈছিল যে বিভিন্ন সংগঠনে ধৰ্মৰ নামত জন সমৰ্থন আদায় কৰিবলৈ চেষ্টা কৰিলে সময়ত পঞ্জাবত শিখৰাষ্ট্ৰ, কাশ্মীৰত ইছলামী ৰাষ্ট্ৰ, উত্তৰ-পূৰ্বাঞ্চলত খৃষ্টান ৰাষ্ট্ৰ আৰু মধ্য প্ৰদেশ, বিহাৰ আৰু উত্তৰ প্ৰদেশত হিন্দু ৰাষ্ট্ৰৰ বাবে দাবী উত্থাপিত হ'ব পাৰে। সেয়েহে কিছুমান সংগঠনে বৰ্তমান দেশখনত "হিন্দু ৰাষ্ট্ৰ"ৰ ভাবনাটো জগাই তোলাৰ বিৰুদ্ধে বাতৰি-কাকতসমূহে জনমত গঢ়ি তোলাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰিছিল।

কিন্তু গুৰুত্বপূৰ্ণ কথা হ'ল—শ্ৰীগান্ধীৰ নিজৰ দল ই-কংগ্ৰেছৰ মিজোৰাম শাখাই তেওঁৰ সেই চিন্তাধাৰাৰ সম্পূৰ্ণ বিপৰীতে গৈ ৰাজ্যখনৰ যোৱা বিধানসভাৰ নিৰ্বাচনত এনে ধৰণৰ ভাবনা প্ৰচাৰ কৰি ভোট বিচাৰিছিল বুলি সম্প্ৰতি এক অভিযোগ উত্থাপিত হৈছে। ৰাজ্যখনৰ ছেৰচিপ সমষ্টিত মুখ্যমন্ত্ৰী লালথানহাওলাৰ হাতত সামান্য ভোটৰ ব্যৱধানত পৰাজিত হোৱা মিজো নেশ্যনেল ফ্ৰণ্টৰ প্ৰাৰ্থী লিয়ানমিংথাংগাই গুৱাহাটী উচ্চন্যায়ালয়ত অলপতে লালথানহাওলাৰ বিৰুদ্ধে তৰা এটা গোচৰত এই অভিযোগ উত্থাপন কৰা হয়।

লিয়ানমিংথাংগাই তেওঁৰ আবেদন-খনত কয়,—যোৱা জানুৱাৰি মাহত অনুষ্ঠিত ৰাজ্য বিধান সভাৰ নিৰ্বাচনত ই-কংগ্ৰেছ দলে খৃষ্টান ধৰ্মৰ নামত ভোট বিচাৰিছিল আৰু এখন "খৃষ্টান চৰকাৰ" প্ৰতিষ্ঠাৰ অৰ্থে সমৰ্থন বিচাৰি ব্যাপক হাৰত প্ৰচাৰ কাৰ্য চলাইছিল। তেওঁলোকে "যিছুখৃষ্টৰ বাণীৰ আধাৰত এখন খৃষ্টান চৰকাৰ প্ৰতিষ্ঠা কৰাৰ বাবে প্ৰতিশ্ৰুতি দিয়া কথাটোৰ সৈতে ইৰানত আয়াতুল্লা খোমেনিয়ে, পাকিস্তানত জেনেৰেল জিয়াউল হকে আৰু বাংলাদেশত জেনেৰেল এৰছাদে উপস্থাপন আৰু প্ৰচলন কৰা ইছলামীয় চৰকাৰৰ ধাৰণাটোৰ কোনো পাৰ্থক্য নাই। এই প্ৰচেষ্টাৰ সৈতে ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ হিন্দু ৰাষ্ট্ৰৰ ধাৰণা বা কিছুমান শিখ নেতাৰ "খালিস্তান"ৰ ধাৰণাটোৰ মাজতো কোনো পাৰ্থক্য নাই।" —আবেদনখনত কোৱা হৈছে।

এনে লাগে যেন ৰাজীৱ গান্ধীয়ে লিয়ানমিংথাংগাৰ আবেদনখনৰ এই কথাখিনিৰ দ্বাৰা অনুপ্ৰাণিত হৈয়েই তেওঁৰ ভাষণত উক্ত কথাখিনি কৈছিল !

আবেদনখনত লিয়ানমিংথাংগাই ই-কংগ্ৰেছৰ নিৰ্বাচনী ঘোষণাপত্ৰ আৰু লালথানহাওলা আৰু অন্যান্যসকলৰ ভাষণৰ উদ্ধৃতি দি কয় যে যদিহে ক্ষমতাত অধিষ্ঠিত হয় তেন্তে ই-কংগ্ৰেছে "এখন খৃষ্টান চৰকাৰ প্ৰতিষ্ঠা কৰাৰ লগতে খৃষ্ট ধৰ্মীয় পবিত্ৰ ভূমিলৈ (Holy Land) বিনামূলীয়া ভ্ৰমণৰ আয়োজন কৰি দিব বুলি, আৰু খৃষ্টান ধৰ্মৰ উপদেশাৱলীৰ আধাৰত নতুন পাঠ্যপুথি প্ৰণয়ন কৰিব বুলি ভোটদাতাসকলক প্ৰতিশ্ৰুতি দিয়া হৈছিল।

আবেদনখনৰ মতে মুখ্যমন্ত্ৰী লালথান-হাওলাই হেনো আইজলৰ এখন ৰাজহুৱা সভাত দিয়া তেওঁৰ ভাষণত কৈছিল যে ধৰ্মনিৰপেক্ষতা আৰু সমাজবাদৰ ধাৰণাটো মিজোৰামৰ খৃষ্টানসকলৰ ক্ষেত্ৰত অপ্ৰাসংগিক, কাৰণ এই ধাৰণাটো খৃষ্টীয় মত আৰু খৃষ্টান ধৰ্মৰ মূলসূত্ৰসমূহৰ সৈতে ৰজিতা নাখায়। যিসকল খৃষ্টানে মিজোৰাম প্ৰদেশ ই-কংগ্ৰেছ সমিতিৰ প্ৰাৰ্থীসকলক ভোট নিদিয়ে তেওঁলোক প্ৰভু যিছুৰ দৈব অসন্তুষ্টিৰ সম্মুখীন হ'ব লাগিব।

আবেদনখনৰ সৈতে অভিযোগটো প্ৰমাণ কৰিব পৰা নথিপত্ৰও গাঠি দিয়া হৈছে। ইয়াৰ ভিতৰত মিজোৰাম ই-কংগ্ৰেছে উলিওৱা এটা ষ্টিকাৰো আছে। ষ্টিকাৰটোত মিজো ভাষাত লিখা আছিল ঃ "এম পি ছি ছি (আই) মিজো লেহ ক্ৰিটিন-টে টান আই ভোট আং উ" (মিজো আৰু খৃষ্টানসকলৰ বাবে ঃ আহক আমি মিজোৰাম প্ৰদেশ ই-কংগ্ৰেছ সমিতিক ভোট দিওঁ)।

ই-কংগ্ৰেছে উলিওৱা এখন হেণ্ডবিলতো হেনো "মিজো নেশ্যনেল ফ্ৰণ্টক ভোট দি ক্ষমতাত অধিষ্ঠিত কৰিলে গীৰ্জাৰ বিৰুদ্ধে যুদ্ধৰ সূচনা হ'ব আৰু ৰক্তপাতৰ সৃষ্টি হ'ব" বুলি কোৱা হৈছিল। এখন মিজো সাপ্তাহিক কাকতত প্ৰকাশিত এটা বাতৰি মতে, লালথানহাওলাই এখন ৰাজহুৱা সভাত কৈছিল ঃ "আমাৰ একমাত্ৰ প্ৰফেট গৰাকী হ'ল যিছুখৃষ্ট। গতিকে (মিজো ধৰণেৰে) আমি কেৱল যিছুৰ শিকনি-সমূহহে অনুসৰণ কৰি যাম।"

নিজে এগৰাকী ধৰ্মপ্ৰাণ খৃষ্টান আৰু যিছুখৃষ্টক অশেষ শ্ৰদ্ধা কৰা লোক বুলি উল্লেখ কৰি লিয়ানমিংথাংগাই তেওঁৰ আবেদনখনত কয় যে যিছুখৃষ্টৰ নাম ই-কংগ্ৰেছৰ প্ৰাৰ্থীসকলৰ বিজয়ৰ সম্ভাৱনা উজ্জ্বল কৰাৰ অৰ্থে ব্যৱহাৰ কৰাটো "দোষণীয়" কাৰ্য হৈছে। এনেবোৰ কাৰ্যই ভাৰতীয় সংবিধানত থকা মূলসূত্ৰসমূহক উলংঘা কৰাৰ লগতে "দেশৰ ঐক্য আৰু সংহতি আৰু ৰাষ্ট্ৰযন্ত্ৰটোৰ পৰিপন্থী এক বিপদজনক সূত্ৰহে দাঙি ধৰিছে" বুলি তেওঁ অভিযোগ কৰে।

আবেদনখনৰ জৰিয়তে সংবিধানৰ ১২৩ (১)—(ঘোচ প্ৰদান), ১২৩ (২)—(অবাঞ্ছনীয় প্ৰভাৱ খটোৱা), ১২৩ (৩)—(ধৰ্মৰ নামত গোহাৰি জনোৱা) আৰু ১২৩ (৩ক) (বিভিন্ন সম্প্ৰদায়ৰ মাজত শত্ৰুতা আৰু ঘৃণাৰ মনোভাব জগাই তোলা) ধাৰাৰ অধীনত লালথানহাওলাৰ নিৰ্বাচন অবৈধ বুলি ঘোষণা কৰিবলৈ অনুৰোধ জনোৱা হৈছে।

এই গোচৰটোৱে ই-কংগ্ৰেছৰ নেতা-সকলক বিশেষভাৱে চিন্তাত পেলাইছে বুলি জানিব পৰা গৈছে। কোনো-কোনো নেতাই হেনো এনে অস্বস্তিকৰ অৱস্থাৰ পৰা দলটোক বচাবলৈ বিধান সভাখন ভংগ কৰি নতুনকৈ নিৰ্বাচন পতাৰ পৰামৰ্শ আগবঢ়াইছে। একেটা কাৰণতে এম এন এফৰ আন ১৪ জন নেতায়ো ই-কংগ্ৰেছৰ বিধায়কসকলৰ বিৰুদ্ধে নিৰ্বাচনী গোচৰ তৰিছে। তেওঁলোকৰ মতে তেওঁলোকৰ আবেদন আদালতে গ্ৰহণ কৰিলে ই-কংগ্ৰেছৰ বিধায়কসকলে তেওঁলোকৰ আসন কেইখন হেৰুৱাবও পাৰে।

# বড়ো সমস্যাৰ আলোচনা

অহা ৫ অক্টোবৰত নতুন দিল্লীত এবছুৰ (উ) সৈতে দ্বিতীয়লানি ত্ৰিপক্ষীয় আলোচনা অনুষ্ঠিত হোৱাৰ কথা। এবছুৱে কেন্দ্ৰীয় গৃহমন্ত্ৰী বুটা সিং উপস্থিত নাথাকিলে দ্বিতীয়লানি আলোচনা বৰ্জন কৰাৰ ভাবুকি দি আছে। মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই

উক্ত আলোচনাত ৰাজ্য চৰকাৰৰ তৰফৰ পৰা তেওঁ নিজে উপস্থিত থাকিব বুলি প্ৰকাশ কৰিছে। শ্ৰীমহন্তই কয় যে বিষয়টো সম্পৰ্কত এবছুৱে এক মুকলি মন লৈ আগবাঢ়ি আহিব বুলি তেওঁ আশা কৰিছে।

ইফালে এবছুৰ আন্দোলনৰ সৈতে 'ৰ'ৰ দৰে কেন্দ্ৰীয় সংস্থা জড়িত থকাৰ কথা প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীয়ে অস্বীকাৰ কৰিলেও এই সম্পৰ্কত বিভিন্ন তথ্য পোহৰলৈ আহিয়েই আছে।

ইতিমধ্যে পুলিছে উগ্ৰপন্থীসকলৰ পৰা জব্দ কৰা ভালেমান অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰই, এইবোৰ কোনোবা চৰকাৰী সূত্ৰৰ পৰাই লাভ কৰাৰ ইংগিত দিয়ে বুলি এটা সূত্ৰই প্ৰকাশ কৰিছে।

এনেবোৰ কথাই উপেন ব্ৰহ্মাই নতুন দিল্লীত তেওঁলোকৰ দাবীৰ প্ৰতি চৰকাৰে সঁহাৰি নিদিলে অধিক হিংসাত্মক ঘটনা ঘটিব বুলি দিয়া ভাবুকিৰ সত্যতা প্ৰতিপন্ন কৰে বুলি সূত্ৰটোৱে কয়।

অৱশ্যে ঠায়ে-ঠায়ে নিৰীহ বড়োলোকৰ ওপৰত যে পুলিছৰ মাত্ৰাধিক অত্যাচাৰ চলি আছে সেই কথাও মিছা নহয় বুলি এটা সূত্ৰই কয়। এবছুৰ ভলণ্টিয়াৰ ফ'ৰ্ছৰ আহ্বায়ক সোণাৰাম বাগলাৰিয়ে মোৰ আগত অভিযোগ কৰি কৈছিল যে অসম আন্দোলনৰ সময়ত সদৌ অসম ছাত্ৰ সন্থাৰ সদস্যসকলৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰা এচাম অনাঅসমীয়া পুলিছ বিষয়াক ৰাজ্য চৰকাৰে বৰ্তমান এবছুৰ আন্দোলন দমন কৰিবলৈ লগাই দিছে। এনেবোৰ বিষয়াই বড়ো আন্দোলনটোৰ সম্পৰ্কত প্ৰকৃত খবৰবোৰ ৰাজ্য চৰকাৰৰ ওচৰত দাঙি নধৰা বাবে আন্দোলনটোৱে এনে এটা ৰূপ ললে বুলি শ্ৰীবাগলাৰি তথা অন্যান্য নেতাসকলে অভিযোগ কৰিছিল।



SIMCO
HAIR FIXER
SIMLA CHEMICALS (P.) LTD.
A-76, NARAINA INDUSTRIAL AREA
PHASE - I, NEW DELHI-110028

## অসমৰ বাবে গৌৰৱৰ কথা

জাহ্নু বৰুৱাৰ "হালধীয়া চৰায়ে বাও ধান খায়" নামৰ কথাছবিখনে ইতিমধ্যে ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত শ্ৰেষ্ঠ ছবি ৰূপে পৰিগণিত হৈ "স্বৰ্ণকমল" লাভ কৰিছে আৰু অন্ততঃ ১২ খন আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত ভাৰতৰ হৈ প্ৰতিনিধিত্ব কৰিছে। শেহতীয়াভাৱে ২৯ চেপ্টেম্বৰৰ পৰা টকিঅ'ত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ "বেষ্ট অৱ এছিয়া" বিভাগত ভাৰতৰ প্ৰথম আৰু একমাত্ৰ ছবি হিচাপে এই কথাছবিখন মনোনীত হৈছে। উল্লেখযোগ্য যে উক্ত মহোৎসৱৰ "বেষ্ট অৱ এচিয়া" বিভাগৰ বাবে যোৱা দুবছৰৰ ভিতৰত নিৰ্মিত এছিয়া মহাদেশৰ দহখন শ্ৰেষ্ঠ ছবি বাছি উলিওৱা হৈছে।

ইফালে ক্ৰীড়াৰ ক্ষেত্ৰত, অসমৰ মৃদুল দুৱৰা আৰু জুনুমণি শইকীয়াই পাকিস্তানৰ ইছলামাবাদত অনুষ্ঠিত হ'ব লগীয়া চতুৰ্থ-দক্ষিণ এছীয় গেমছৰ (ছাফ গেমছ) বাবে ভাৰতীয় দলত স্থান লাভ কৰিছে। উল্লেখযোগ্য যে ভোগেশ্বৰ বৰুৱা আৰু তৈয়বুন নিছাৰ পাছত বহুদিন ধৰি অসমৰ কোনো এথলিটে ভাৰতীয় দলত স্থান লাভ কৰিব পৰাকৈ কৃতিত্বৰ পৰিচয় দিব পৰা নাছিল। মৃদুল দুৱৰাই পুৰুষৰ পলভল্টত আৰু জুনমুণি শইকীয়াই মহিলাৰ এশ মিটাৰ দৌৰত ভাৰতক প্ৰতিনিধিত্ব কৰিব।

কলিকাতাত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় এথলেটিকছ মিটত পলভল্টত ৪.৫০ মিটাৰ অতিক্ৰম কৰি মৃদুল দুৱৰাই ব্ৰঞ্জৰ পদক লাভ কৰিছিল। ইয়াৰ আগেয়ে ত্ৰিবান্দ্ৰমত অনুষ্ঠিত ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত ৪.৪০ মিটাৰ অতিক্ৰম কৰি তেওঁ ৰূপৰ পদক পাইছিল। কলিকাতাত তেওঁ নিজৰ পাৰদৰ্শিতা কিছু উন্নত কৰিবলৈ সক্ষম হয়। পলভল্টত ভাৰতক প্ৰতিনিধিত্ব কৰা তেওঁ হ'ব দুই নম্বৰৰ খেলুৱৈ।

ইফালে অসমৰ জুনিয়ৰ শাখাত বিশেষ কৃতিত্বৰ পৰিচয় দিয়া এথলিট জুনুমণি শইকীয়াক আন্তঃ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ অভিজ্ঞতা অৰ্জন কৰিবলৈকে ভাৰতীয় দলত নিৰ্বাচিত কৰা হৈছে বুলি জানিব পৰা গৈছে। ত্ৰিবন্দ্ৰমৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত জুনুমণিয়ে এশ মিটাৰ দৌৰত পি.টি. উষাৰ বিৰুদ্ধে অংশ গ্ৰহণ কৰি পঞ্চম স্থান পাইছিল।

## গুৱাহাটী পৌৰ নিগম আৰু ৰাইজ

গুৱাহাটী পৌৰ নিগমে চহৰখনৰ ৰাইজলৈ ন্যূনতম সুবিধাখিনি দিব নোৱৰা বুলি অভিযোগ কৰি সদৌ গুৱাহাটী ছাত্ৰ সন্থাই নিগমক কৰ দিয়াটো বন্ধ কৰিবলৈ ৰাইজক আহ্বান জনোৱাৰ লগতে নিগমৰ কাৰ্যালয়ৰ সন্মুখতো পিকেটিঙৰ কাৰ্যসূচী হাতত লয়। ছাত্ৰসন্থাৰ মতে নিগমৰ দায়িত্বহীন মনোভাবৰ বাবে গুৱাহাটীবাসী সৰ্বসাধাৰণ ৰাইজে জীয়াতু ভুগি আহিব লগীয়া হৈছে। বিশেষকৈ ৰাস্তা-পদুলিৰ দুৰ্দশাপূৰ্ণ অৱস্থা, অলপ বৰষুণতে বিভিন্ন অঞ্চলত পানী জমা হোৱা, বিভিন্ন অঞ্চললৈ পানী যোগান অনিয়মীয়া হৈ থকা, ৰাস্তাৰ লাইটবোৰ নজ্বলাৰ ফলত বহু অঞ্চলৰ বাট-পথ অন্ধকাৰত ডুব গৈ থকা আদি সমস্যাই ৰাইজক বিশেষ অসুবিধাত পেলাই আহিছে। এই সমস্যাবোৰৰ সংক্ৰান্তত নিগমে "নিৰ্বিকাৰ ভূমিকা" লৈ থকা বাবে চহৰখনৰ সচেতন নাগৰিকসকলো ক্ষুদ্ধ হৈ উঠিছে। সেয়েহে সদৌ গুৱাহাটী ছাত্ৰ সন্থাই লোৱা কাৰ্যব্যৱস্থাই নাগৰিকসকলৰ বহুতৰে সমৰ্থন লাভ কৰিবলৈ সক্ষম হৈছে।


ইফালে সদৌ গুৱাহাটী ছাত্ৰসন্থাৰ পিকেটিং কাৰ্যসূচীৰ পৰিপ্ৰেক্ষিতত নিগমে কি ব্যৱস্থা গ্ৰহণ কৰিছে সেইটো নাগৰিকসকলে এতিয়াও জানিব পৰা নাই। ইয়াৰ বিপৰীতে নিগমে স.গু.ছা. সন্থাৰ পিকেটিঙৰ বাবে ৰাইজলৈ নিয়মীয়া পানী যোগান আদি যাবতীয় সা-সুবিধা আগবঢ়াব পৰা নাই বুলি অজুহাত দেখুৱাবলৈ প্ৰয়াস কৰা পৰিলক্ষিত হৈছে।

নিগমৰ এচাম দুৰ্নীতিপৰায়ণ, স্বেচ্ছাচাৰী বিষয়া-কৰ্মচাৰীৰ কাৰ্যকলাপৰ বাবেই মহানগৰীখনৰ এনে অৱস্থা হ'বলৈ পাইছে বুলি ছাত্ৰ সন্থাটোৱে অভিযোগ কৰিছে। উল্লেখযোগ্য যে নিগমৰ এচাম বিষয়া-কৰ্মচাৰীয়ে দুনীতিৰ আশ্ৰয় লৈ যথেমধে ঘৰ নিৰ্মাণৰ অনুমতি দিয়াৰ বাবেই চহৰখনত পানী আবদ্ধ হোৱাৰ দৰে গুৰুতৰ সমস্যাৰ সৃষ্টি হৈছে বুলি সততে অভিযোগ শুনি অহা হৈছে।

ইমৰান হুছেইন

ইউনিট ট্ৰাষ্ট-অৰ মাধ্যমেৰে টকা খটুৱাওক, এটা উজ্জ্বল ভবিষ্যতৰ বাবে

আপোনাৰ সকলো সপোন
সফল হবৰ বাবে সাঁচিবৰ আচনি



ইউনিট স্কিম ৬৪
নিৰাপত্তাৰ বাবে, ১০০% ঋণ পৰিশোধ আৰু বৰ্ধিত পৰিশোধ ওপৰি বন্ধকৰ সুবিধা। শেষ ভাজ্য ঘোষণা কৰা হৈছে ১৮%

ইউনিট লিঙ্কড্ ইঞ্চিওৰেঞ্চ প্লেন (ইউ এল আই পি)
জীৱন বীমা আৰু বিনামূল্যত দুৰ্ঘটনা বীমাৰ আবৰণ, উচ্চ পৰিশোধৰ সৈতে। চেক্সন ৮০ ছি-ৰ অধীনত আয়কৰৰ সুবিধা।

চিল্ড্ৰেন্‌চ্ গিফ্‌ট্ গ্ৰোথ ফান্ড (চি জি জি এফ)
আপুনি শিশুক দিয়া উপহাৰ কমেও ১২ গুণ বাঢ়িব -২২ বছৰত। লগতে উপহাৰ আয়কৰ ৰেহায়ো পাব।

মান্থলি ইনকাম ইউনিট স্কিম—ওপৰঞ্চি লাভ, বৰ্ধিত টকাৰ সৈতে (এম আই এচ জি)
সঁচোৱা টকা বঢ়াৰ লগতে প্ৰত্যেক মাহে টকা উপাৰ্জন কৰক। প্ৰত্যেক বছৰত ১২% নিশ্চিত ভাজ্য — মাহে মাহে আগতিয়াকৈ দিয়া হয়। পাচ বছৰৰ পাছত মূলধণৰ মূল্যবৃদ্ধি আৰু চাৰি বছৰৰ পাছত ওপৰঞ্চি ভাজ্য।

গ্ৰোয়িং ইন্‌কাম্ ইউনিট স্কিম (জি আই ইউ এচ)
৫১/২ বছৰত আপোনাৰ টকা দুগুণ তকৈও বেছি। ওপৰি পাবলগিয়া কৰৰ সুবিধা।

আৰু অন্যান্য মনোমোহা আঁচনিবোৰ যেনে—পেৰেন্টচ গিফ্‌ট্ এন্ড গ্ৰোথ ফান্ড, কেপিটেল গেইনচ্ ইউনিট স্কিম, চেৰিটেবল এন্ড ৰিলিজিয়াচ ট্ৰাষ্ট স্কিম। প্ৰত্যেকটো পৰিকল্পনায়ে চেক্সন ৮০ এল-ৰ অধীনত আয়কৰৰ সুবিধা উপভোগ কৰে।

সবিশেষ জানিবৰ বাবে আপোনাৰ ওচৰৰে ইউ টি আই-ৰ এজেন্ট বা প্ৰধান প্ৰতিনিধিৰ লগত যোগাযোগ কৰক।

ইউনিট ট্ৰাষ্ট অৱ ইণ্ডিয়া
(এটা ৰাজহুৱা বাণিজ্যিক সংস্থা)

প্ৰধান কাৰ্যালয়: ১৩ চাৰ ভিথাল্দাস থেকেৰচে মাৰ্গ, (নিউ মেৰিণ লাইনচ) বম্বে ৪০০ ০২০ টেলি: ২৮৬৩৭৬৭, আঞ্চলিক কাৰ্যালয়: ২ ফেয়াৰলি প্লেচ, কলিকতা ৭০০ ০০১ টেলি: ২০৯৩৯১, ২০৫৩২২, শাখা কাৰ্যালয় সমূহ: আশা নিবাস, ২৪৬ লিউইচ ৰ'ড, ভূবনেশ্বৰ ৭৫১ ০১৪ টেলি: ৫৬১৪১। জীৱন দীপ, এম· এল· নেহেৰু ৰ'ড, পানবজাৰ, গুৱাহাটি ৭৮১ ০০১, টেলি: ২৩১৩১। জীৱন দীপ, একজিবিশ্বন ৰ'ড, পাটনা ৮০০ ০০১ টেলি: ২২৪৭০।

Sista's UTI—123/89 ASM

OKDISCD

কুলদীপ নায়াৰ

# উপত্যকাটো ইমান শান্ত আছিল !

শ্ৰীনগৰত বৰ্তমানে কাৰ কথামতে কাম চলিছে সেই বিষয়ত কোনো সন্দেহ নাই । উগ্ৰপন্থীসকলে যেতিয়াই বিচাৰে তেতিয়াই দোকান-পোহাৰ, ব্যৱসায় বা যান-বাহনৰ চলাচল বন্ধ কৰিব পাৰে । তেওঁলোকে নিৰ্দেশ দিলে বা নিৰ্দেশ দিয়া যেন পালে চহৰখনে সেই নিৰ্দেশ পালন কৰে।

স্বাধীনতা দিৱসৰ দিনা (১৫ আগষ্ট) নিষ্প্ৰদীপৰ বাবে জনোৱা তেওঁলোকৰ আহ্বানৰ প্ৰতি সঁহাৰি সম্পূৰ্ণ আছিল । আনকি এজন বিশিষ্ট কাশ্মীৰী নেতা মীৰ কাছিমেও তেওঁৰ বাৰান্দাৰ লাইটবোৰ নুমুৱাই থোৱাটোৱেই উচিত বুলি বিবেচনা কৰিছিল। ৰাস্তাৰ লাইটবোৰ নুমুৱাই থোৱা হৈছিল আৰু কিছুমান জ্যেষ্ঠ বিষয়া সেইদিনাৰ চৰকাৰী কাৰ্যসূচীৰ পৰা আঁতৰি আছিল । বৰ্জনৰ আহ্বানক প্ৰত্যাহ্বান জনোৱা এজন নেশ্যনেল কনফাৰেন্সৰ কৰ্মীক চহৰখনৰ মাজ মজিয়াতে হত্যা কৰা হৈছিল । আক্ৰমণকাৰী দুজনে এটুকুৰা কাগজত 'কে. এল. এফ.' বুলি লিখি, কাগজ-টুকুৰা মৃতদেহটোৰ গাত লগাই, এখন মটৰ ছাইকেলত উঠি ধীৰে-সুস্থিৰে আঁতৰি যোৱাৰ পাছত বহু পৰলৈকে কোনেও মৃতদেহটোৰ কাষলৈ যাবলৈও সাহস কৰা নাছিল।

কে. এল. এফ. মানে—স্বাধীন কাশ্মীৰৰ হকে যুঁজাৰ অৰ্থে আমানুল্লাই লণ্ডনত প্ৰতিষ্ঠা কৰা সংস্থা—কাশ্মীৰ লিবাৰেশ্যন ফ্ৰণ্ট । তেওঁ হেনো প্ৰায় ৩০০ কাশ্মীৰী যুৱকক পাকিস্তানলৈ যাবলৈ প্ৰৰোচিত কৰিছিল । পাকিস্তানে তেতিয়া তেওঁলোকক প্ৰশিক্ষণ আৰু অস্ত্ৰ-শস্ত্ৰ দিছিল । ১৯৬৫ চনৰ অনুপ্ৰবেশ কাৰ্যসূচী ব্যৰ্থ হোৱাৰ পাছত পাকিস্তান ইমানেই সতৰ্ক হৈ পৰিছিল যে তেওঁলোকে যুৱকসকলক তিনি বা চাৰিজনীয়া একোটা দলতহে প্ৰশিক্ষণ দি বেলেগে-বেলেগে ওভতাই পঠাইছিল। প্ৰশিক্ষণ শিবিৰবোৰত তেওঁলোকৰ নামৰ সলনি সাংকেতিক নম্বৰহে ব্যৱহাৰ কৰা হৈছিল—যাতে তেওঁলোকৰ কাৰোবাক বন্দী কৰিলেও বন্দী কৰোঁতাসকলৰ আগত তেওঁলোকে অন্যান্যসকলৰ পৰিচয় প্ৰকাশ কৰিব নোৱাৰে।

কিন্তু শ্ৰীনগৰৰ জনসাধাৰণৰ (এওঁলোকৰ সংখ্যা প্ৰায় আধা নিযুত) বাবে নম্বৰবোৰ গুৰুত্বপূৰ্ণ নহয়, অজ্ঞাত লোকসকলৰ ভয়েহে তেওঁলোকক আগুৰি ধৰিছে । যোৱা এটা মাহত দোকানবোৰ বহুদিন ধৰি বন্ধ আছিল । কোনোবাই কাৰোবাক দোকানবোৰ বন্ধ কৰিব লাগে বুলি ক'বহে লাগে, সেইবোৰ বন্ধ হয়েই । কেতিয়াবা-কেতিয়াবা কোনোবাই দুষ্টালি কৰি টেলিফোনেৰে ক'লেও দোকানবোৰ বন্ধ হৈ যায়। পুলিছৰ হাজোতত পিতাকৰ মৃত্যু হোৱাৰ ফলত ৰাতিটোৰ ভিতৰতে প্ৰখ্যাত হৈ পৰা ছবিৰ শ্বাহে হৰতাল বিচাৰিছে বুলি এটা উৰা বাতৰি ওলালেও হৰতাল হৈ যায়।

উগ্ৰপন্থীসকলে হিন্দু-মুছলমান ঐক্যৰ প্ৰতিশ্ৰুতি দিছে (উপত্যকাটোত হিন্দু-মুছলমানৰ মাজত কোনো উত্তেজনা নাই) ; কিন্তু ভাৰতৰ সৈতে সম্পৰ্ক থকাৰ কথাটো দাঙি ধৰাটো তেওঁলোকে নিবিচাৰে । উদাহৰণ স্বৰূপে তেওঁলোকে কৈছিল,—হিন্দুসকলে জন্মাষ্টমী উপলক্ষে শোভাযাত্ৰা এটা উলিয়াব পাৰিব ; কিন্তু "ভাৰত মাতা কি জয়' বুলি ধ্বনি দিব নোৱাৰিব । হিন্দুসকলে অৱশ্যে শোভাযাত্ৰাটো উলিওৱাৰ চিন্তাটোকে বাদ দিলে।

জনসাধাৰণে ভয় কৰাৰ যুক্তি আছে। কাৰণ উগ্ৰপন্থীসকলে ঘৰবোৰ জ্বলাই দিয়ে আৰু দোকানবোৰ লুট কৰে । ভয়ৰ বাহিৰেও কিছুমান অঞ্চলত উগ্ৰপন্থীসকলৰ প্ৰতি জনসাধাৰণৰ সহানুভূতিও আছে । উগ্ৰপন্থীসকলক আশ্ৰয় দিয়া হয় আৰু কেতিয়াবা পুলিছৰ হাতৰ পৰা পলোৱাৰ ক্ষেত্ৰতো জনসাধাৰণে তেওঁলোকক সহায় কৰে। বোমা বিস্ফোৰিত কৰা বা পুলিছ বা আনলৈ গুলিওৱা এজনো উগ্ৰপন্থীক এতিয়ালৈকে গ্ৰেপ্তাৰ কৰা হোৱা নাই । বহুতো কাশ্মীৰীয়ে তেওঁলোকৰ "ল'ৰাইঁতে" (উগ্ৰপন্থীসকলৰ কথা এই বুলিয়েই উল্লেখ কৰা হয়) অকল অস্ত্ৰ ধৰাই নহয়, লগতে দুৰ্জয় পুলিছ বাহিনীৰো হাত সাৰিব পাৰিছে বুলি ভাবি এক ধৰণৰ উপকৰা সন্তুষ্টি লাভ কৰে।

কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব নোৱৰা দুৰ্বল আৰু উদ্যমহীন প্ৰশাসনে উগ্ৰপন্থীসকল শক্তিশালী হৈ উঠিছে বুলি জনসাধাৰণৰ বিশ্বাসটোকহে দৃঢ় কৰিছে । যেতিয়া তেওঁলোকে কিছুমান পুলিছে "ল'ৰাইঁত"ৰ কাণ্ড-কাৰখানাবোৰ দেখিও নেদেখাৰ ভাও জোৰা দেখিছে, তেতিয়াই তেওঁলোকে অনুভৱ কৰিছে,—কাশ্মীৰৰ ইতিহাস নতুনকৈ লিখিব পাৰি ; ভাৰত বা পাকিস্তান কাৰো অন্তৰ্ভুক্ত নোহোৱাৰ সময়ৰ পৰাই সেই নতুন ইতিহাস আৰম্ভ কৰিব পাৰি।

বেছিভাগ কাশ্মীৰীয়েই অবাস্তৱ পৃথিৱী এখনত বাস কৰে আৰু বহুতেই উগ্ৰপন্থীসকলৰ প্ৰচেষ্টাৰ জৰিয়তে আৰু ইছলামাবাদৰ সহায়ত এখন স্বাধীন কাশ্মীৰ লাভ কৰাটো সম্ভৱ বুলি ক্ৰমাৎ বেছিকৈ ভাবিবলৈ লৈছে । ইছলামাবাদে ভাৰতৰ সৈতে কাশ্মীৰৰ অন্তৰ্ভুক্তি নোহোৱা কৰিবলৈকে নিজৰ কৌশল সলনি কৰি স্বাধীন কাশ্মীৰৰ দাবীটো সমৰ্থন কৰিবলৈ লৈছে যেন লাগে।

বিয়াল্লিছ বছৰৰ আগেয়ে যিদিনা জম্মু আৰু কাশ্মীৰ ভাৰতৰ অন্তৰ্ভুক্ত হৈছিল সেইদিনাৰ পৰাই সংখ্যাত তাকৰ এচাম লোকে সেই অন্তভুক্তিৰ বিৰুদ্ধে কিবা নহয় কিবা প্ৰকাৰে বিৰোধ প্ৰদৰ্শন কৰি আহিছে। স্বৰ্গীয় শ্বেখ আব্দুল্লাই অন্তভুক্তি কাৰ্যক প্ৰত্যাহ্বান জনোৱা নাছিল যদিও স্বায়ত্ত শাসনৰ কাহিনীটো তেওঁ জীয়াই ৰাখিছিল। আৰু কাশ্মীৰীসকলে এই কাহিনীৰ লগতে ইমান দিন বাস কৰিলে যে এতিয়া তেওঁলোকৰ বিশ্বাস জন্মিছে—দিল্লী অৰ্থাৎ ভাৰতৰ বিৰুদ্ধে কিমান বেছি তীব্ৰ মনোভাব গ্ৰহণ কৰিব পাৰে, তাৰ ওপৰতে তেওঁলোকৰ অস্তিত্ব নিৰ্ভৰ কৰিছে।

মুখ্যমন্ত্ৰী ফাৰুক আব্দুল্লা ৰাজ্যখনত অপ্ৰিয় হোৱাৰ কাৰণ হ'ল—তেওঁক যে নতুন দিল্লীৰ ওচৰত মূৰ দোঁওৱা দেখা গৈছে তাৰ দ্বাৰা তেওঁ সেই কাহিনীটোতে, সেই বিশ্বাসটোতে কুঠাঘাত কৰিছে। তেওঁ অধিক সতৰ্কতাৰে, ধীৰে-সুস্থিৰে আগবঢ়া হ'লে নিজৰ হেৰোৱা স্থিতি পুনৰুদ্ধাৰ কৰিব পাৰিলেহেঁতেন । ৰাইজে ভাবে—তেওঁ নিজৰ ভাবমূৰ্তি উজ্জ্বল কৰি ৰাখিব পৰা নাই । শেহতীয়াভাৱে তেওঁৰ বিৰুদ্ধে উঠা এটা অভিযোগ হ'ল—মুখ্যমন্ত্ৰী হিচাপে নিজৰ অবাধ ক্ষমতা খটুৱাই তেওঁ এখন ব্যক্তিগত চিকিৎসা মহাবিদ্যালয়লৈ একেবাৰে কম দামত মাটি মঞ্জুৰ কৰিছে। এই মহাবিদ্যালয়খনৰ ব'ৰ্ডৰ তেৱেঁই হ'ল সভাপতি আৰু তেওঁৰ ভায়েক হ'ল এজন সদস্য । এই মহাবিদ্যালয়খনে কেৱল নামভৰ্তিৰ বাবেই প্ৰতিজন ছাত্ৰৰ পৰা ২.৫ লাখ টকাকৈ "মাচুল" লয়।

১৯৮৪ চনত ইন্দিৰা গান্ধীয়ে যেতিয়া ক্ষমতাচ্যুত কৰিছিল তেতিয়া ফাৰুক ইমানেই জনপ্ৰিয় আছিল যে আনকি শ্বেখ গৰাকীয়েও (শ্বেখ আব্দুল্লা) তেওঁৰ সেই জনপ্ৰিয়তাক হয়তো হিংসা কৰিলেহেঁতেন। কাশ্মীৰীসকলে তেতিয়া ফাৰুকৰ পিছত থিয় দিছিল, কাৰণ তেওঁ দিল্লীৰ হাতত পীড়িত হৈছিল । ফাৰুকৰ সেই অৱস্থাটো তেওঁলোকে বিশ্বাস কৰা সেই স্বায়ত্ত শাসনৰ কাহিনীটোৰ অনুকূলে আছিল। ই-কংগ্ৰেছৰ সৈতে কৰা চুক্তিখনে ফাৰুকৰ সুনামৰ হানি কৰিলে। তেওঁ কেন্দ্ৰৰ সৈতে হাত মিলোৱাৰ দৰে এক অক্ষমণীয় অপৰাধ কৰিলে।

অৱশ্যে ফাৰুকৰ নিজৰ ধাৰণা হ'ল—কেন্দ্ৰৰ সৈতে বিবাদত লিপ্ত হ'লে উন্নয়নৰ বাবে লগা পুঁজিৰ পৰা ৰাজ্যখন বঞ্চিত হ'ব। তেওঁ ৰাইজৰ আগত এক চমকৰ সৃষ্টি কৰিব খুজিছিল। সৰ্বাংগীন "উন্নয়ন"ৰ বাবে অকল শ্ৰীনগৰলৈকে ৬৬ কোটি টকা মঞ্জুৰ কৰা হৈছিল । কিন্তু এই ক্ষেত্ৰত দুই লাখ শিক্ষিত নিবনুৱাৰ অৱস্থাৰ উন্নতি ঘটোৱা কাৰ্যক অগ্ৰাধিকাৰ নিদিয়াটো আচৰিত কথা হ'ল। ইফালে তেওঁলোকেই হ'ল উগ্ৰপন্থীসকলৰ সম্পূৰ্ণ হুকুমত চলা বিনা-দৰমহাৰ সৈনিক । নিবনুৱাসকলক চাকৰি পোৱাত সহায় কৰাৰ উদ্দেশ্যে, প্ৰশিক্ষণ আৰু জ্ঞানেৰে তেওঁলোকক সজ্জিত কৰি তোলাৰ অৰ্থে নতুন দিল্লীয়ে প্ৰশিক্ষণ কেন্দ্ৰ খুলি দিছে। কিন্তু ভাৰতৰ সৈতে ৰাজ্যখন চামিল হোৱাৰ ৪২ বছৰৰ পাছতো বেংক আৰু ডাকঘৰসমূহত এমুঠিমানো কাশ্মীৰী মুছলমান কৰ্মচাৰী পাবলৈ নাই।

পিছে নিবনুৱা সমস্যা বা অনুন্নত অৱস্থাকে কাশ্মীৰ-সমস্যাৰ ঘাই কাৰণ বুলি দাঙি ধৰিলে সমস্যাটোক অতি সৰল কৰি পেলোৱাহে হ'ব । জম্মু আৰু কাশ্মীৰলৈ আগবঢ়োৱা জনমূৰি কেন্দ্ৰীয় সাহায্যৰ পৰিমাণ দেশৰ বাকী অংশতকৈ বেছি । উগ্ৰপন্থীসকল নিজেই সমৃদ্ধিশালী শ্ৰেণীটোৰ পৰা আহিছে । তেওঁলোকৰ কিছুমান ইঞ্জিনিয়াৰ আৰু কিছুমান ডাক্তৰ । সমস্যাটোৰ মূল কাৰণ আৰ্থিক অৱস্থাৰ মাজত নাই, আছে ক্ৰমান্বয়ে জগাই তোলা অনুভূতিৰ মাজতহে।

সংযুক্ত চৰকাৰ গঠন কৰা নেশ্যনেল কনফাৰেন্স আৰু ই-কংগ্ৰেছ—এই দুয়োটা দলেই অৱস্থাটোৰ বাবে চিন্তিত হ'লেও, এই ঘটনাবোৰ "ভাৰত-পন্থী' আৰু "ভাৰত-বিৰোধী', আৰু "ধৰ্ম নিৰপেক্ষ আৰু ধৰ্ম নিৰপেক্ষতা-বিৰোধী' শক্তিবোৰৰ মাজৰ যুঁজতে সীমাবদ্ধ বুলি বিশ্বাস কৰি তেওঁলোকে নিজকে প্ৰতাৰিত কৰিছে । কিন্তু দুখৰ বিষয় হ'ল—যুঁজখন অনুভূতিৰ দৃষ্টিভংগীৰে যুঁজিবলৈ নেশ্যনেল কনফাৰেন্স বা ই-কংগ্ৰেছত শক্তিশালী নৈতিক গুণসম্পন্ন লোক কোনো নাই।

দুয়োটা শাসনাধিষ্ঠ দলৰ সদস্যসকলৰ বিশ্বাসযোগ্যতাও সন্দেহজনক । তেওঁলোকৰ অতীতে দেখুৱাই দিয়ে যে ব্যক্তিগত আকাংক্ষাৰ বাবে তেওঁলোকে তেওঁলোকৰ স্থিতি সলনি কৰি আহিছে । ৰাজনীতিৰ সৈতে ধৰ্মক চামিল কৰা বুলি নেশ্যনেল কনফাৰেন্সৰ সদস্যসকলৰ এটা দুৰ্নাম আছে ; আৰু যেতিয়াই ৰাজনৈতিকভাৱে তেওঁলোকৰ বাবে সুবিধাজনক হয় তেতিয়াই তেওঁলোকে ভাৰত সম্পৰ্কীয় ৰাজনীতিৰ আশ্ৰয় লয়।

কাশ্মীৰৰ যুৱকসকলে নেশ্যনেল কনফাৰেন্সৰ উজ্জ্বল দিশটো দেখা নাই। এই দলটোৱে যে এহাতে মহাৰজাৰ অত্যাচাৰ আৰু আনহাতে মুছলিম লিগৰ সাম্প্ৰদায়িকতাবাদৰ বিৰুদ্ধে যুঁজিছিল সেই কথা তেওঁলোকে নাজানে যেন লাগে। ক্ষতিপূৰণ নিদিয়াকৈ হালোৱাক মাটি দিয়াৰ অৰ্থে শ্বেখ গৰাকীয়ে ভূমি সংস্কাৰৰ নীতি কাৰ্যকৰী কৰা ৩৫ বছৰৰো বেছি হ'ল । আজিৰ যুৱকসকলে নেশ্যনেল কনফাৰেন্সক ক্ষমতা বা ধনৰ ভাগ বিচাৰি চিএৰি-বাখৰি কাজিয়া কৰা লোকৰ দল হিচাপেহে পাইছে।

এলানি মাদ্ৰাছা (বিদ্যালয়) আৰু মছজিদৰ জৰিয়তে জামাত-ই-ইছলামীয়ে প্ৰচাৰ কৰা মৌলবাদে তেওঁলোকৰ যি মোহভংগ ঘটিছে তাৰ আংশিক উত্তৰহে দিব পাৰিছে । বাকীখিনি উত্তৰৰ যোগান ধৰিছে সন্ত্ৰাসবাদে । ১৯৮৭ চনত ৰাজ্য বিধান সভাৰ নিৰ্বাচনত যি "কাৰচাজি" কৰা হ'ল, সি কাশ্মীৰত প্ৰচলন কৰিব খোজা গণতন্ত্ৰৰ ধৰণটো নতুন দিল্লীৰ আঁচনিবোৰৰ সুবিধামতে হ'ব লাগিব বুলি উগ্ৰপন্থীসকলে কৰা সন্দেহহে গভীৰ কৰি তুলিলে। তেওঁলোকৰ কিছুমান "পৰাজিত" প্ৰাৰ্থীসকলৰ নিৰ্বাচনী এজেণ্ট আছিল । তেওঁলোকে বিশ্বাস কৰে—দেশখনত হিন্দু সাম্প্ৰদায়িকতাবাদে মূৰ তুলি উঠিছে। এই বিপদটো লৈও তেওঁলোক চিন্তিত।

চাৰিমাহৰ আগেয়ে যেতিয়া মই শ্ৰীনগৰলৈ গৈছিলো, তেতিয়া দম হৈ পৰা অভিযোগবোৰ হিংসাৰ ৰূপত বিস্ফোৰিত হ'বলৈ আৰম্ভ কৰিছিল । তেতিয়া মই লিখিছিলো : "তেওঁলোকে (উগ্ৰপন্থীসকলে) দিয়া সাৱধানবাণীটোলৈ যদি কাণ দিয়া নহয় তেন্তে তেওঁলোকে হিংসাত্মক কাৰ্য তীব্ৰ কৰি তুলিব পাৰে ।" মোৰ আশংকা সঁচা হ'ল। মই ভাবোঁ—ভৱিষ্যতে পৰিস্থিতি আৰু বেয়া হ'ব ; কাৰণ কাশ্মীৰীসকল বিচ্ছিন্ন হৈ আছে আৰু তেওঁলোকক পুনৰুদ্ধাৰ কৰিব পৰাকৈ প্ৰশাসন যোগ্যতা-সম্পন্ন নহয় যেন লাগে। কাশ্মীৰো পঞ্জাবৰ পথেৰেই আগবাঢ়িছে যেন লাগে। কাৰণ এই ৰাজ্যখনেও সন্ত্ৰাসবাদৰ কাৰণবোৰ আঁতৰাবলৈ চেষ্টা নকৰাকৈয়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজিছে।

সমস্যাটোৰ যে কোনো "ৰেডিমেড" সমাধান নাই শ্ৰীনগৰ আৰু নতুন দিল্লীয়ে সেই কথাটো অনুভৱ কৰা নাই। নিজৰ স্থায়ী ৰাজনৈতিক কৰ্মীসকলে সহায় কৰা এখন দৃঢ়প্ৰতিজ্ঞ চৰকাৰহে ইয়াৰ সন্মুখীন হ'ব পাৰিব। আৰু শ্ৰীনগৰ যে অকল কাশ্মীৰৰ উগ্ৰপন্থীসকলৰে সন্মুখীন হ'ব লাগিব এনে নহয় ; ই লগতে লাডাখৰ আৰু কিছু পৰিমাণে জম্মুৰ অশান্তিৰো সন্মুখীন হ'ব লাগিব।

বেছিদিনৰ কথা নহয়,—উপত্যকাটো শান্তই আছিল। ইয়াত বিভিন্ন অঞ্চল আৰু ধৰ্মৰ লোকে এতিয়াও নিৰৱে বৈ থকা ঝিলাম নৈখনতকৈও অধিক নিৰৱে বাস কৰিছিল। কিন্তু এতিয়া বন্দুকে তাৰ শান্তি ভংগ কৰিছে । তাৰ পৰিণতি কি—তেওঁলোকে নাজানে । কিন্তু তেওঁলোকৰ সকলোৰে মুখত সেই একেই উত্তেজনাৰ চিন।

**আজি সমাজবাদ আৰু সমাজবাদ-ভাবাপন্ন লোকসকল একগোট হ'বৰ সময় আহিছে। হিন্দুক হিন্দুভাৱে, মুছলমানক মুছলমানভাৱে, জনজাতিক জনজাতিভাৱে সংগঠন কৰিলে বিভিন্ন সম্প্ৰদায়ৰ ধনী আৰু ক্ষমতাবান শ্ৰেণীবোৰৰ আৰ্থিক আৰু সাংস্কৃতিক প্ৰসাৰৰ হে সুবিধা হয়।**

# সমাজবাদ আৰু সংহতি

**ড বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য**

সম্পন্ন পৰিয়াল আৰু যোত্ৰবান ব্যক্তি-সমূহৰ বাহিৰে অসমৰ সৰহ ভাগ মানুহৰ অৱস্থা হয় আগৰ দৰেই আছে নহয় আগতকৈ বেয়া হৈছে। বস্তুৰ দাম বাঢ়িয়েই আছে, কিন্তু খেতি বা উদ্যোগৰ উৎপাদন আশানুৰূপে বঢ়া নাই। বিতৰণ ব্যৱস্থাতো বেমেজালি! এ. জি. পি. চৰকাৰে মাটিৰ আৰু খেতিৰ সমস্যা সমাধানৰ বাবে কিবা স্পষ্ট নীতি লৈছে বুলি ক'ব নোৱাৰি। জাত-ধৰ্ম-প্ৰজাতি নিৰ্বিশেষে দুখীয়া কৃষক আৰু দিন-বনুৱাৰ দাৰিদ্ৰ্যই শোচনীয় ৰূপ ধাৰণ কৰিছে। এই দুখীয়া ডালদৰিদ্ৰ মানুহখিনিক শ্ৰেণী হিচাপে সংগঠিত কৰিবলৈ অতি কম কৰ্মীয়ে চেষ্টা চলাইছে। এই চেষ্টা ফলৱতী হোৱা নাই। ফলত এই মানুহখিনিক জাত, ধৰ্ম আৰু প্ৰজাতিত বিভক্ত কৰি সাম্প্ৰদায়িক ৰাজনৈতিক শক্তিবোৰে ভাগ ভাগ কৰি পেলাইছে। কৃষক আৰু দিন বনুৱাই যে অকল সাম্প্ৰদায়িকতাৰ কবলতে পৰিছে এনে নহয়, নগৰ আৰু গাঁৱলীয়া নিবনুৱাসকলকো সাম্প্ৰদায়িক সন্ত্ৰাসবাদৰ সেনা হ'বলৈ কিছুমান উগ্ৰ শক্তিয়ে ইন্ধন যোগাইছে। অঞ্চলবিশেষে উগ্ৰ বাঁওপন্থী শক্তিবোৰেও নিবনুৱা আৰু আওদৰিদ্ৰ মানুহখিনিক বৈপ্লৱিক হিংসাৰ মন্ত্ৰত দীক্ষিত কৰিছে। সাম্প্ৰদায়িক সন্ত্ৰাসবাদৰ দ্বাৰা অৱশ্যে দুখীয়াসকলৰ আৰ্থিক আৰু মাটিৰ সমস্যা সমাধান কৰিব নোৱাৰি। কাজেই এনে সন্ত্ৰাসবাদী সকলে নিজৰ বিবেকৰ তাড়নাত পৰি এদিন বৈপ্লৱিক হিংসাৰ মন্ত্ৰত দীক্ষিত হ'ব পাৰে। বৈপ্লৱিক হিংসাৰ আন্দোলনৰ ক্ষেত্ৰ তৈয়াৰ কৰা হৈছে ব্যৰ্থ সাম্প্ৰদায়িক শক্তিবোৰৰ সহায়ত। ইতিমধ্যে অসমত গুপ্ত বিদ্ৰোহী দলৰো জন্ম হৈছে। বৰ্তমানৰ সাম্প্ৰদায়িক সন্ত্ৰাসবাদৰ জন্ম হৈছে প্ৰকৃত গণতান্ত্ৰিক আৰু শান্তিপূৰ্ণ সমাধানৰ শক্তিবোৰ নিষ্ক্ৰিয় হৈ পৰা দেখি।

স্বাধীনতাৰ কালছোৱাত অসমত যিবোৰ সমাজবাদী আৰু সমাজবাদ-ভাবাপন্ন শক্তিৰ জন্ম হৈছিল, সেইবোৰে দুখীয়া শ্ৰেণীবোৰক আৰ্থসামাজিক কাৰ্যসূচীৰ ভেটিত একগোট কৰিবলৈ সমৰ্থ নহ'ল। তেওঁলোকে উমৈহতীয়া লক্ষ্যক সাৰোগত কৰি এক হ'ব পাৰিলেহেঁতেন, কিন্তু নহ'ল। উদাহৰণ স্বৰূপে ক'ব পাৰি চল্লিছ-পঞ্চাছৰ দশকত অসমত সক্ৰিয় হৈ উঠা সাম্যবাদী আৰু গণতান্ত্ৰিক সমাজবাদী দল দুটাৰ মিলন নোহোৱাৰ কথা। সাম্যবাদী দলসমূহে ষ্টেলিনবাদৰ ঐতিহ্য আঁকোৰগোঁজ মাৰি ধৰি থাকিল। গণতান্ত্ৰিক সমাজবাদী দলে সমাজবাদ আৰু গণতন্ত্ৰৰ দৃঢ় সম্পৰ্কত বিশ্বাস কৰিছিল। এই দলে ষ্টেলিনৰ ৰাষ্ট্ৰীয় বা দলীয় সন্ত্ৰাসবাদৰ কঠোৰ সমালোচনা কৰিছিল। আজি ৰুছিয়াই এই পন্থা বিসৰ্জন দিছে। সেই সময়ত সাম্যবাদী আৰু গণতান্ত্ৰিক সমাজবাদী এক গোট হ'ব পৰা হ'লে অসমৰ দুখীয়াসকলক প্ৰগতিশীল আদৰ্শৰ ভেটিত একগোট কৰা সহজ হ'লহেঁতেন।

**ছাত্ৰসংস্থাই এতিয়াও আন্দোলনৰ কালৰ অসমীয়া জন সংহতিৰ ভাবতে খামোচ মাৰি ধৰি আছে। কিন্তু পুঁজিবাদী শ্ৰেণীবোৰৰ প্ৰভাৱত অগপৰ নেতাসকলৰ মনত ধন-সংগ্ৰহৰ বা ক্ষমতা সংৰক্ষণৰ যি মোহ উপজিছে, সেই মোহজালে ছাত্ৰসকলৰ একাংশকো পুঁজিবাদী অৰ্থনীতিৰ আৰু সংস্কৃতিৰ গৰাহত পৰিবলৈ বাধ্য কৰিছে।**

আজি সমাজবাদ আৰু সমাজবাদ-ভাবাপন্ন লোকসকল একগোট হ'বৰ সময় আহিছে। হিন্দুক হিন্দুভাৱে, মুছলমানক মুছলমানভাৱে, জনজাতিক জনজাতিভাৱে সংগঠন কৰিলে বিভিন্ন সম্প্ৰদায়ৰ ধনী আৰু ক্ষমতাবান শ্ৰেণীবোৰৰ আৰ্থিক আৰু সাংস্কৃতিক প্ৰসাৰৰ হে সুবিধা হয়। আজি অসমত সেই বাবে সাম্প্ৰদায়িকতাৰ মাধ্যমেদি পুঁজিবাদৰ প্ৰসাৰৰ ক্ষেত্ৰহে প্ৰসাৰিত হৈছে। অসমত বৃটিছৰ দিনত বিদেশী উপনিবেশবাদৰ প্ৰসাৰ ঘটিছিল। স্বাধীনতাৰ পাছত সেই উপনিবেশবাদৰ ঠাইত বৃহৎ দেশীয় পুঁজিবাদৰ সম্প্ৰসাৰণ হ'ল। অসম আন্দোলনত অসমৰ চাকৰিয়াল, ক্ষুদ্ৰ পুঁজিপতি, ক্ষুদ্ৰ বেপাৰী, ধনী খেতিয়ক শ্ৰেণী, কলমজীৱী শ্ৰেণী—এই সকলোবোৰে জাগ্ৰত ছাত্ৰ-শক্তিৰ পতাকাৰ তলত সমবেত হৈ আন্দোলন কৰিছিল। এই শ্ৰেণীবোৰৰ আৰ্থ-সামাজিক অসন্তোষে সেই আন্দোলনৰ ইন্ধন যোগাইছিল; কিন্তু সেই আন্দোলনৰ মুখ্য ধ্বনি আছিল বিদেশী চিনাক্তকৰণ আৰু বহিষ্কাৰ। পুঁজিবাদৰ প্ৰসাৰ ৰোধ কৰাৰ বাবে অস্পষ্ট কিছুমান মনোভাব আন্দোলনৰ কিছু কাৰ্যসূচীত প্ৰকাশ পালেও সমাজবাদৰ সহায়ক কোনো আৰ্থিক, সামাজিক বা সাংগঠনিক কাৰ্যসূচী তাত ফুটি নোলাল। এই অভাৱৰ এটা ঘাই কাৰণ অসমীয়া জাতীয়তাবাদ আৰু সমাজবাদৰ আন্তৰিক যোগাযোগ নঘটাটো। ফলত আন্দোলনে দুখীয়া খেতিয়ক শ্ৰেণী অথবা বনুৱা শ্ৰেণীৰ সংগঠনত বিশেষ মনোযোগ নিদিলে। কিন্তু আনহাতে চাকৰিয়াল, ক্ষুদ্ৰ পুঁজিপতি, ধনী খেতিয়ক আৰু বেপাৰী শ্ৰেণীবোৰৰ স্বাৰ্থৰ প্ৰতি অধিক মনোযোগ দিয়া হ'ল। এই শ্ৰেণীবোৰৰ চেতনাই শেষত অসমীয়া জাতীয় চেতনা গঢ় দিলে। অনা অসমীয়া সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত অসন্তুষ্ট চাকৰিয়াল, ক্ষুদ্ৰ পুঁজিপতি, ধনী খেতিয়ক, আৰু বেপাৰী শ্ৰেণীবোৰেও এই আৰ্হিতে ছাত্ৰ সংগঠন আৰম্ভ কৰিলে। থলুৱা জনজাতি-সকলৰ সংগঠনবোৰেও এই আৰ্হি ললে। ১৯৮৩ চনৰ নিৰ্বাচনকালীন সাম্প্ৰদায়িক সংঘৰ্ষ এই ধৰণৰ মধ্যম বৰ্গীয় শ্ৰেণীবোৰৰ মাজত হোৱা বিচ্ছিন্ন জাতীয় বা প্ৰজাতীয় চেতনাৰ সংঘৰ্ষৰ ফল। সমাজবাদৰ পৰা জাতীয় আৰু প্ৰজাতীয় চেতনা বিচ্ছিন্ন হোৱাৰ বিষম ফল আজিও আমি ভুগিব লগা হৈছে।

অসম আন্দোলন শেষত গৈ দুটা ৰাজনৈতিক ভাগত বিভক্ত হ'ল। এটা হ'ল অগপ আৰু অগপ চৰকাৰ। আৰু ইটো হ'ল ছাত্ৰসংস্থা। দুয়োটা শক্তিৰ মাজত ক্ষমতা লাভৰ দিন ধৰি অন্তৰ্বিৰোধ চলি আহিছে। কিন্তু অগপৰ শাসনকালত এটা শক্তিয়েও সমাজবাদী সংহতিৰ ভেটিত ৰাইজক একগোট কৰাৰ কথা নাভাবিলে। কালক্ৰমত ছাত্ৰশক্তিৰ পৰা চৰকাৰী দল বিচ্ছিন্ন হৈ আহিল। প্ৰচলিত সমাজ, অৰ্থনীতি আৰু ৰাজনীতিত আঁকোৰগোঁজ মাৰি ধৰি থকা বাবে অগপ দলে দুখীয়া শ্ৰেণীবোৰক একগোট কৰাৰ কথাও নাভাবিলে, আৰু অৰ্থনীতিতো সমাজবাদৰ সহায়ক বা পুঁজিবাদৰ প্ৰতিৰোধক কাৰ্যসূচী গ্ৰহণ কৰিবলৈ আগবাঢ়ি নগ'ল। বৰ্তমান অসম চৰকাৰৰ সামাজিক ভেটি ওপৰৰ ক্ষুদ্ৰ পুঁজিপতি আৰু বেপাৰী শ্ৰেণীতে আবদ্ধ আছে। চাকৰিয়াল শ্ৰেণীটো এই চৰকাৰৰ লগত মনে-প্ৰাণে নাই যেন বোধ হয়। কলমজীৱী আৰু ছাত্ৰ শক্তিৰ লগতো এওঁলোকৰ জন্মসূত্ৰ ছিন্ন হৈছে।

এনে এটা সন্ধিক্ষণত অসমীয়া জাতিক নতুন সঞ্জীৱনী মন্ত্ৰ একমাত্ৰ গণতান্ত্ৰিক সমাজবাদেহে দিব পাৰিব। সম্ভৱতঃ বৰ্তমান ৰাজনৈতিক দল আৰু ব্যক্তিৰ ভিতৰত যিবোৰৰ প্ৰকৃতপক্ষে গণতান্ত্ৰিক সমাজবাদত বিশ্বাস আছে, তেওঁলোক একগোট হ'লেহে বৰ্তমান অৱস্থাত আমাৰ ৰাইজে এটা পথ দেখা পাব। কিন্তু এই শক্তি আৰু ব্যক্তিবোৰক একত্ৰিত কোনে কৰিব? নেতাৰ মুখলৈ চাই থকাৰ দিন গ'ল। সচেতন মানুহখিনি আগবাঢ়ি ওলাবৰ হ'ল।

ছাত্ৰসংস্থাই এতিয়াও আন্দোলনৰ কালৰ অসমীয়া জন সংহতিৰ ভাবতে খামোচ মাৰি ধৰি আছে। কিন্তু পুঁজিবাদী শ্ৰেণীবোৰৰ প্ৰভাৱত অগপৰ নেতাসকলৰ মনত ধন-সংগ্ৰহৰ বা ক্ষমতা সংৰক্ষণৰ যি মোহ উপজিছে, সেই মোহজালে ছাত্ৰসকলৰ একাংশকো পুঁজিবাদী অৰ্থনীতিৰ আৰু সংস্কৃতিৰ গৰাহত পৰিবলৈ বাধ্য কৰিছে। ৰাজনৈতিক আৰু সামাজিক সম্পৰ্ক লাহে-লাহে আৰ্থিক সম্পৰ্কলৈ পৰিবৰ্তিত হৈ পৰে। দুনীতি-বিৰোধী আন্দোলন হৈছে ক্ষমতাবান লোকসকলৰ মোহ আৰু লোভ নিয়ন্ত্ৰণৰ আৱশ্যকীয় উপায়। দুৰ্নীতি দমনৰ আন এটা উপায় স্বনিয়ন্ত্ৰণ। কিন্তু এই পথ গ্ৰহণ কৰা নেতা অগপত অতি কম। ছাত্ৰসংস্থাই যদি ধনী শ্ৰেণীবোৰৰ লগত থকা সম্পৰ্কতকৈ দুখীয়া শ্ৰেণীবোৰৰ লগত থকা সম্পৰ্কক অধিক মূল্য দিয়ে, তেন্তে তেওঁলোকে ৰাজনৈতিক দোধোৰ-মোধোৰৰ পৰা উদ্ধাৰ পাব।

ছাত্ৰসংস্থাই জন্ম কালতে অস্পষ্টভাৱে সমাজবাদী কাৰ্যসূচী কিছুমানত বিশেষ আস্থা স্থাপন কৰিছিল। আন্দোলনৰ কালত এইবোৰ তল পৰি থাকিল। এতিয়া তেওঁলোক এটা ৰাজনৈতিক দোধোৰ-মোধোৰত আছে। তেওঁলোকে কি ভাবিছে তাকো নাজানো। কিন্তু সমাজবাদৰ আদৰ্শ গ্ৰহণ কৰাৰ বাহিৰে আন মুক্তিৰ উপায় তেওঁলোকৰ নাই। তেওঁলোকে সুধিব পাৰে কোনটো সমাজবাদ? দুখীয়া শ্ৰেণীবোৰেই কৈ দিব কি সমাজবাদ তেওঁলোকে গ্ৰহণ কৰিব।


লক্ষ্মীনাথ তামুলীৰ

**ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসমৰ অৱদান**

[ সংঘাত আৰু সহযোগিতাৰ ইতিহাস ]

অসম প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰত্যাখিত, অথচ—

● অসমীয়া ভাষাত স্বাধীনতা যুদ্ধৰ প্ৰথম নিৰাসক্ত বিৱৰণ। ... কম কথাতে অথচ সৰসভাৱে জটিল ঘটনাৰাশিৰ বিৱৰণ আৰু ব্যাখ্যা দিব পৰা ক্ষমতা কিতাপখনৰ বৈশিষ্ট্য। স্বাধীনতা যুদ্ধৰ শ্ৰেণীগত ভিত্তিৰ প্ৰতি ই বেছ শক্তিশালীভাৱে আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে।"

—ড. হীৰেণ গোহাঁই, 'নতুন দৈনিক', ১ জানুৱাৰি, ১৯৮৯।

● কিতাপখনৰ ভাষা বেছ উচ্ছাসপূৰ্ণ আৰু উপমাসমৃদ্ধ। কোৱা বাহুল্য, এখন পঠনীয় গ্ৰন্থ। ইতিহাসপ্ৰেমী অসমীয়া পঢ়ুৱৈক নতুন চিন্তাৰ সোৱাদ দিব।"

—ড. শিৱনাথ বৰ্মন, 'বুধবাৰ', ১৩ ছেপ্টেম্বৰ, ১৯৮৯।

● লেখকৰ দৃষ্টিভংগী স্বচ্ছ, ইতিহাসবোধ অ-সাম্প্ৰদায়িক, তথ্য সংগ্ৰহ পৰ্যাপ্ত আৰু বিশ্লেষণ নিৰপেক্ষ। ফলত ৰচনাৰ স্বাদ বহুলাংশে বৃদ্ধি হোৱাৰ উপৰিও অসমৰ ইতিহাস সাহিত্যত ই বিশিষ্ট মৰ্যাদা পোৱাৰ যোগ্যতা অৰ্জন কৰিছে।"

—'দৈনিক অসম', ৩১ জানুৱাৰি, ১৯৮৯।

প্ৰাপ্তিস্থান: **জ্ঞানদীপ**, চফিয়া পাব্লি চাৰ্চ, জু-ৰোড, গুৱাহাটী—২৪

এই কথা ঠিক যে শাক-পাছলিৰ দামৰ ক্ষেত্ৰত ডিব্ৰুগড়ে সৰ্বভাৰতীয় অভিলেখ দাবী কৰিব পাৰিব। দেশৰ যিকোনো ঠাইৰ তুলনাত ইয়াত পাছলিৰ দাম বেছি।

# ডিব্ৰুগড়ত দামৰ মহিমা

## *তেতিয়া আৰু এতিয়া*

**ভুবন বৰুৱা**

ষাঠিৰ দশকৰ শেহৰফালে অসমৰ চাহ আৰু নানাবিধ উদ্যোগৰ কেন্দ্ৰস্থলী ডিব্ৰুগড়ত নতুনকৈ পতা বিশ্ববিদ্যালয়লৈ চাকৰিৰ বাবে আহিবলৈ গুণাগঁথা কৰোঁতে আত্মীয় স্বজন আৰু শুভাকাংক্ষীসকলে কথাটো দুবাৰ ভাবিবলৈ কৈছিল ; কাৰণ— চাহ-বাগিচাৰ মালিক আৰু বহুধনী মানুহৰ চহৰ ডিব্ৰুগড়ত বস্তু-বাহানিৰ জুইছাই দাম, জীৱন নিৰ্বাহৰ সকলো সামগ্ৰীয়েই মহাৰ্ঘ। নামনি অসমৰ ফালে বহুতৰে মনত এতিয়াও এই ধাৰণা চলি আছে যে উজনিৰ উদ্যোগ প্ৰধান যোৰহাট, ডিব্ৰুগড় আদি চহৰ ঘাইকৈ চাহ-বাগিচাৰ মালিকৰে ভৰা, গতিকে তাত বয়বস্তুৰ দাম আন ঠাইতকৈ বেছি। আজিকালি অৱশ্যে এইটো এটা বৰ শুদ্ধ ধাৰণা নহয়, কাৰণ অসমৰ প্ৰায় সকলো চহৰতে নিত্যব্যৱহাৰ্য সামগ্ৰীৰ দাম প্ৰায় একেই হৈ পৰিছে। ষাঠিৰ দশকত অৱশ্যে দামৰ ক্ষেত্ৰত উজনি-নামনিৰ চহৰ কেইখনমানৰ মাজত তফাৎ নথকা নহয়। সি যি কি নহওঁক, ডিব্ৰুগড়লৈ অহাৰ ঠিক পাছতে ইয়াৰ বজাৰৰ বস্তু-বাহানিৰ দামদৰবোৰ দেখি আত্মীয় স্বজন, বন্ধুবান্ধৱে দিয়া উপদেশ বৰ সঠিক যেন নালাগিল। সাধাৰণভাৱে ব্যৱহাৰ কৰা সামগ্ৰীৰ দাম বৰপেটা-গুৱাহাটীৰ তুলনাত পাঁচ শতাংশমান বেছি আছিল যদিও দাম সৰ্বসাধাৰণে চম্ভালিব পৰা বিধৰেই আছিল ; অন্ততঃ এতিয়াৰ দৰে বয়বস্তুৰ দাম আকাশলংঘী হৈ উঠা নাছিল বুলিয়েই অভিজ্ঞতাৰ পৰা দেখিছোঁ। আজিৰ এই আলোচনাত ১৯৬৭-৭০ চনৰ সময়ছোৱাত ডিব্ৰুগড় চহৰৰ বজাৰত কেইপদমান নিত্যব্যৱহাৰ্য সামগ্ৰীৰ দামৰ আলেখলেখ দিব খুজিছোঁ।

সাধাৰণ ব্যৱহাৰ্য বস্তু-বাহানিৰ বিষয়ে ক'বলৈ গ'লে প্ৰথমেই মনলৈ আহে চাউলপাতৰ দামৰ কথা। উল্লিখিত সময়ছোৱাত ডিব্ৰুগড়ৰ বজাৰত মোটা আৰু লাহী চাউলৰ দাম যথাক্ৰমে প্ৰতি কেজিত ১.৫০ টকাৰ পৰা ২.৫০ টকাৰ ভিতৰতে আছিল। বৰ্তমান একে ধৰণৰ চাউলৰ দাম ৪.৫০ টকাৰ পৰা ৬ টকাৰ ভিতৰত। সেইদৰে দাইলৰ ভিতৰত মগু-মচুৰৰ দাম প্ৰতি কেজিত ২.২৫ টকাৰ পৰা ২.৫০ টকাৰ ভিতৰত আছিল। ৰহৰ দাইলৰ চাহিদা অলপ বেছি হোৱা বাবে দামো সামান্য অধিক আছিল। এতিয়া এই প্ৰতিবিধ দাইলৰ দাম গড় হিচাপত প্ৰতি কেজিত প্ৰায় ১২ টকা। ষাঠিৰ দশকৰ শেহত এই দামত এক কেজি ৰৌ মাছ পোৱা গৈছিল বুলি ক'লে বহুতে অবিশ্বাস কৰিব। প্ৰতিটো পৰিয়ালক সদায় প্ৰয়োজন হোৱা আলু-পিয়াঁজৰ দাম ডিব্ৰুগড়ৰ বজাৰত ১৯৬৭-৭০ চনত যথাক্ৰমে আছিল ৭৫ পইচাৰ পৰা এটকা আৰু ৬৫ পইচাৰ পৰা ডেৰ টকাৰ ভিতৰত। যোৱা কেইবছৰ মানত দুয়োবিধ সামগ্ৰীৰ মূল্য কেনেদৰে উৰ্ধগামী হৈছে তাৰ উল্লেখ নিষ্প্ৰয়োজন। অসমীয়া মানুহৰ মাজত ভাতৰ সলনি ৰুটি খোৱাৰ অভ্যাসৰ বৰ বেছি প্ৰচলন নাছিল আৰু আটা-ময়দাৰ দাম চাউলৰ তুলনাত যথেষ্ট কম আছিল। ডিব্ৰুগড় চহৰত ষাঠিৰ দশকৰ শেহৰ ফালে চাউলৰ নাটনিয়ে দেখা দিয়াত যি খাদ্য আন্দোলন হৈছিল তাৰ পাছৰ পৰাই বহুতো পৰিয়ালে অন্ততঃ এবেলা হ'লেও ৰুটি খোৱাৰ অভ্যাস কৰিছিল। অসমৰ আন চহৰৰ নিচিনাকৈ ডিব্ৰুগড়তো আটা-ময়দাৰ দাম ক্ৰমান্বয়ে বাঢ়িবলৈ ধৰিলে। পৰ্যালোচনা কৰিলে দেখা যায় যে খাদ্য-সামগ্ৰীৰ ক্ষেত্ৰত ঘাই ঠাই দখল কৰা প্ৰতিবিধ সামগ্ৰীৰে দাম সত্তৰৰ দশকৰ পৰা দোপতদোপে বাঢ়িবলৈ লয় আৰু এতিয়া সেই দামে আকাশলংঘীৰূপ লৈছে।

ডিব্ৰুগড় চহৰত অভিলেখসূচকভাৱে মূল্য বৃদ্ধি হোৱা আন এবিধ উল্লেখযোগ্য খাদ্যসামগ্ৰী হ'ল মিঠাতেল। ১৯৬৫ চনত মিঠাতেলৰ দাম লিটাৰে প্ৰতি চাৰি টকাৰ ভিতৰতে আছিল যদিও দশকটোৰ শেহৰ ফালে এই দাম ছটকালৈ বৃদ্ধি পোৱাত গ্ৰাহকসকলৰ মনত অসন্তুষ্টিৰ ভাব দেখা দিছিল। পাছৰ কালত, বিশেষকৈ বৰ্তমান দশকত মিঠাতেলৰ দাম লিটাৰে ২৬-২৭ টকালৈ বঢ়াতো অসন্তুষ্টি সমানে তীব্ৰ নাছিল যেন লাগে। তাৰ হয়তো পোনপটীয়া অৰ্থ এইটোৱেই যে মানুহৰ ক্ৰয় ক্ষমতা যথেষ্ট বাঢ়িছে। ৰুটি খোৱাৰ অভ্যাসৰ লগে-লগে ডিব্ৰুগড় বজাৰত ডালডা জাতীয় বনস্পতিৰ চাহিদা বাঢ়িবলৈ ধৰে। সেই সময়ত বনস্পতিৰ ১৬ কিল'গ্ৰামৰ টিনটোৰ দাম আছিল ৯০ টকা, সেই দামত এতিয়া মাথোন তিনি কেজি-চাৰে তিনি কেজিহে পোৱা যাব।

ডিব্ৰুগড়ত শাক-পাচলিৰ দাম অসমৰ আন ঠাইৰ তুলনাত আগৰে পৰাই বেছি। পঞ্চাছৰ দশকত ডিব্ৰুগড়ৰ মেডিকেল কলেজলৈ ৰোগ দেখুৱাবলৈ অহা মামা এজনে ইয়াৰ মানুহে লাও, ৰঙা লাও কিনি খোৱা দেখি বিস্ময়াভিভূত হৈ সেই গল্প আমাক কোৱাহি মনত পৰে। ডিব্ৰুগড়ত শাক-পাচলিৰ দাম বেছি হোৱাৰ কাৰণো নথকা নহয়। কাৰণ ইয়ালৈ প্ৰায় সকলো বিধৰ শাক-পাচলি বাহিৰৰ পৰা আহে ; স্থানীয় উৎপাদন চাহিদাৰ তুলনাত সামান্য। এতিয়া অসম বন্ধৰ দিনবোৰৰ সময়ত বজাৰখন কিমান বাহিৰৰ ওপৰত নিৰ্ভৰশীল সেইটো বুজিব পাৰি। তথাপি ষাঠিৰ দশকৰ শেহৰ ফালে বতৰৰ পাছলিবোৰৰ কোনো বিধৰে দাম দুটকাৰ বেছি আছিল বুলি মনত নপৰে। ডিব্ৰুগড় বজাৰৰ দামী পাছলি আছিল গাজৰ, বিলাহী আদিৰ দৰে পাছলি। ১৯৬৯ চনত কেজিত এটকা নে ডেৰটকা দৰত বিলাহী বেঙেনা কিনা দেখি নলবাৰীৰ ফালৰ বনকৰা ল'ৰা সুৰেন্দ্ৰই পৰম বিস্ময়েৰে কৈছিল ; "অ' মোৰ বাপ্পাৰে, ইয়াত বিলাহীৰ দাম ইম্মান ? আমি বৰমা বজাৰত বিলাহী বেচবা নপ্পি ভাৰক-ভাৰে পাগলাদিয়াৰ পানীত ফেলে দেউ।" এতিয়া অৱশ্যে ডিব্ৰুগড়ত কেজিত বিছ-পঁচিছ টকা দৰত বিলাহী, ওঠৰ-বিছ টকা দৰত ভাতকেৰেলা, পোন্ধৰ টকা দৰত লাই শাক কিনি খোৱা লোক বহুতো আছে। বহুতেই দাম দেখি অৰ্থহীন বিলাপ কৰে ; বজাৰত বিনা প্ৰতিবাদে অধিক মূল্যত শাক-পাছলি কিনে। আন এচামে তাকে দেখি অসহায়ৰ হুমুনিয়াহ কঢ়াও দেখিছোঁ। আজিকালি প্ৰায়বোৰ পাছলিৰে সৰ্বনিম্ন দাম কেজিত আঠ টকা। আনকি অমিতা আৰু ৰঙা লাও চাৰি-পাঁচটকীয়া পাছলিলৈ উন্নীত হৈছে। সন্দেহ নাই যে এচাম লোকৰ হাতত যথেষ্ট পৰিমাণে পইচা থকা বাবেই বজাৰৰ বেপাৰীয়ে খুচীমতে দাম লব পাৰিছে। কিন্তু প্ৰশ্ন হ'ল, সৰ্বসাধাৰণ লোকৰ ১৫-২০ টকীয়া পাছলি কিনি খোৱা সামৰ্থ আছেনে ? এই কথা ঠিক যে শাক-পাছলিৰ দামৰ ক্ষেত্ৰত ডিব্ৰুগড়ে সৰ্বভাৰতীয় অভিলেখ দাবী কৰিব পাৰিব। দেশৰ যিকোনো ঠাইৰ তুলনাত ইয়াত পাছলিৰ দাম বেছি।

এইবাৰ আহিছোঁ মাছ-মঙহৰ বজাৰলৈ। আমি ডিব্ৰুগড়লৈ প্ৰথমে অহাৰ সময়ত ইয়াত (শাৰংগধৰ ৰাজখোৱাই এবাৰ প্ৰান্তিকতে লিখাৰ দৰে) ৰৌ মাছৰ দাম কেজিত ৩ টকা, নাৰ-বাত-পাভৰ দাম ২ টকাৰ ভিতৰত নাছিল সঁচা, কিন্তু সকলো বিধ মাছৰ দাম সৰ্বসাধাৰণ লোকৰ সামৰ্থৰ ভিতৰতে আছিল বুলি ভাবোঁ। ১৯৬৭-৬৮ চনত সকলো প্ৰকাৰৰ মাছৰ দাম কেজিত তিনি টকাৰ পৰা ৮-১০ টকাৰ ভিতৰতে আছিল। সেই সময়ত ৰৌ মাছৰ দাম কেজিত দহ-বাৰ টকালৈ উঠাত ৰাইজৰ মাজত আপত্তিৰ গুণগুণনি উঠিছিল। খৰালি কালত ডিব্ৰুগড়ৰ মাছৰ বজাৰ ভৰি পৰিছিল বিবিধ মাছেৰে। সেই সময়ত কেজিত তিনিটকা দৰত শিলঘৰীয়া মাছ আৰু পঞ্চাছ পইচা-পয়সত্তৰ পইচা দৰত কুঢ়িমাছ কিনাৰ কথাটো এতিয়া ভাবিলে অবিশ্বাস্য যেন লাগে। অলপতে মাছৰ বজাৰত বেপাৰীটোৱে বৰিয়লা মাছৰ কেজিত সত্তৰ টকা বুলি কওঁতে তাৰ মুখলৈ অবাক বিস্ময়েৰে চাইছিলো। মনতে ভাবিছিলো কি সাহসেৰে তেওঁ এনে এটা দাম কৈ দিলে ? আজিকালি ডিব্ৰুগড়ৰ বজাৰত সকলো বতৰতে ৰৌ-বাহুৰ দাম কেজিত আশীৰ পৰা এশ টকাৰ ভিতৰত চলি থাকে। অৱশ্যে তাৰ বাবে গ্ৰাহকৰো অভাৱ নাই। সাধাৰণ লোকে দামৰ কথা শুনি থতমত খাই তাকেই মনতে পাগুলি থাকোঁতে সামৰ্থবানসকলে চিলাই থপিওৱাদি ডেৰ-দুই কেজি মাছ কিনি নিয়ে। এবাৰ এজন মাছবেপাৰীৰ পোহাৰৰ সন্মুখত দেখা এটা দৃশ্য মনত পৰিছে ; দামী পোছাক পৰিহিত ভদ্ৰলোক এজনে ৮০ টকীয়া ৰৌমাছ দুই কেজি জুখি বেগটোত ভৰাই দিবলৈ কোৱাৰ সময়ত মাছ চাই বিমৰিষভাৱে ৰৈ থকা সাধাৰণ লোক এজনে পৰম আক্ষেপৰে কৈছিল, ব্লেক মানি থকাবোৰেহে ইমান দামত মাছ কিনি খাব পাৰে।" কথাষাৰে ভদ্ৰলোকজনৰ মনত শেলে বিন্ধা দি বিন্ধিছিল বোধকৰোঁ ; কাৰণ বেপাৰীৰ হাতত মোনাটো এৰি তেওঁ সাউতকৰে আঁতৰি গৈছিল।

**তালিকা ১**

**অসমৰ তিনিখন চহৰৰ গ্ৰাহক মূল্যসূচী**

**(ভিত্তি বছৰ ১৯৪৯=১০০)**

(বাৰ্ষিক গড়)

| বছৰ | গুৱাহাটী | শিলচৰ | তিনিচুকীয়া | অসম |
|---|---|---|---|---|
| ১৯৬৮ | ২২০ | ২২৮ | ২৫৫ | ২৩৯ |
| ১৯৬৯ | ১৯৫ | ২১৩ | ২২৮ | ২১৩ |
| ১৯৭০ | ২১৬ | ২৩১ | ২৪০ | ২৩০ |
| ১৯৭৫ | ৩৪৯ | ৩৮৭ | ৪১৫ | ৩৮৬ |
| ১৯৭৭ | ৩৪৩ | ৩৭৫ | ৩৮৫ | ৩৬৭ |

**তালিকা ২**

**১৯৬৭ চনত অসমৰ বিভিন্ন বজাৰত কেইবিধমান সামগ্ৰীৰ খুচুৰা মূল্য**

কেজি /লিটাৰত

| | |
|---|---|
| চাউল মোটাবিধৰ | ১.৪৪—১.৭৫ (টকা) |
| মচুৰ দাইল | ২.৫০—২.৭৫ |
| গাখীৰ | ১.২৫—১.৫০ |
| কেৰাছিন তেল | ০.৫০—০.৬২ |
| মিঠাতেল | ৫.৫০—৫.৬০ |
| চেনি | ১.৫৮—১:৬২ |
| আলুগুটি | ০.৭৫—১.০০ |
| মাছ | ৪.০০—১২.০০ |
| মাংস | ৫.৫০—৭.০০ |

ডিব্ৰুগড় চহৰত ষাঠিৰ দশকৰ শেহভাগত মাংসৰ দাম প্ৰতি কেজিত সম্ভৱ ৭-৮ টকাৰ ভিতৰতে আছিল আৰু সত্তৰৰ দশকৰ আৰম্ভণিত এই দাম দহ-বাৰ টকালৈ উঠাত বহুতৰে মনত প্ৰতিক্ৰিয়া হৈছিল। আজিকালি ৪০-৪৫ টকা দৰত ছাগলী মাংস নিৰ্বিকাৰভাৱে কিনিবলৈ বহুতো গ্ৰাহক আছে। পানীত তিয়াই খোৱা মাংস বিক্ৰি কৰাৰ অভ্যাস আগেয়ে ডিব্ৰুগড় বজাৰত দেখা নাছিলো ; এতিয়া ই অভ্যাসত পৰিণত হৈছে ; তাত আপত্তি কৰোঁতাও কোনো নাই। এতিয়া ভাবিলে আচৰিত হ'ব লাগে যে ডিব্ৰুগড়লৈ অহাৰ কেইবাবছৰো পাছলৈকে দুটকা পঁচিছ পইচাৰ পৰা তিনি টকাৰ ভিতৰত কিনা মুৰগীটোৰ দাম এতিয়া দহগুণ বাঢ়ি পঁচিছ-ত্ৰিছ টকা হ'ল। সেই সময়ত যাৰ পৰা মুৰগী কিনিছিলো তেওঁ এতিয়াও বজাৰতে আছে ; তেওঁৰ ল'ৰাহঁতৰ পৰা কিনা মুৰগীটো দেখুৱাই মাজে-সময়ে পুৰণি দিনৰ কথা সোঁৱৰোঁ।

চাহ-বাগিচাৰে ঘেৰা ডিব্ৰুগড়ত তেতিয়া চাহপাতৰ দাম কেজিত সাত-আঠ টকাৰ ভিতৰতে আছিল ; এতিয়া এই দাম ৩৬-অৰ পৰা ৪০ টকাৰ ভিতৰত। চাহ কাপৰ অইন এক উপাদান চেনিৰ কেজি সেই সময়ত ১.৭৫ টকাৰ পৰা দুটকাৰ ভিতৰতে আছিল ; সত্তৰৰ দশকৰ পৰাহে চেনিৰ দাম উৰ্ধগামী হ'বলৈ ধৰে। ডিব্ৰুগড়ৰ সমীপৱৰ্তী চৰ-চাপৰি অঞ্চলবোৰত গৰু-ম'হৰ খুটি থাকিলেও চহৰখনত ভাল গাখীৰ এতিয়া দুষ্প্ৰাপ্য। অনা অসমীয়া গাখীৰৰ বেপাৰীৰ লগত বজাৰৰ মিঠাই দোকানৰ সম্পৰ্ক ঘনিষ্ঠ। গাখীৰ খাবলৈ টান হ'লেও উল্লিখিত কালছোৱাত প্ৰতি লিটাৰৰ দাম ডেৰ টকাৰ বেছি হোৱাৰ কথা মনত নপৰে। এতিয়া লিটাৰত সাত-আঠটকা দিলেও ভাল গাখীৰ পোৱাৰ আশা কৰিব নোৱাৰি।

অন্য এবিধ নিত্যব্যৱহাৰ্য সামগ্ৰী কেৰাছিনৰ মূল্য প্ৰতি লিটাৰত ৫০-৬০

OKDISCD

পইচাৰ ভিতৰতে আছিল। সত্তৰৰ দশকৰ আগভাগত চহৰখনত ৰন্ধন গেছৰ প্ৰচলন হোৱাত তাৰ বাবে মুঠ ব্যয় হৈছিল ৩৭৫ টকা,—ছিকিউৰিটি ডিপ'জিট ধৰি। গেছৰ ঢোলটোৰ দাম আছিল ২০ টকাৰ ভিতৰতে। তদুপৰি যথেষ্ট সস্তাতে পোৱা গৈছিল কাঠ খৰি; মোনে তিনি-চাৰি টকা দামত। গতিকে ডিব্রুগড়ত ৰন্ধা-বঢ়াৰ বাবে প্ৰজ্বালকৰ সমস্যা হোৱা দেখা নাছিলো। এতিয়া কেৰাছিন, পেট্ৰোলজাত সামগ্ৰীৰ উৎপাদন বঢ়াৰ সময়ত গেছ আৰু কেৰাছিনৰ বাবে শাৰী পতাটো নিয়মিত অভ্যাসত পৰিণত হৈছে। কেৰাছিনৰ দাম মাজে-মাজে চোৰাং বজাৰত লিটাৰত চাৰি-পাঁচ টকা হোৱাৰ কথাও শুনো।

তালিকা ৩

কেইবিধমান নিৰ্বাচিত সামগ্ৰীৰ পাইকাৰী মূল্য (টকাৰ হিচাপত)

(কুইণ্টল/১০০ লিটাৰত)

| | ১৯৬৭ | ১৯৭৭ |
|---|---|---|
| চাউল (মিহি) | ১৭৩.৭৮ | ২২৮.৮৭ |
| চাউল (মোটা) | ১৪৭.৫৯ | ১৬৫.১৮ |
| মচুৰ দাইল | ২০৫.৪১ | ৪২১.৫৯ |
| ঘেঁহু | ৬১.৪৪ | ১৪১.৭৫ |
| আলু | ১১৭.৬৬ | ১৮২.৪৯ |
| পিয়াঁজ | ৬২.৪৮ | ১৬০.৯৬ |
| মিঠাতেল | ৪৯০.৭৬ | ১০১০.৬৫ |
| গাখীৰ (গৰুৰ) | ১১০.০০ | ১৯২.০০ |
| চাহপাত | ৬৬১.০০ | ১৬০০.০০ |
| চেনি | ১৫৬.০০ | ৪২৬.৬৯ |
| নিমখ (প্ৰতিবেগত) | ১৭.৫০ | |

ডিব্রুগড় চহৰলৈ প্ৰায় সকলো ফলমূলেই সাধাৰণতে বাহিৰৰ পৰা আহে আৰু এইবোৰৰ দাম ৰাজ্যৰ আন ঠাইতকৈ স্বাভাৱিকতে বেছি। ডিব্রুগড়-তিনিচুকীয়াৰ মাজত ফলমূলৰ দামৰ পাৰ্থক্য মন কৰিব লগীয়া। তথাপি ষাঠিৰ দশকত ডিব্রুগড় বজাৰত আমৰ দাম কেজিত ১.৫০ টকাৰ পৰা ২.৫০ টকাৰ ভিতৰতে আছিল। অৱশ্যে পাটি হিচাপত দহ টকা মানতে ফজলী আমৰ "টুকৰি" একোটা পোৱা গৈছিল। সেইদৰে আপেলৰ দাম বতৰৰ আৰম্ভণিতে কেজিত তিনি-চাৰি টকা হ'লেও পাছলৈ দাম কমিছিল। ডিব্রুগড়ৰ বজাৰত যথেষ্ট পৰিমাণে ফলমূল ওলোৱাটো বিশেষভাৱে উল্লেখনীয়।

অসমৰ আন বহুতো ঠাইৰ নিচিনাকৈ ডিব্রুগড়তো যি দুটা সামগ্ৰীৰ দাম অতিপাতভাৱে বৃদ্ধি পাইছে সেই দুটা হ'ল মাটি আৰু ঘৰ-সজা সামগ্ৰী। সত্তৰৰ দশকৰ আগভাগত বন্ধু এজনে চল্লিছ হাজাৰ টকা খৰচ কৰি ঘৰ সজা দেখি আমি বিস্ময়াভিভূত হৈছিলো; এতিয়া সেইঘৰৰ বজাৰ দৰ চাৰি লাখৰো ওপৰ। ১৯৬৭-৬৮ চনত চহৰৰ মিলন নগৰ অঞ্চলত কঠাত চাৰি পাঁচ হাজাৰ টকা দৰত অনায়াসে মাটি পোৱা গৈছিল; এতিয়া একে পৰিমাণৰ মাটিৰ দাম লাখ টকা, তাকো পাবলৈ নাইকিয়া। ঘৰ-সজা সামগ্ৰী আচবাব-পত্ৰৰ দামো উৰ্ধ্বগামী। তেতিয়াৰ ছিমেণ্টৰ ১৩ টকীয়া বস্তাটোৰ দাম এতিয়া এশ টকাৰ ওচৰা-উচৰি। এহেজাৰ ইটাৰ দাম আছিল ১৬৫ টকা, এতিয়া সাত-আঠ শ। লোহা-লক্কৰৰ দামো চাৰি পাঁচগুণ বাঢ়িল। ডিব্রুগড়ৰ পুৰণি বাসিন্দাসকলৰ ঘৰ-দুৱাৰ প্ৰায় একেদৰেই আছে। মিলন নগৰৰ দৰে অঞ্চলতহে কিছু সংখ্যক নতুন আধুনিক ডিজাইনৰ ঘৰ-দুৱাৰ সজা হৈছে। চহৰৰ পুৰণি বাসিন্দাৰ অৰ্থনৈতিক অৱস্থাৰ বিশেষ পৰিবৰ্তন হোৱা যেন নালাগে।

মন কৰিব লগীয়া যে ষাঠিৰ দশকৰ শেষলৈকে মূল্যবৃদ্ধি হৈছিল সামান্য গতিত; কেজিত ৫-অৰ পৰা ২৫ পইচা হাৰত। আজিকালি মূল্য বৃদ্ধি হয় বৰ বেছি হাৰত। তদুপৰি দাম যিটো হাৰত বাঢ়ে, তাৰ তুলনাত হ্ৰাস পোৱাৰ হাৰ অতি নগণ্য। বৰ্ধিত দামো এসময়ত হৈ পৰে বজাৰৰ স্বাভাৱিক দাম। মনত পৰিল, সত্তৰৰ দশকৰ আৰম্ভণিতে মিঠাতেলৰ দাম দুগুণ হৈছিল; পাছত সৰিয়হ ওলোৱাৰ বতৰত দাম যেতিয়া কমিল, সেই হ্ৰাসৰ পৰিমাণ বৃদ্ধিৰ দহ শতাংশও নহ'ল। কাৰ্যতঃ দুগুণ হোৱা দামেই বজাৰত চলি গ'ল। পাছৰ কালত দাম বঢ়াৰ সেইটোৱেই ধৰা-বন্ধা নিয়মৰ দৰে হৈ পৰিল।

যিসকল চৰকাৰী চাকৰিয়ালৰ মূল্যবৃদ্ধিৰ প্ৰভাৱ নাইকিয়া (neutralize) কৰিবলৈ মৰগীয়া বানচ পোৱাৰ সুবিধা আছে; বস্তু-বাহানিৰ দাম বাঢ়িলেও তেওঁলোক বিশেষ অসুবিধাত নপৰে। কিন্তু যিসকলৰ এনে সুবিধা নাই, তেওঁলোকৰ উপায় কি? ডিব্রুগড়ৰ দৰে চহৰৰ এচাম লোকৰ হাতত যথেষ্ট পৰিমাণে ক'লাধন আছে; তাৰেই প্ৰভাৱত বজাৰখনো নিয়ন্ত্ৰণহীন। বজাৰৰ দোকানী-পোহাৰীবোৰ বেপৰোৱা। ইয়াত মূল্য নিয়ন্ত্ৰণৰ কোনো চৰকাৰী ব্যৱস্থা নাই।

ডিব্রুগড়ৰ বজাৰত এতিয়াৰে পৰা দুই দশকৰো আগেয়ে চলি থকা দাম সম্পৰ্কে এইখিনি থূলমূল আভাস দিয়াৰ উদ্দেশ্য হৈছে ই ডিব্রুগড়ত কি হাৰত মূল্যবৃদ্ধি হৈছে তাক বুজাত নিশ্চয় সহায় কৰিব। বৰ্তমান অৱশ্যে বস্তু-বাহানিৰ দামৰ ক্ষেত্ৰত কেৱল ডিব্রুগড়ৰে এই অৱস্থা নহয়, অসমৰ আন চহৰৰো একেই অৱস্থা। গাঁও-ভূঁইত থকা সকলৰ দুৰৱস্থা অবৰ্ণনীয়। মূল্যবৃদ্ধি এটা সৰ্বভাৰতীয় সমস্যা সঁচা; পিছে অসমত ইয়াৰ ৰূপ ভিন্ন ধৰণৰ। চৰকাৰী হিচাপ মতেই দেশৰ আন ৰাজ্যৰ তুলনাত অসমত সকলো সামগ্ৰীৰ মূল্যৰ পৰিমাণ ২০ শতাংশ বেছি। অৰ্থাৎ জীৱন ধাৰণৰ নিম্নতম সুখ-সুবিধা ভোগ কৰিবলৈ অসমৰ জনসাধাৰণে সাধাৰণভাৱে আন ৰাজ্যৰ লোকতকৈ কুৰি শতাংশ বেছি ব্যয় কৰিব লাগে। আজিকালি নেতা-মন্ত্ৰীসকলে সৰ্বক্ষণে দেশ আৰু ৰাজ্যৰ বিভিন্ন উৎপাদন বঢ়াৰ ফিৰিস্তি গায়, কিন্তু বস্তু-বাহানিৰ দাম কমোৱাৰ দাবী কোনোবাই কৰা শুনিছেনে? এইদৰে চলিবলৈ হ'লে অসমত একবিংশ শতিকাৰ আৰম্ভণিত মাহেকত দহ হাজাৰ টকা উপাৰ্জন কৰোঁতাসকলেহে দুবেলা দুমুঠি খাই থাকিব পাৰিব বুলি ভাব হয়।

তালিকাকেইখনৰ উৎস:
Statistical Abstract of Assam, 1978






# চৈখোৱাত বানপানী ঃ এক বিচিত্র অভিজ্ঞতা

**জীৱন চেতিয়া**

১৯৬৮ চনৰ কথা। আষাৰ মাহ। চাৰি দিনমান ধাৰেসাৰে বৰষুণ পৰি থকা অৱস্থাতে এদিন আবেলি পৰত কাকপথাৰৰ পৰা চৈখোৱালৈ বুলি ৰাওনা হ'লো। লগত পশু-চিকিৎসক ড. পবিত্র বৰগোহাঁই। ধলা পাই দেখোঁ ব্রহ্মপুত্রৰ দক্ষিণপাৰে থকা গুইজান-নামচাই মঠাউৰিটোৰ ওপৰেৰে চৈখোৱা চাহ-বাগিচাৰ ওচৰত ব্রহ্মপুত্ৰৰ পানী অলপ-অলপকৈ বাগৰিব লাগিছে। অৱস্থা দেখিয়েই গাৰ নোম শিয়ৰি উঠিল। সেই ঠাইত মঠাউৰি ছিগি গলে এই পাৰে থকা চৈখোৱা, তালাপ, খোবাং আদি চাহ-বাগিচাৰ লগতে ধলা-গোহাঁই গাঁও, ডাঙৰি চিৰিং, দেউৰী গাঁও, মেগেলা, কচুডুবি, সাপমাৰী, আজোখা, কাঁইটীয়া, বেহেকা, কৈলাশপুৰ আদি গাঁওবোৰো পানীয়ে ধুই নিব। ধলাত থকা বান নিয়ন্ত্রণ বিভাগৰ ইঞ্জিনিয়াৰজনক লগ ধৰি ক'লো,—"অতি শীঘ্রেই মঠাউৰিৰ ওপৰেদি পানী বাগৰা বন্ধ নকৰিলে সৰ্বনাশ হ'ব।" মোৰ কথাত তেওঁ ক'লে,—"কি কৰিব হেৰি! ইয়াত লেবাৰ পোৱাই টান। এনেয়ে মাটি দিলেই নহ'ব। বস্তাত ভৰাই-ভৰাই জাপি দিব লাগিব। কিন্তু ইয়াত বস্তা কঢ়িওৱা মানুহ পাব ক'ত?"

লক্ষ্য কৰিছিলো মানুহজনৰ মনত কোনো উদ্বিগ্নতা নাই। ক'লো,—"কিয়? ওচৰৰ ৰাইজৰ ওচৰ চাপি সহযোগ বিচাৰিলে এই নিশ্চিত বিপদৰ পৰা হাত সাৰিবলৈ তেওঁলোক নিশ্চয় আগবাঢ়ি আহিব।" আৰু ক'লো—"ৰ'ব মই এতিয়াই মৌজাদাৰৰ তালৈ গৈ ৰাইজ গোটাই দিয়াৰ ব্যৱস্থা এটা কৰোঁগৈ।"

আগবাঢ়ি যাব খোজোঁতেই ইঞ্জিনিয়াৰ চাহাবে আমাক তাচ্ছিল্যৰ সুৰত স্পষ্টকৈ কৈ দিলে,—"এইবোৰ আমাৰ বিভাগীয় কাম। তাত আপোনাৰ হস্তক্ষেপ আনকলড ফৰ (uncalled for)। এইবোৰ টেকনিকেল কামত আমাৰ বি. ডি. অ'ৰ এডভাইছৰ দৰকাৰ নাই। আপুনি যাওক।"

তৰ্ক নকৰিলো। সেইটো তৰ্ক কৰাৰ সময় নাছিল। লৰালৰিকৈ তেওঁৰ অফিছ এৰি আমি চৈখোৱাৰ মৌজাদাৰৰ ঘৰৰ ফালে খোজ ললো। প্ৰাক্তন মৌজাদাৰ স্বনামধন্য ৰায়বাহাদুৰ দৌলত বুঢ়াগোহাঁই ডাঙৰীয়া (পুৰণি সদিয়াখোৱা গোহাঁইৰ বংশধৰ) তেতিয়া জীৱিত আছিল। বয়স ৯৫



নাৱত চাউল, চিৰা লৈ কৈলাশপুৰ অভিমুখী স্বেচ্ছাসেৱী দলটো।

বছৰ। সেই বয়সতো তেখেত নিখুঁত স্বাস্থ্যৰ অধিকাৰী আছিল। এক আছুতীয়া মুকলি ঘৰত চাকুলী পীৰাত বহি তেখেতে ৰূপৰ হোঁকাত ধপাত হুপি আছিল। তেখেতে আমাক তালৈকে মাতি পঠালে। তেখেতৰ ওচৰতে বহি লৈ মঠাউৰিৰ ওপৰেৰে পানী বাগৰা আৰু ইঞ্জিনিয়াৰ চাহাবৰ লগত হোৱা আমাৰ কথোপকথনখিনি বিবৰি কওঁতে বৃদ্ধই টলবলাই থকা চকুযুৰি ওপৰলৈ তুলি খণ্ডেৰে কৈ পেলালে,—"তেওঁৰ গুদামত চাগে বস্তা নায়েই। এনেয়েহে বস্তা কিনা দেখুৱাই টকা মাৰি আছে।" এনেতে বৰপুত্ৰ মৌজাদাৰ নৰেন বুঢ়াগোহাঁয়ে আমাৰ ওচৰ পাই ক'লে,—"আমাৰ ৰাইজৰ মাজত মঠাউৰিৰ ওপৰেদি পানী বাগৰা বন্ধ কৰাৰ বাবে আলোচনা হৈছেই। লেম-চাকি জ্বলাই হ'লেও আজি ৰাতিটো ৰাইজে মঠাউৰিত পহৰা দিব আৰু য'ত-য'ত মাটি দিব লাগে দি থাকিব। ৰাতি হৈ আহিছে। তাতে ধুমুহা-বৰষুণ। আপুনি যাওকগৈ।"

সুন্দৰকৈ চাহ-জলপান খাই লৈ সন্ধিয়া সাতমান বজাত আমি তেখেতসকলৰ পৰা বিদায় লৈ কাকপথাৰমুৱা হ'লোহঁক। ছাট-ছাট বিজুলী-ঢেৰেকনি আৰু বৰষুণৰ মাজেৰে আমাৰ জীপ গাড়ী আগ বাঢ়িল। ৰূপাই ছাইডিং পাওঁ-পাওঁ হওঁতেই চৈখোৱাৰ ফালৰ পৰা তীব্র গতিত অহা এখন এম্বেছেডৰ গাড়ীয়ে আমাক অতিক্ৰম কৰি গুচি গ'ল। তাকে দেখি ড. গোহাঁয়ে ক'লে "সেইটি ইঞ্জিনিয়াৰ...। পলাইছে।"

ৰাতি প্ৰায় আঠমান বজাত অলপ তিতি-বুৰি ঘৰ সোমালো। খাই-বৈ বিছনাত পৰিলো হয়, কিন্তু বহু পৰলৈকে টোপনি অহা নাছিল। পুৱতি নিশা দুৱাৰত টোকৰ পৰিল। শ্ৰীমতীয়ে সাৰ পাই মোক জগাই দিলে। কমাই খোৱা লেমৰ ফিটা বঢ়াই দিওঁতেই বাহিৰৰ পৰা একেলগে কেইবাজনেও চিঞৰি কোৱা শুনিলো,—"ছাৰ উঠক। আমাৰ সকলো শেষ। আমি ধলাৰ পৰা আহিছোঁ।"

বাহিৰ ওলাই দেখোঁ—মেগেলাৰ শিৱ সোণোৱালৰ সৈতে চাৰিজন মানুহ ছাইকেলেৰে তিতি-বুৰি ওলাইছেহি। তেওঁলোকৰ পৰা যি গম পালো—আমাৰ অনুমানত একো ভুল নাছিল। চৈখোৱা চাহ বাগিচাৰ পাতঘৰটো পানীৰ কোবাল সোঁতত উঠি গৈছে আৰু দেউৰী গাঁও ডাঙৰী-চিৰিং, আজোখা আৰু কচুডুবি গাঁৱৰ বহুতো ঘৰ-বাৰীৰ লগতে পোহনীয়া জীৱ-জন্তু উটি-ভাঁহি কিমান দূৰ গ'লগৈ কোৱাই টান। মানুহখিনিক উদ্ধাৰ কৰি অনাৰ ব্যৱস্থা কৰিব লাগে।

লগে-লগে ড্ৰাইভাৰ মইনা গগৈক জীপখন উলিয়াবলৈ কৈ সম্প্ৰসাৰণ বিষয়া ড. পবিত্র বৰগোহাঁই, নিৰেন খাকলাৰী (কৃষি) আৰু মহানন্দ চুতীয়াক (সামাজিক শিক্ষা) মতাই অনালো। ফিকাচাহ একোবাতি খাই লৈ মানুহ কেইজনক নিজৰ গাঁৱলৈ ঘূৰি যাবলৈ কৈ ডুমডুমা অভিমুখে ৰাওনা হলোহঁক। বৰষুণৰ প্ৰকোপ কমাই নাছিল।

ডুমডুমা পাওঁতে ভালদৰেই ৰাতি পুৱাল। পোনে-পোনেই থানাৰ অ. ছি. চৈফুদ্দিন আহমেদ ডাঙৰীয়াক তেখেতৰ চৰকাৰী বাসভৱনতে লগ ধৰি ঘটনাৰ সবিশেষ ক'লোগৈ। তেখেতে ক'লে,—"আপুনি ধলালৈ যোৱাৰ কথা মই ৰাতিয়েই গম পালো। তাত এতিয়া বান নিয়ন্ত্ৰণ বিভাগৰ বিষয়া-কৰ্মচাৰী এজনো নাই। চব পলাল। ডুমডুমা নৈত মাঝিনাও পাঁচখন আছে। চৰু, কলহবোৰ পাৰত নমাই থৈ নাওবোৰ খালী কৰি সোনকালে চৈখোৱালৈ পঠাবলৈ হ'লে ভালেমান মানুহৰ আৱশ্যক হ'ব।"

তেতিয়া আমি ক'লো "কোনো চিন্তা নাই। আমি এতিয়াই গৈ অধ্যক্ষক লগ কৰি কলেজৰ কিছু ছাত্ৰক লৈ আহোঁগৈ।"

"তেনেহ'লে এতিয়াই ময়ো ট্ৰাকৰ যোগাৰ কৰোঁ"—বুলি আহমেদ ডাঙৰীয়াই আমাক কামত আগবাঢ়িবলৈ ক'লে।

অধ্যক্ষ ৰবীন চৌধুৰীয়ে অকণো বিলম্ব নকৰি নগৰতে মেছ কৰি থকা দুকুৰিমান কলেজ আৰু হাইস্কুলৰ ছাত্ৰৰ দল এটা যোগাৰ কৰি দিলে। ছাত্ৰসকলক থানাৰ ফালে পঠাই দি আমি ডুমডুমা নগৰ সমিতিৰ চেয়াৰমেন যোগেন ডেকা, কাকপথাৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি ৰাজ্যমল ডেকাৰ লগতে সমাজকৰ্মী ধৰ্মকান্ত গোহাঁই, নগেন ডেকা, ভীমকান্ত বুঢ়াগোহাঁই আৰু গিৰীশ মৰাণক লগ ধৰি চৈখোৱা অঞ্চলত ব্ৰহ্মপুত্ৰৰ বানে সৃষ্টি কৰা আকস্মিক বিপৰ্যয়ৰ কথা জানিবলৈ দিলো। তেখেতসকলে ডুমডুমা আৰু তিনিচুকীয়াত খাদ্যসংগ্ৰহ কৰি দুৰ্গত ৰাইজৰ বাবে পঠাই থকাৰ ব্যৱস্থা কৰিবলৈ লগে-লগেই আগ বাঢ়িল। পুৱা ছয় বজাৰ সময়তে নাও কেইখন ট্ৰাকত তুলি লৈ ছাত্ৰৰ দলটোৰ লগত অ. ছি. আহমেদে কেইজনমান পুলিছ কৰ্মচাৰীৰ সৈতে চৈখোৱা অভিমুখে যাবলৈ সাজু হ'ল। দলটোৰ লগত ওলাল ভীমকান্ত বুঢ়াগোহাঁই। তেখেতসকলৰ লগত পৰামৰ্শ কৰি ডাঙৰী হাইস্কুল, তালাপ বালি বজাৰৰ ছিনেমা হল আৰু খোবাং চাহ-বাগিচাৰ ক্লাবঘৰত দুৰ্গত ৰাইজৰ বাবে আশ্ৰয়-শিবিৰ খোলাৰ সিদ্ধান্ত কৰি আমিও পিছ ললোহঁক।

ডাঙৰী পাই আমি হাইস্কুলৰ স্বনামধন্য প্ৰধান শিক্ষক ভুবন শইকীয়া আৰু সমাজকৰ্মী বিধান বড়াদেৱক লগত লৈ আগতে সিদ্ধান্ত কৰা মতেই আশ্ৰয় শিবিৰ কেইটাৰ বন্দবস্ত আঠবজাৰ আগতেই পকা কৰি লৈ, স্থানীয় ছাত্ৰ-ছাত্ৰীসকলৰ লগতে ৰাইজক ৰন্ধা-বঢ়াৰ সঁজুলি টৌ, কেৰাহী, পাত, খৰি আদি যাবতীয় সামগ্ৰীবোৰ সংগ্ৰহৰ কামত লগাই দিলো। ভুবন শইকীয়াদেৱৰ পৰামৰ্শ মতেই ডাঙৰী হাইস্কুলতে শিবিৰ পৰিচালনাৰ মূল কেন্দ্ৰৰ ব্যৱস্থা কৰা হ'ল। ডাঙৰী নিবাসী অন্য এজন প্ৰাতঃস্মৰণীয় ব্যক্তি সুসাহিত্যিক দণ্ডিধৰ ফাটোৱালীদেৱে শিবিৰসমূহ কিভাৱে পৰিচালনা কৰিলে শৃংখলা ৰক্ষা পৰিব তাৰ দিহা পৰামৰ্শ দি আমাক অশেষ সাহস যোগাইছিল। দিনৰ দহমান বজাৰ পৰাই নাৱেৰে বহু দুৰ্গত লোক শিবিৰলৈ আহিবলৈ ধৰিলে। সুঁৱৰি ভাল লাগে—প্ৰায় একে সময়তে ডুমডুমাৰ পৰা চাউল, দাইল, চিৰা, গুৰ, নিমখ, বুট আদি খাদ্য-সম্ভাৰ লৈ কেইবাজনো ব্যৱসায়ী লোক ডাঙৰীত উপস্থিত হৈছিলগৈ। স্থানীয় ৰাইজে মজবুতকৈ টিনপাতৰ প্ৰকাণ্ড ৰভা এখনো ডাঙৰী শিবিৰৰ কাষতে সাজি উলিয়ালে আৰু তাতে ৰন্ধা-মেলাৰ বাবে মাটি কাটি চৌকাবোৰ তৈয়াৰ কৰি দিলে। লগে-লগে খিচিৰি ভাত ৰন্ধা কামত স্থানীয় গাভৰুহঁতৰ লগতে লাচনি-পাচনি কৰাত দুৰ্গতসকলৰ তিৰোতাসকলো লাগি গ'ল।

দিনৰ দুইমান বজাত তিনিচুকীয়াৰ পৰাও দহখনমান নাও ট্ৰাকেৰে আহি পোৱাত উদ্ধাৰ কাৰ্যত স্থানীয় যুৱকসকল আগবাঢ়ি গ'ল। সন্ধিয়া ছয়-সাত বজালৈকে উদ্ধাৰকাৰ্য চলিবলৈ ধৰাত আমি ঠিক কৰি ৰখা শিবিৰবোৰ ভৰি পৰিল। ইতিমধ্যে উন্নয়ন খণ্ডৰ তৰফৰ পৰা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ মাজত বিতৰণ কৰা মেনথল লাইটবোৰ শিবিৰবোৰত ব্যৱহাৰ কৰিবৰ বাবে সংগ্ৰহ কৰি অনা হ'ল। খোৱাপানীৰ বাবে অৱশ্যে কেউটা শিবিৰৰ কাষতে আগৰ পৰাই দমকলৰ ব্যৱস্থা আছিল। কাকপথাৰ উন্নয়নখণ্ডৰ সমূহ বিষয়া-কৰ্মচাৰীয়ে সেই ৰাজহুৱা বিপদক নিজৰ বিপদহেন জ্ঞান কৰি, নিজৰ ভিতৰতে দায়িত্ব ভগাই লৈ, স্থানীয় স্বেচ্ছাসেৱীসকলৰ লগ লাগি, প্ৰতিটো শিবিৰতে দলবান্ধি স্বনিয়োজিত হৈ সেৱা আগবঢ়োৱাৰ কথা মনত পৰিলে আজিও ভাল লাগি যায় আৰু গৌৰৱ অনুভৱ কৰোঁ।

পাছদিনা পুৱাৰ ভাগতে ডিব্ৰুগড়ৰ পৰা জিলাৰ উপায়ুক্ত শেষাদ্ৰি (আই. এ. এছ) আৰু পুলিছ অধীক্ষক গিলে (আই. পি. এছ) ডাঙৰীত উপস্থিত হৈ অৱস্থাৰ বুজ লয়গৈ আৰু চৰকাৰী সাহায্য শিবিৰসমূহলৈ সোনকালে পঠাই দিয়াৰ ব্যৱস্থা কৰে। শিবিৰবোৰত দহ দিনমান বানপীড়িতসকল থাকিব লগা হৈছিল। কেউদিনতে ডুমডুমা চিকিৎসালয়ৰ ড. নগেন নেওগ, বিছাকুপি চাহ-বাগিচাৰ ড. থানেশ্বৰ সোণোৱাল আৰু কাকপথাৰৰ ড. প্ৰফুল্ল নাৰায়ণ বৰুৱাই লগত দৰৱ পাতি লৈ বিনামূলীয়া চিকিৎসা সেৱা আগবঢ়াই আছিল। কাকপথাৰ হাইস্কুলৰ শিক্ষক গগন সোণোৱালৰ নেতৃত্বত ডাঙৰী হাইস্কুলৰ শিক্ষকসকলে গোটখোৱা সামগ্ৰীসমূহৰ হিচাপ ৰাখি আৰু যথানিয়মে বিতৰণ কৰি শিবিৰ পৰিচালনাত আমাক যি আন্তৰিকতা, শ্ৰম আৰু সেৱাৰে সহায় কৰিছিল তাক আমি কাহানিও পাহৰিব নোৱাৰিম। নিজৰ দুখ-ভাগৰ নেওচি অ. ছি. আহমেদ, ভীমকান্ত বুঢ়াগোহাঁই, শিৱ সোণোৱাল আৰু হৰি সোণোৱালৰ নেতৃত্বত ছাত্ৰ আৰু স্থানীয় যুৱকসকলে প্ৰবল সোঁতক অতিক্ৰম কৰি নাও বাই দুৰ্গতসকলক উদ্ধাৰ কৰি আনি শিবিৰ পোওৱাৰ দৃশ্যবোৰে মোৰ মানসপটত আজিও মাজে-মাজে ভাঁহি উঠি পুলক জগায়। কিন্তু মনত পৰিলে দুখ লাগে—দায়িত্বত থকা বান নিয়ন্ত্ৰণ বিভাগৰ এজনো বিষয়া বা কৰ্মচাৰী দুৰ্ভগীয়া ৰাইজৰ

অৱস্থাৰ যুজ লবলৈকো এদিনো নাছিল। তদানীন্তন তিনিচুকীয়াৰ ভাৰপ্ৰাপ্ত মেজিষ্ট্ৰেট বিদ্যা ভূঞা (এতিয়া আই এ এছ) ডাঙৰীয়াই তিনিচুকীয়াৰ নগৰ কমিটিৰ চেয়াৰমেন ৰামগোপাল খেমকা ডাঙৰীয়াৰ লগ লাগি উদ্ধাৰ কাৰ্যৰ বাবে নাও পঠিওৱাৰ উপৰিও খাদ্যসামগ্ৰী সংগ্ৰহ কৰি শিবিৰসমূহলৈ পঠাই দি আমাক নথৈ উৎসাহিত কৰিছিল আৰু দুয়ো গৈ শিবিৰসমূহ পৰিদৰ্শন কৰি আমাক যাৱতীয় দিহা-পৰামৰ্শ দি আহিছিল।

লাহে-লাহে পানী শুকাই আহিবলৈ ধৰিলে। এনেতে এদিন কাঁইটীয়া অঞ্চলৰ এজন মানুহ আহি খবৰ দিলেহি বোলে কৈলাশপুৰৰ কুৰিঘৰমান মানুহে দিহামুলী চাহ-বাগিচাৰ কাষৰ ওখ ঠাইত আশ্ৰয় লৈ আছেগৈ। আৰু এতিয়া খাদ্যৰ অভাৱত ভুগি আছে। খবৰ পায়েই আমি কেইবস্তামান চাউল, বুটমাহ, নিমখ, চিৰা আৰু গুৰ এখন মজলীয়া আকাৰৰ নাৱত ভৰাই লৈ কৈলাশপুৰৰ ফালে ৰাওনা হলোহঁক। আহমেদ ডাঙৰীয়া অলপ অসুস্থ বাবে তেখেতে নিজে আমাৰ লগত যাব নোৱাৰি দুজন চিপাহী দিলে। আমাৰ দলটোত আছিলো কাকপথাৰ আঞ্চলিক পঞ্চায়তৰ প্ৰাক্তন সভাপতি যোগেন্দ্ৰনাথ বুঢ়াগোহাঁই (ধলাৰ), ভীমকান্ত বুঢ়াগোহাঁই, কৃষি সম্প্ৰসাৰণ বিষয়া নিৰেন খাকলাৰী, ড. পবিত্ৰ বৰগোহাঁই, শিৱ সোণোৱাল, দুজন চিপাহী, তিনিজন নাৱৰীয়া, খবৰ দিয়া মানুহজন আৰু মই। পানীত সাপৰ নেগুৰ ছিগা সোঁত। আমি ব্ৰহ্মপুত্ৰৰ ঘাই সুঁতিৰেনে কাষেৰে ভটিয়াইছিলো ধৰাই টান হৈছিল। মাজ বাটতে এক অঘটন ঘটিল। হঠাতে কিহবাত খুন্দা খাই নাওখনে টলং-ভটং কৰিবলৈ ধৰিলে আৰু আগ টিঙত বহি যোৱা চিপাহী সন্দিকৈ (সম্পূৰ্ণ নামটো মনত নাই) জপং কৰে পানীত পৰি গ'ল। তেওঁক উদ্ধাৰ কৰিবলৈ খাকলাৰীহঁত আগবাঢ়ি যাবলৈ ধৰোঁতেই সন্দিকৈয়ে থিয় দি ক'লে,—"তলত এডাল প্ৰকাণ্ড কাঠ পৰি আছে।" তেওঁ অনায়াসে নাৱলৈ উঠি আহিল আৰু এজন নাৱৰীয়াই বঠাৰে জোখ লৈ ক'লে—"আমি পথাৰৰ মাজেৰেহে গৈ আছোঁ।"

তাৰ পৰা অলপদূৰ ভটিয়াই গৈ এক অদ্ভুত দৃশ্য আমাৰ চকুত পৰিল। এটা হাফলুৰ ওপৰত এজোপা মাত্ৰ উৰিয়াম গছ; গছজোপাত এজাক বান্দৰ আৰু গোটেই গাতে বগাই আছে এগালমান সাপ। আমাক দেখিয়েই নেকি, বান্দৰ জাকে বিননি জুৰি চিঞৰিবলৈ ধৰিলে। বুঢ়াগোহাঁই ডাঙৰীয়াই ক'লে—"ইহঁতকো অলপ ৰেছন দি যোৱাই ভাল হ'ব নেকি! ভোকতহে তেনেকৈ চিঞৰিছে।" নাৱৰ আগ টিং হাফলুৰ কাষত লগাই দিবলৈ নাৱৰীয়াইঁতক ইংগিত দিলো। গছডালৰ তলখন এক প্ৰকাৰ ছাফা হৈয়েই আছিল। তাতে এখন বস্তা পাৰি এখৰাহীমান বুটমাহ থৈ নাৱৰীয়াই নাওখন আঁতৰাই আনিছেহে, এনেতে গোটেই জাক বান্দৰ ডালৰ আগেৰে বগাই ধুপ-ধুপ কৈ নামি আহিল। আমি ভাবিছিলো সিহঁতৰ মাজত খোৱা-কামোৰা লাগিব; কোনে কেইটা খাবলৈ পায় ঠিক নাই। দৃশ্যটো চাবলৈ লগী পুতি নাওখন অলপ দূৰতে ৰখাই দিয়ালো। কিন্তু আমাক অবাক কৰি বান্দৰবোৰ সুশৃংখলভাৱে মুকলি ঠাইকণতে বস্তাটোৰ চাৰিওফালে বহি পৰিল। অলপ পাছতে জাকৰ মলুৱাটো বুটখিনিৰ ফালে আগবাঢ়ি গ'ল আৰু মুঠি-মুঠিকৈ সকলোৰে মাজত সেইখিনি ভগাই দিলে। আগ হাঁতোৰাৰে আলফুলে বান্দৰহঁতে বুটমাহ লোৱা দৃশ্যটো নিজ চকুৰে চাই আমি বৰ উভভোগ কৰিলোহঁক। বেলি লহিয়াবলৈ ধৰাত নাও যাবলৈ এৰি দিয়া হ'ল। মলুৱাটোৱে প্ৰায় থিয় হৈ আমাৰ ফালে চাই আছিল। হয়তো ভাবিছিল—আৰু অলপ...।

দিহামুখী পাওঁতে বেলি ডুবোঁ-ডুবোঁ হ'ল। খাদ্যসামগ্ৰীখিনি দুৰ্গত ৰাইজেই অতি আগ্ৰহেৰে পাৰলৈ তুলি নিলে। দুজন মুখিয়াল লোকৰ হাতত ৰাইজৰ সাক্ষাততে বস্তুবোৰ চমজাই দি উলটিবৰ পৰত নাৱৰীয়াইঁতে ক'লে,—"এতিয়াৰ পৰা লগী মাৰি-মাৰি নাও উজুৱাই নি থাকিব লাগিব। দৰকাৰ বুজি ৰছীৰেও টানিব লাগিব। তাকে কৰিবলৈ নাৱৰ বোজা পাতলাব লাগিব। সমস্যাৰ গুৰুত্ব বুজি আমি খোজ কাঢ়ি ডাঙৰী কেম্পলৈ উলটি যোৱাকে থিৰ কৰিলো। বানপীড়িত ৰাইজৰে কেইজনমান ডেকা ল'ৰাই নাওখন উজাই নিয়াত সহায় কৰি দিবলৈ উপযাচি ওলাল। নাৱৰীয়াইঁতৰ পৰা বিদায় লৈ চিপচিপীয়া বৰষুণত তিতি-বুৰি চাহ-বাগিচাৰ মাজে-মাজে, আৰু কিছুদূৰ পথাৰৰ মাজেৰে খালী ভৰিৰে খোজ কাঢ়ি গৈ খোবাং পাওঁতে ৰাতি দুপৰ হ'ল। তাৰ পৰা গৈ ডাঙৰী পাওঁতে কুকুৰাই ডাক দিলে। ভোকে-পিয়াহে জৰ্জৰিত অৱস্থাত পোনে-পোনে ভুবন শইকীয়াদেৱৰ ঘৰলৈকে বুলি খোজ ললো। পদুলিমুখতে শইকীয়াদেৱৰ লগত আমাৰ ভেটাভেটি হ'ল। হাতত পিতলেৰে বন্ধোৱা নাহৰৰ লাখুটিডাল লৈ তেখেত প্ৰাতঃভ্ৰমণৰ বাবে ওলাইছিল। আমাক বোকাই-পানীয়ে লুতুৰি-পুতৰি অৱস্থাত দেখা পায়েই তেখেতে সকলোকে নাদৰ পাৰলৈ লৈ গ'ল আৰু কৈলাশপুৰৰ বানপীড়িত ৰাইজৰ সংবাদ সুধিলে। আমি হাত-মুখ ধুই থকা অৱস্থাতে তেখেতে গোটেই ঘৰোৱাহকে খদমদম লগাই তুলি দি সোনকালে চাহ-জলপান লাগিব বুলি সঁকিয়াই দিলে। আমাৰ কেইবাজনৰো ভৰিবোৰ বিষত উখহি পৰিছিল। শইকীয়ানী আইতাৰ দিহামতে তেল-খাৰণি ঘঁহি দিয়াত বহুত উপশম হ'ল। আমি উলটি গৈ সেইখিনি পোৱাৰ কথাটো গোটেই ডাঙৰী গাঁওখনতে তৎক্ষণাত জনাজনি হৈ গ'ল। চাহ-জলপান খাই থকা অৱস্থাতে ফাটোৱালী ডাঙৰীয়া প্ৰমুখ্যে গাঁওখনৰ প্ৰায়খিনি মানুহেই শইকীয়াদেৱৰ চোতাল পালেহি আৰু আশ্ৰয়-শিবিৰলৈ আহিব নোৱৰা বানপীড়িত দুৰ্ভগীয়া ৰাইজৰ অৱস্থাৰ বিষয়ে আমাৰ পৰা জানিবলৈ বিচাৰিলে। আমি সকলো বিবৰি কোৱাত ৰাইজ আশ্বস্ত হ'ল। এনেতে আমাৰ অনুপস্থিতিত শিবিৰ কেইটাৰ পৰিচালনাৰ কামত তদাৰকীৰ দায়িত্বত থকা উন্নয়ন খণ্ডৰ সমবায় বিভাগৰ সম্প্ৰসাৰণ বিষয়া অজিত বৰগোহাঁয়ে আহি আমাক জানিবলৈ দিলে যে শিবিৰ এৰি ৰাইজ নিজ-নিজ ঘৰলৈ ঘূৰি যাবলৈ সাজু হৈছে।

ফাটোৱালীদেৱে সেই দিনা দুপৰীয়াৰ ভাতমুঠি তেখেতৰ তাতে ধৰিব লাগিব বুলি জোৰকৈ ধৰাত শইকীয়াদেৱৰে সৈতে আমি সকলোটি গৈ তেখেতৰ ঘৰ পালোগৈহঁক। বুঢ়া কোমোৰাৰ লগত হাঁহৰ মাংস, খৰিকাত দিয়া পুঠিমাছ, কণ বিলাহী-হাঁহ কণী আৰু মাটি মাহৰ আঞ্জাৰ লগত মিচিৰি লাহী চাউলৰ ভাতৰ কথা মনত পৰিলে এতিয়াও জিভাৰ পানী পৰে। চাকৰিৰ দায়িত্বত আজি কেইবাবছৰো ধৰি যোৰহাট, গুৱাহাটী, ডিফু আদি নগৰত থাকি আমাৰ আজি এনে এটি অভিজ্ঞতাই মনত ঠাই লৈছে—গঞা ৰাইজৰ মাজত মানুহৰ দুখত দুখী হোৱাৰ যি মানবতা বিৰাজ কৰে নগৰত যেন সেইকথা কল্পনা কৰাই ভুল।



# বন-ঘৰচীয়া ঘোঁৰা


## অসমৰ অৰণ্যৰ অন্য এক সম্পদ

টিকেন্দ্ৰজিৎ গগৈ

বনৰীয়া ঘোঁৰা!

যিছুখৃষ্টৰ জন্মৰ প্ৰায় দুহাজাৰ বছৰৰ আগৰ পৰাই মানুহে ঘোঁৰাক পোহনীয়া প্ৰাণী হিচাপে ব্যৱহাৰ কৰি আহিছে। ঘোঁৰা ঘৰচীয়া প্ৰাণী বুলিয়েই আমাৰ দেশৰ মানুহে জানে। সেইবাবে বনৰীয়া ঘোঁৰাৰ কথাটো আমাৰ বাবে কিছুপৰিমাণে আচহুৱা কথা। কিন্তু বনৰীয়া ঘোঁৰা নহ'লেও অসমৰ বনাঞ্চলসমূহৰ ভিতৰৰে চৈখোৱা বনভূমিৰ চুৰকে চাপৰিত দেখিবলৈ পোৱা বন-ঘৰচীয়া ঘোঁৰাৰ এটা জাকে প্ৰকৃতপ্ৰেমীসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

**ঘোঁৰা, গাধ আৰু জেব্ৰা ঃ** ঘোঁৰা, গাধ আৰু জেব্ৰা একে গোষ্ঠীৰ প্ৰাণী। প্ৰাণী-বিজ্ঞানৰ ফালৰ পৰা তিনিওবিধ প্ৰাণীয়েই ইকুৱাছ (Equus) জাতিৰ অন্তৰ্গত বেলেগ-বেলেগ প্ৰজাতিৰ প্ৰাণী। ইহঁতৰ ভিতৰৰে জেব্ৰা নামৰ প্ৰাণীবিধ আফ্ৰিকা মহাদেশত বনৰীয়া অৱস্থাত পোৱা যায়। আনহাতে আফ্ৰিকা আৰু এছিয়া মহাদেশৰ কেইখনমান ঠাইত বনৰীয়া গাধ দেখিবলৈ পোৱা যায়। পশ্চিম ভাৰতৰ কচ্ছ উপকূলৰ মৰুভূমি অঞ্চলত দেখিবলৈ পোৱা "এছিয়া মহাদেশৰ বনৰীয়া গাধ" (Equus hemionus khur) নামৰ প্ৰাণীবিধেই ভাৰতবৰ্ষৰ চাৰিসীমাৰ ভিতৰত দেখিবলৈ পোৱা এই জাতীয় একমাত্ৰ বনৰীয়া প্ৰাণী। "কিয়াং" বুলি জনাজাত ইহঁতৰে অন্য এটা উপপ্ৰজাতিৰ প্ৰাণীয়ে চুবুৰীয়া প্ৰাণী হিচাপে তিব্বত মালভূমিত বাস কৰে। কোনো বনৰীয়া ঘোঁৰাকে ভাৰতবৰ্ষৰ চাৰিসীমাৰ ভিতৰত দেখিবলৈ পোৱা নাযায়। আনহে নালাগে বৰ্তমানে পৃথিৱীৰ অন্যান্য ঠাইতো বনৰীয়া ঘোঁৰা দেখিবলৈ পোৱাটো দুৰূহ। অৱশ্যে এইখিনিতে, যোৱা ১৯৫১ চন মানলৈকে ছোভিয়েট ৰাছিয়াৰ উক্ৰেইন




OKDISCD

অঞ্চলত দেখিবলৈ পোৱা আৰু যোৱা দশকলৈকে মধ্য এছিয়াৰ গোবি মৰুভূমিৰ আশেপাশে বসবাস কৰা বনৰীয়া ঘোঁৰা কেইবিধৰ নাম উল্লেখ কৰিব পাৰি। পিছৰবিধ বনৰীয়া ঘোঁৰাক মংগোলীয় বনৰীয়া ঘোঁৰা বা প্ৰেৰলিস্কিৰ ঘোঁৰা বুলিও জনা যায়। ইয়াৰ প্ৰাণীবিজ্ঞানসন্মত নাম হৈছে Equus Cabellus Przewalskii। এইবিধ ঘোঁৰাক বৰ্তমানৰ ঘৰচীয়া ঘোঁৰাৰ পূৰ্বজ বুলি জনা যায়।

এতিয়া দেখা গ'ল যে বন্য অৱস্থাত এই ঘোঁৰা নামৰ প্ৰাণীবিধ (Equus Cabellus) দেখিবলৈ পোৱাটো অসম্ভৱেই। কিন্তু বন-ঘৰচীয়া নাইবা অৰ্ধ-বনৰীয়া ৰূপত পৃথিৱীৰ বিভিন্ন ঠাইত ঘোঁৰা দেখিবলৈ পোৱা যায়। উত্তৰ আমেৰিকা, দক্ষিণ আমেৰিকা, অষ্ট্ৰেলিয়া, গ্ৰেটবৃটেইন আদিত বন-ঘৰচীয়া ঘোঁৰা দেখিবলৈ পোৱা যায়। মুক্তভাৱে বনত বাস কৰিলেও আৰু বনৰীয়া ঘোঁৰাৰ দৰে (?) আচৰণ কৰিলেও ইহঁত প্ৰকৃততে বনৰীয়া নহয়। কোনো কাৰণত ঘৰচীয়া ঘোঁৰা বনলৈ পলাই গৈ বন্য অৱস্থাত মুকলি-মূৰীয়াকৈ থাকিবলৈ লয়; সময়ত সংখ্যা-বৃদ্ধি হোৱাৰ ফলত এনে আধা বনৰীয়া-আধা ঘৰচীয়া প্ৰকৃতিৰ ঘোঁৰাৰ জাকসমূহৰ উৎপত্তি হয়। পূৰ্বতে ঘৰচীয়া হৈয়ো পাছলৈ বনৰীয়া ঘোঁৰাৰ দৰে আচৰণ কৰা এনে ঘোঁৰাক বন-ঘৰচীয়া বা অৰ্ধ-বনৰীয়া ঘোঁৰা আখ্যা দিব পাৰি। ইংৰাজীত এনে ঘোঁৰাক "ফেৰাল হৰ্চ" (Feral Horse) বোলা হয়।

### অসমৰ অৰণ্যৰ বন-ঘৰচীয়া ঘোঁৰাকেইটা

আগতেই উল্লেখ কৰি অহা হৈছে যে ভাৰতবৰ্ষৰ চাৰিসীমাৰ ভিতৰতহে নালাগে গোটেই পৃথিৱীতেই বনৰীয়া ঘোঁৰা পাবলৈ নাই। কিন্তু পৃথিৱীৰ অন্যান্য ঠাইত দেখা পোৱা গলেও ভাৰতবৰ্ষত, বিশেষকৈ অসমৰ কোনো বনাঞ্চলত বন-ঘৰচীয়া ঘোঁৰা থকাৰ কথাটো জানিবলৈ পোৱা নাছিলো। আজিৰ পৰা কেইমাহমানৰ আগতে ডিব্ৰুগড় বন সংমণ্ডলৰ প্ৰাধিকাৰী শ্ৰীগোহাঞিবৰুৱাদেৱৰ পৰা ডিব্ৰুগড় জিলাৰ চৈখোৱা বনাঞ্চলত কিছুমান অৰ্ধ-বনৰীয়া ঘোঁৰা থকাৰ কথা প্ৰথমতে জানিবলৈ পাওঁ। তাৰ পাছত অৱশ্যে মুখ্য বন সংৰক্ষক শ্ৰীসঞ্জয় দেববয় আৰু



এছিয়াৰ বনৰীয়া ঘোঁৰা

তালাপৰ আঞ্চলিক বন বিষয়া ম. চাজ্জিদ উল্লাৰ পৰা এই বিষয়ে জানিবলৈ পাওঁ।

এই বন-ঘৰচীয়া ঘোঁৰাবোৰ বা কেনেকুৱা ঠাইত থাকে? আচৰণবোৰ বা কেনে ধৰণৰ? এইবিলাক অসমৰ হাবিৰ এক দুৰ্লভ সম্পদ নিশ্চয়। স্বাভাৱিকতেই ঘোঁৰাবিলাক চাবলৈ, সিহঁতৰ বিষয়ে জানিবলৈ আগ্ৰহী হৈ পৰিলো। অসম চৰকাৰৰ বনবিভাগৰ বন্যপ্ৰাণী শাখাৰ পৰা ডিব্ৰুগড় জিলাৰ সেই অঞ্চলটোত এক অধ্যয়নৰ বাবে অনুমতি পাই যোৱা মাৰ্চ মাহৰ শেষৰ ফালে চৈখোৱা বনাঞ্চলৰ বন-ঘৰচীয়া ঘোঁৰাৰ বসতিস্থল পালোগৈ।

### চুৰকে চাপৰিৰ বন-ঘৰচীয়া ঘোঁৰা

চুৰকে চাপৰি ডিব্ৰুগড় জিলাৰ চৈখোৱা বনাঞ্চলৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ এটা চাপৰি। ধলা আৰু চৈখোৱাঘাটৰ পৰা ১২-১৩ কিল'মিটাৰমান দূৰত, উত্তৰ দিশত। চাপৰিটো আৰু ইয়াৰ আশে-পাশে থকা কিছু ঠাই চুটি-চুটি ঘাঁহনিৰে ঢকা। ১৯৮৮ চনৰ বানপানীয়ে চাপৰিটোৰ কিছু অংশ খহাই নিয়াৰ উপৰিও কিছু অংশ বালিৰে পুতি পেলায়। চাপৰিটোতে উত্তৰ ফালেদি ব্ৰহ্মপুত্ৰৰ কাষে-কাষে চিচুগছৰ এখন সৰু অৰণ্য। তাৰ বাহিৰে চৈখোৱা বনাঞ্চলৰ ব্ৰহ্মপুত্ৰৰ পাৰৰ এই অংশটো মুকলি ঘাঁহনিৰে ঢকা। চুৰকে নামৰ 'নলা'টোৱে চাপৰিটোক বনাঞ্চলৰ বাকী অংশৰ পৰা পৃথক কৰিছে। নলাৰ দুয়োকাষে ভালেমান ম'হ আৰু গৰুৰ খুটি আছে। চিচুগছৰ সৰু অৰণ্যখন, মুকলি ঘাঁহনি অঞ্চল আৰু গৰু-ম'হৰখুটিৰ আশে-পাশে থকা প্ৰায় ৫ বৰ্গ কিল'মিটাৰ মাটিকালিৰ এই অংশটো বন-ঘৰচীয়া ঘোঁৰাবিলাকৰ মুখ্য বাসভূমি।

ঠাই ডোখৰলৈ যোৱাটো কিছু কষ্টকৰ। বাৰিষা কালত, বিশেষকৈ ১৯৮৭ আৰু ১৯৮৮ চনৰ বানপানীত গোটেই অঞ্চলটোৱেই প্লাৱিত হৈছিল। খৰালি কালত মাজে-মাজে ছাইকেলত উঠি আৰু মাজে-মাজে ছাইকেল ঠেলি-ঠেলি ব্ৰহ্মপুত্ৰৰ গৰাৰ কাষেদি ঘূৰিপকি যাব পাৰি। পোনাই যাবলৈ হ'লে গছ-গছনি, বালিময় নদীৰ সুঁতিৰ বুকু, বালিময় ঠাই আৰু ঘাঁহনিৰ মাজেদি ছয় কিল'মিটাৰতকৈয়ো বেছি পথ খোজকাঢ়ি যাব লাগে। কেতিয়াবা বনৰীয়া ম'হৰ জাকৰ সন্মুখীন হোৱাৰ সম্ভাৱনাৰ বাহিৰে এই পথত অন্য ভয়ৰ কাৰণ নাই।

চুৰকে চাপৰিত সৰু-বৰ পোৱালি, মতা আৰু মাইকীকৈ ধৰি ৩৫টা ঘোঁৰা চকুত পৰিছিল। ঘোঁৰাবিলাকৰ বেছিভাগৰে বৰণ





ৰঙা। কেইটামান বগা আৰু কেইটামান কজলা বৰণৰ। দিনৰ ভাগত ঘোঁৰাবোৰে সাত-আঠটাৰ পৰা চৈধ্য-পোন্ধৰটালৈকে লগলাগি জুম বান্ধি ঘাঁহনি পথাৰেবোৰত চৰি ফুৰে। ইহঁতক কেতিয়াবা খুটিৰ গৰুবিলাকৰ আঁতৰত, কেতিয়াবা গৰুবিলাকৰ ওচৰে-পাজৰে, আৰু কেতিয়াবা গৰুৰ লগত মিহলি হৈ চৰি ফুৰা দেখা যায়। ৰাতিৰ ভাগত অৱশ্যে ওচৰতে থকা হাবিৰ বাঘৰ পৰা ৰক্ষা পাবলৈকে হওক বা স্বভাৱগত কাৰণতে হওক ইহঁতে খুটিৰ ওচৰে-পাজৰে কটায়। মানুহ দেখিলে ইহঁত ভয়তে নপলায় যদিও মানুহ ওচৰ চাপি যোৱাৰ লগে-লগে আঁতৰিবলৈ আৰম্ভ কৰে। এই লেখক কোনোপধ্যেই ঘোঁৰাবোৰৰ ২০-২৫ ফুটতকৈ বেছি ওচৰ চাপিবলৈ সক্ষম হোৱা নাছিল।

### ৰক্ষণাবেক্ষণৰ প্ৰয়োজন

ঘৰচীয়া ঘোঁৰা এদিন বনৰীয়া হৈ প্ৰকৃতিৰ বুকুত মুক্তমনেৰে বিচৰণ কৰিবলৈ আৰম্ভ কৰাৰ ফলত এই বন-ঘৰচীয়া ঘোঁৰাৰ জাকটোৰ সৃষ্টি হৈছে। অসমৰ বন-বননিৰ বুকুত এই বন-ঘৰচীয়া ঘোঁৰাৰ জাকটো দেখিবলৈ পোৱাটোও এক অনন্য অভিজ্ঞতা। উন্মুক্ত অৱস্থাতে জীৱনযাপন আৰু বংশবৃদ্ধি কৰা এই ঘোঁৰাৰ জাকটো অসমৰ বন্যপ্ৰাণীজগতৰ এক অমূল্য সম্পদত পৰিণত হৈছে। ১৯৮৮ চনৰ অস্বাভাৱিক বানপানীৰ কবলত পৰি ভালেমান ঘোঁৰা মৃত্যু মুখত পৰা বুলি জানিব পৰা গৈছে। সি যি কি নহওক, অসম চৰকাৰৰ বনবিভাগৰ সংশ্লিষ্ট শাখাটোৰ বিষয়া আৰু কৰ্মচাৰীসকলে ঘোঁৰাবিলাকৰ ৰক্ষণাবেক্ষণৰ প্ৰতি মনোনিৱেশ কৰা বুলি ধাৰণা হৈছে। বিশেষকৈ বনবিভাগৰ চুৰকে চাপৰিত নিযুক্ত কৰ্মী কেইজনে ঘোঁৰাবোৰৰ ওপৰত নজৰ ৰখাটো এক প্ৰয়োজনীয় ব্যৱস্থা হৈছে। ঘোঁৰাবিলাকৰ বসতিস্থলৰ সংৰক্ষণ আৰু বানপানীৰ বিপদৰ পৰা ঘোঁৰাবিলাকক ৰক্ষা কৰাৰ জৰিয়তে এই বন-ঘৰচীয়া ঘোঁৰাকেইটাৰ সংৰক্ষণৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা কতৃ'পক্ষই লব বুলি আশা কৰা হ'ল। বন্য অৱস্থাত এই ঘোঁৰাৰ জাকটো গঁড়, বনৰীয়া ম'হ, পহু আদিৰ দৰেই আকৰ্ষণীয়।

Remson®
ELECTRICAL APPLIANCES
& HEATING ELEMENTS
ISI
Now Geyser available with Thermocut & 15 Ltrs to 50 Ltrs carry ISI mark.
AVAILABLE AT ALL LEADING STORES
& ELECTRICAL DEALERS
Trade Enquiries to :
REMSON ELECTRICAL INDUSTRIES
10072, Gali Zamir Wali, Pul Bangesh, Delhi-6. Ph : 529633, 777091




OKDISC

## মিকি মাউছৰ জনপ্ৰিয়তা

আজি কিছুদিনৰ আগলৈকে খৃষ্টিয়ান ধৰ্মগ্ৰন্থ 'বাইবেল' বিশ্বৰ সৰ্বাধিক সংখ্যক ভাষালৈ অনুবাদ হোৱা কিতাপ আছিল যদিও শেহতীয়াভাৱে কমিক কাহিনী 'মিকি মাউছ' শীৰ্ষস্থানলৈ উঠিবলৈ সক্ষম হৈছে।

দুষ্ট নিগনি মিকি মাউছৰ চিত্ৰকাহিনী ১৯৮৩ চনত মুঠ ২৮৪ টা ভাষালৈ অনুবাদ কৰা হৈছিল । এই তথ্য পোৱা হৈছে



ইউনেস্কোৱে অলপতে প্ৰকাশ কৰা এখন প্ৰতিবেদনত। এই প্ৰতিবেদনৰ মতে ১৯৮৩ চনত ছোভিয়েট ইউনিয়নৰ প্ৰতিষ্ঠাতা লেনিনৰ ৰচনাৱলী ২৭৬ টা ভাষালৈ অনুদিত হৈ দ্বিতীয় স্থানত আছিল । তৃতীয় স্থান পাইছিল আগাথা ক্ৰিষ্টিৰ ৰচনাসমূহে ২৬২ টা ভাষালৈ অনূদিত হৈছে। বাইবেল গ্ৰন্থ সেইবছৰ ২১৯ টা ভাষালৈ অনূদিত হৈ চতুৰ্থ স্থানত আছিল।

শীৰ্ষ তালিকাত থকা অন্যান্য গ্ৰন্থ অথবা লেখকসকল হ'ল ঃ জ্‌ল ভাৰ্ন (২০৫), এনিড ব্লাইটন (১৮৪), প'প পল দ্বিতীয় (১৯৮), বাৰবাৰা কাৰ্টলেণ্ড (১৭১), ব্ৰাডাৰ্ছ গ্ৰিম, (১৬১), হান্স ক্ৰিষ্টিয়ান এণ্ডাৰছন (১৪৯), উইলিয়াম শ্যেকস্পিয়েৰ (১২৩), কাৰ্ল মাৰ্ক্স (১২৩), লিঅ' টলষ্টয় (৯৮), আৰ্থাৰ কনান ডয়ল (৯৫) আৰু চাৰ্লছ ডিকেন্স (৭৮) । এই তালিকাত মোহনদাস কৰমচান্দ গান্ধী (১৬), মাডাৰ টেৰেছা (৬) আৰু আইনষ্টাইনৰ (৬) নাম যথেষ্ট তলৰ ফালে আছে।

## পৃথিৱীৰ জনসংখ্যা

বৰ্তমান বিশ্বৰ জনসংখ্যা হ'ল ৫.২ বিলিয়ন । অৰ্থাৎ ৫২০ কোটি । দুহাজাৰ চনলৈ এই জনসংখ্যা বাঢ়ি ৬.২৫ বিলিয়ন হ'বগৈ বুলি ধাৰণা কৰা হৈছে। আনহাতে ২০২৫ চনত ই ৮.৫ বিলিয়ন হোৱাৰ আশা আছে।

বিশ্বৰ জনসংখ্যা এতিয়া বছৰি ৯০ নিযুতকৈ বাঢ়ি আছে। ইয়াৰ ভিতৰত চীনত বাঢ়িছে বছৰি ১৮ নিযুতকৈ আৰু ভাৰতত বছৰি ১৭ নিযুতকৈ । ৰাষ্ট্ৰসংঘৰ শেহতীয়া প্ৰতিবেদন মতে বছৰি ৮৪ নিযুত জনসংখ্যা কেৱল উন্নয়নশীল দেশবোৰতেই বৃদ্ধি পাইছে।

যদিও বিশ্বৰ সৰহ সংখ্যক দেশেই জনসংখ্যা ৰোধৰ ব্যাপক আঁচনি লৈছে, তথাপিতো ৩১ খন দেশৰে ৯০ শতাংশ লোকক এনে আঁচনিতে ছোৱাগৈয়ে নাই।

● এক পাউণ্ড (অৰ্থাৎ ৪৫৪ গ্ৰাম) মৌ জমা কৰিবৰ বাবে মৌমাখিয়ে প্ৰায় দুই নিযুত ফুলৰ পৰা মৌ সংগ্ৰহ কৰিব লাগে।

● একোটা চৰায়ে জীয়াই থাকিবৰ বাবে তাৰ দেহৰ ওজনৰ আধা পৰিমাণৰ খাদ্য খাব লাগে।

● টমাছ আলভা এডিছনৰ চৰাই পোহাৰ চখ আছিল । তেওঁৰ প্ৰায় ৫০০০ পোহনীয়া চৰাই আছিল।

## জিৰণিৰ সময়ত

সময় আৰু ৰাজনৈতিক পৰিবৰ্তনৰ লগে-লগে ভালেমান দেশৰ নামৰো সালসলনি ঘটিছে। এনে সালসলনিৰ ভেঁটিত যুগুত কৰা এই প্ৰশ্নকেইটাৰ উত্তৰ জানে নে ?

(১) ইণ্ডোনেছিয়াৰ আগৰ নাম কি আছিল ?
(ক) কংগো
(খ) ডাচ ইষ্ট ইণ্ডিজ
(গ) গ'ল্ড ক'ষ্ট
(ঘ) এই তিনিটাৰ এটাও নহয়

(২) ইজিপ্তৰ নতুন নাম কি ?
(ক) জাইৰ
(খ) ইউনাইটেড আৰব ৰিপাব্লি ক
(গ) মেছপটেমিয়া
(ঘ) এই তিনিটাৰ এটাও নহয়

(৩) মালয়েছিয়াৰ আগৰ নাম কি আছিল ?
(ক) মেছপটেমিয়া
(খ) মালয়
(গ) অছলো
(ঘ) এটাও নহয়

(৪) ঘানাৰ আগৰ নাম কি আছিল ?
(ক) কনষ্টানটিনপল
(খ) ফৰমোছা
(গ) গ'ল্ড ক'ষ্ট
(ঘ) এই তিনিটাৰ এটাও নহয়

(৫) বাটাভিয়া তলত দিয়া কোনখন দেশৰ আগৰ নাম ?
(ক) আংকাৰা
(খ) বেচুৱানালেণ্ড
(গ) জাকাৰ্টা
(ঘ) এই তিনিখনৰ এখনৰো নহয়।

(৬) কে'প কেনেডিৰ আগৰ নাম কি আছিল ?
(ক) কে'প অৱ কেপ্ৰিকৰ্ন
(খ) কে'প অৱ কানাৱেৰল
(গ) কে'প ৰুজৱেল্ট
(ঘ) এই তিনিটাৰ এটাও নহয়

(৭) ইৰাক আগেয়ে কি নামেৰে পৰিচিত আছিল ?
(ক) ফৰমোছা
(খ) ছিয়াম
(গ) মেছপটেমিয়া
(ঘ) এই তিনিটাৰ এটাৰেও নহয়

(৮) জাপানৰ অইন এটা নাম কি ?
(ক) ইথিয়'পিয়া
(খ) নিপ্পন
(গ) আইৰ
(ঘ) মাডাগাস্কাৰ

(৯) কংগো আগেয়ে কোন দেশৰ নাম আছিল ?
(ক) জাইৰ
(খ) ছিয়াম
(গ) মাডাগাস্কাৰ
(ঘ) এই তিনিটাৰ এটাৰো নাছিল।

— সমুদ্ৰগুপ্ত কাশ্যপ

### উত্তৰসমূহ

(১) খ ; (২) খ ; (৩) খ ; (৪) গ ; (৫) গ ; (৬) খ ; (৭) গ ; (৮) খ ; (৯) ক ।





# ধূমপান পুৰুষতকৈ তিৰোতাৰ বাবে অধিক ক্ষতিকাৰক

প্ৰবীণ কুমাৰ বৰুৱা



যোৱা এপ্ৰিল মাহত নতুন দিল্লীৰ All India Institute of Medical Science-অৰ চিকিৎসা বিজ্ঞানীসকলে বহুবছৰৰ গৱেষণাৰ পৰা প্ৰমাণ পাইছে যে, ধূমপান পুৰুষৰ বাবে যিমান ক্ষতিকাৰক, তিৰোতাৰ বাবে তাতকৈ বহুগুণে বেছি ক্ষতিকাৰক । এই প্ৰতিষ্ঠানটোৰ বিজ্ঞানীসকলে প্ৰমাণ পাইছে যে যিসকল তিৰোতাৰ ধূমপান কৰাৰ অভ্যাস, সেইসকল তিৰোতাৰ জৰায়ুৰ কেনছাৰ ৰোগত আক্ৰান্ত হোৱাৰ সম্ভাৱনা ধূমপান নকৰা তিৰোতাতকৈ বহু গুণে বেছি । অলপতে Joumal of the American Association-অত প্ৰকাশ পোৱা তথ্যমতে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ওটাহত বাস কৰা ম'ৰম'ন সম্প্ৰদায়ৰ তিৰোতাক লৈ চলোৱা গৱেষণাৰ পৰা প্ৰমাণ পোৱা গৈছে যে, সেই সম্প্ৰদায়ৰ তিৰোতাসকলে অধিক ধূমপান কৰা বাবে তেওঁলোক জৰায়ুৰ কেনছাৰ ৰোগত বেছিকৈ আক্ৰান্ত হয় । ইতিমধ্যে নতুন দিল্লীৰ AIIMS কৰ্তৃপক্ষই এনে গৱেষণাৰ ফলাফলৰ পাছৰে পৰা (যোৱা এপ্ৰিল মাহৰ পৰা) প্ৰতিষ্ঠানটোৰ চৌহদৰ ভিতৰত ধূমপান কৰাটো নিষিদ্ধ বুলি ঘোষণা কৰিছে।

WHO ৰ তথ্য অনুসৰি সমগ্ৰ বিশ্বত স্তনৰ কেনছাৰ ৰোগত যিমান সংখ্যক তিৰোতাৰ মৃত্যু হয়, তাতোকৈ ধূমপানৰ বাবে হাওঁফাওঁৰ কেনছাৰ ৰোগত বেছি তিৰোতাৰ মৃত্যু হয় । WHOৰ তথ্যমতে প্ৰতি ১,০০,০০০ গৰাকী তিৰোতাৰ ভিতৰত ৫২ গৰাকী তিৰোতাৰ ধূমপান কৰাৰ ফলত হাওঁফাওঁৰ কেনছাৰ ৰোগত মৃত্যু হয় । যিসকল ধূমপানকাৰী তিৰোতাই গৰ্ভনিৰোধক বড়ি সেৱন কৰে, সেইসকল তিৰোতাৰ হৃদপিণ্ডৰ ৰোগত আক্ৰান্ত হোৱাৰ সম্ভাৱনা আৰু জৰায়ুৰ কেনছাৰ ৰোগ হোৱাৰ সম্ভাৱনাও ধূমপান নকৰা তিৰোতাতকৈ তিনি গুণে বেছি । তদুপৰি অতিমাত্ৰাই ধূমপানকাৰী তিৰোতাৰ সন্তান জন্ম দিয়াৰ ক্ষমতা ধূমপান নকৰা তিৰোতাতকৈ শতকৰা ২১ ভাগ হ্ৰাস পোৱাৰ সম্ভাৱনা আছে। অৱশ্যে ধূমপানৰ অভ্যাস পৰিত্যাগ কৰিলে সন্তান জন্ম দিয়াৰ ক্ষমতা পুনৰ ঘূৰি অহাৰ সম্ভাৱনা থাকে । অতিমাত্ৰাই ধূমপানকাৰী তিৰোতাৰ মাহেকীয়া ঋতু অনিয়মীয়া হয় আৰু তেওঁলোকৰ মাহেকীয়া ঋতুস্ৰাৱ ধূমপান নকৰা তিৰোতাতকৈ তিনি বছৰৰ আগতে বন্ধ হয়। গৰ্ভৱতী তিৰোতাই ধূমপান কৰিলে ধূমপানৰ ধোঁৱাত থকা কাৰ্বন-মন'ক্সাইড আৰু নিক'টিন গৰ্ভস্থ সন্তানৰ দেহত সোমায়। ইয়াৰ ফলত গৰ্ভস্থ সন্তানৰ দেহলৈ অক্সিজেন বহন ক্ষমতা কমি যোৱাৰ লগতে হৃদপিণ্ডৰ স্পন্দন বৃদ্ধি পায় । তদুপৰি ধূমপানৰ ধোঁৱাত থকা নিক'টিনে মাতৃৰ স্তনৰ গাখীৰতো প্ৰবেশ কৰিব পাৰে। ফলত ধূমপানকাৰী তিৰোতাৰ সন্তানবোৰ নিউম'নিয়া, ব্ৰংকাইটিছ আদি শ্বাসজনিত ৰোগত আক্ৰান্ত হয় । ধূমপানকাৰী তিৰোতাই অকালতে সন্তান প্ৰসৱ কৰে । আৰু সন্তানবোৰৰ ওজন ২০০ৰ পৰা ৩০০ গ্ৰাম কম হয় । ধূমপানকাৰী তিৰোতাৰ ক্ষেত্ৰত গৰ্ভপাতৰ সংখ্যাও বৰ বেছি হয় আৰু তেওঁলোকৰ সন্তানবোৰৰ জন্মৰ পাছতে মৃত্যু হোৱাৰ সম্ভাৱনাও ধূমপান নকৰা তিৰোতাতকৈ বহু বেছি । ধূমপানকাৰী তিৰোতাৰ Osteoporosis নামৰ এক প্ৰকাৰৰ হাড়ৰ ৰোগ হয় আৰু দেহত Oestrogen নামৰ যৌন-হ'ৰম'ন কমি যায়।



OKDISCD



Trikaya.Bl.1.88 ASM REV

OKDISC

# ফুলনিখনৰ গোলাপ কেইজোপা

**অনিল কুমাৰ শৰ্মা**

"আপোনালোকৰ ইয়াত গোলাপবোৰ বৰ ধুনীয়াকৈ ফুলিছে। মই গোলাপ বৰ ভাল পাওঁ। প্ৰত্যেক বছৰেই মন সামৰিব নোৱাৰি কেইজোপামান লগাওঁ। কিন্তু কিয় জানো ৰাখিব নোৱাৰোঁ। প্ৰথম দুবছৰমান বৰ ধুনীয়াকৈ ফুলে, কিন্তু তাৰ পাছতে কেইজোপামান মৰি যায় আৰু বাকীবোৰৰো হয়তো ফুলবোৰ আগৰ দৰে নুফুলা হয়। কেতিয়াবা আকৌ গছজোপা ডাঙৰ হৈ যায় আৰু একেবাৰেই নুফুলা হয়গৈ।"

এনে ধৰণৰ কথা গোলাপ ভাল পোৱা বহুতৰে মুখত প্ৰায়েই শুনিবলৈ পাওঁ। ভাল গোলাপ ফুলৰ বাবে আচল বতৰ শীতকাল আহিব লাগিছে। সেয়েহে যিসকলে গোলাপ ভাল পায়, কিন্তু গোলাপৰ বিষয়ে কিছু সাধাৰণ জ্ঞান আহৰণ কৰিবলৈ সুবিধা পোৱা নাই, সেই সকলৰ বাবে কেইটামান দৰকাৰী কথা লিখিলো।

আমাৰ ইয়াত সাধাৰণতে ফুলনিত যিবিধ গোলাপ ফুল দেখিবলৈ পাওঁ, এইবিধ গোলাপৰ গছ প্ৰায় ৩-৪ ফুট ওখ আৰু জোপোহা হয়। ফুলৰ ৰং ৰঙা, গোলাপী, আৰু বগা। ই প্ৰায় গোটেই বছৰেই ফুলি থাকে। এই বিধ গোলাপৰ বেছি যত্নও লৈ থাকিব নালাগে। কিন্তু যত্ন ললে সেইবোৰো বেছি ভাল হয়। ডাল কাটিয়েই (cutting) গছৰ সংখ্যা বঢ়াব পাৰি। এই গোলাপৰ ডালেপ্ৰতি কেইবাপাহোকৈ ফুল ফুলে কাৰণে ইয়াক ফ্লৰিবুণ্ডা (Floribunda) শ্ৰেণীৰ গোলাপ বুলি কোৱা হয়।

সাধাৰণতে গোলাপক দুভাগত ভগাব পাৰি ঃ ফুলনিৰ গোলাপ আৰু বনৰীয়া গোলাপ। কিন্তু বৰ্তমানৰ বিজ্ঞানৰ যুগত মূল গোলাপৰ লগত ইমানবোৰ সংযোগসাধন কৰা হৈছে যে প্ৰত্যেকৰে প্ৰধান বৈশিষ্ট্যসমূহ চাইহে সেইবোৰৰ শ্ৰেণী-বিভাগ কৰা হৈছে। আমি ইয়াত এইবোৰ কথাৰ ভিতৰলৈ বৰ বেছিকৈ নোসোমাওঁ ; কেৱল আমাৰ বজাৰত সাধাৰণতে কি কি গোলাপ পোৱা যায় আৰু আমি ন-শিকাৰুৱে সেইবোৰৰ কেনেকৈ যত্ন লব লাগে, তাকে থূলমূলকৈ আলোচনা কৰিম।

বিভিন্ন ৰঙৰ, সুন্দৰ, ডাঙৰ আকৃতিৰ, সাধাৰণতে ডালে প্ৰতি এপাহকৈ ফুল ফুলা যিবোৰ গছ আমি দেখিবলৈ পাওঁ, সেইবোৰক হাইব্ৰিড টি (Hybrid tea) শ্ৰেণীৰ গোলাপ বুলি কোৱা হয়। এই শ্ৰেণীৰ গোলাপ চাপৰ আৰু জোপোহা হয়। সাধাৰণতে আমাৰ ইয়াত নৱেম্বৰৰ পৰা মাৰ্চ মাহমানলৈহে ফুলবোৰ বেছ ধুনীয়া হৈ ফুলে ; —বাৰিষা ফুলবোৰ বৰ ভাল নহয়। এইবোৰ গছৰ বেছিভাগেই "কোঁহ ধৰাই" (budding) উৎপন্ন কৰা হয়। বনৰীয়া গোলাপ গছৰ ডালত ভাল গোলাপৰ কোঁহ (bud) এটা জোৰা লগোৱা হয়। এই বনৰীয়া গোলাপ গছবোৰৰ ফুল নুফুলে ; কিন্তু এইবোৰৰ শিপাৰ পৰিমাণ বেছি বাবে গছবোৰ বেছি শক্তিশালী হয়।

এনেকৈ উৎপন্ন কৰা গোলাপৰ গছ যিকোনো পাত্ৰ বা মাটিতো ৰুব পাৰি। কিন্তু ইয়াক বচাই ৰাখিবলৈ বেমাৰৰ প্ৰতিকাৰৰ বাহিৰেও আন এটা অতি প্ৰয়োজনীয় কথালৈ লক্ষ্য ৰাখিব লাগে। বনৰীয়া গোলাপৰ গুৰিটোৱে (root stock) সদায় লহপহকৈ বাঢ়ি আহিবলৈ চেষ্টা কৰি থাকিব, আৰু ভাল গোলাপ সংযোজন কৰা অংশৰ তলৰ গা-গছৰ পৰা বা মাটিৰ তলত থকা শিপাৰ পৰা বনৰীয়া জোপাৰ ডাল কিছুমান ওলাই আহিব। এইবোৰ দেখাত মিহি পাত থকা লতা-গোলাপৰ নিচিনা। এইবোৰৰ ঘন-ঘনকৈ কাঁইট থাকে, পাতৰ ৰং পাতল আৰু কেতবোৰৰ পাতবোৰ খহটা। এই ডালবোৰক ডাঙৰ হ'বলৈ দিলে সিহঁতে পাছলৈ আচল গছজোপা মাৰি পেলায়। সেই কাৰণে এইবোৰলৈ ভালকৈ মন কৰি থাকিব লাগে আৰু বাঢ়ি আহিলে এইবোৰ গুৰিতে ছিঙি দিব লাগে।

আন এবিধ গোলাপৰ ফুলবোৰ 'হাইব্ৰিড টি'ৰ ফুলতকৈ সৰু, কিন্তু ধুনীয়া থোপা হৈ ফুলে। এই শ্ৰেণীৰ গোলাপক 'ফ্লৰিবুণ্ডা' (Floribunda) আখ্যা দিয়া হৈছে। এই শ্ৰেণী গোলাপৰ গছজোপা জোপোহা আৰু ফুল প্ৰচুৰ পৰিমাণে ফুলে।

ইয়াৰ উপৰিও বিভিন্ন ৰঙৰ "মিনিয়েচাৰ" শ্ৰেণীৰ গোলাপৰ গছো পোৱা যায়। এই বিধ সাধাৰণতে ১৫ ছেণ্টিমিটাৰ-মানহে ওখ হয়।

কিছুমান লতা গোলাপৰো ফুল আৰু পাত বেচ শুৱনি।

আমাৰ ইয়াৰ ভৈয়ামত, বিশেষকৈ বাৰিষা, মাটিৰ তলৰ জলপৃষ্ঠ (water table) বেছ ওখ হোৱা বাবে গোলাপ ৰোৱা ঠাইখিনি ওখ কৰি লব লাগে,—যাতে মাটিৰ তলৰ পানীয়ে শিপাবোৰ চুব নোৱাৰে। পানীত ডুবিলে উশাহ নোপোৱা আৰু বেমাৰে ধৰাৰ ফলত গছবোৰ মৰি যায়। ছাঁ পৰা আৰু পানী বন্ধ হৈ থকা খাৰুৱা মাটিতো গোলাপ ভাল নহয়।

দ্বিতীয়তে, ঠাইডোখৰ মুকলি আৰু ৰ'দ-বতাহ ভালকৈ লগা হ'ব লাগে। পাত্ৰত ৰুলেও পাত্ৰৰ তলিৰ ফুটাটো চোকা কটাৰীৰ আগেৰে প্ৰায় এক ইঞ্চিমান ডাঙৰ কৰি লব লাগে যাতে সেইটো বন্ধ হোৱাৰ কাৰণে পানী বন্ধ হ'ব নোৱাৰে। বেছিভাগ গছ পানী বন্ধ হোৱাৰ বাবেই মৰা দেখা যায়।

গোলাপৰ বাবে বালিচহীয়া মাটিত পুখুৰী বা বিলৰ মাটি কিছু মিহলাই ললে ভাল ফল পোৱা যায়। মাটিখিনিত সামান্য অম্লভাব থকা প্ৰয়োজন ; কিন্তু অম্লতা বেছি হ'লে অলপ চূণ ছটিয়াই লব লাগে। ইটা তৈয়াৰ কৰিবলৈ ব্যৱহাৰ কৰা মাটিও গোলাপৰ বাবে ভাল। মাটিডৰাত প্ৰথমে ডবল কোৰ মাৰি লৈ ৪ ইঞ্চিমান (১০ ছে মি) ওখকৈ পুৰণা পচা গোবৰ, লগত পচন আৰু পাতসাৰ, ছুপাৰ ফছফেট, পোৰামাটি, ছাই আৰু এণ্ডাৰৰ গুড়ি, অলপ চূণ, এমনিয়াম ছালফেট বা ইউৰিয়া, হাড়ৰ গুৰি, খলিহে আৰু এলড্ৰিন পাউডাৰ মিহলাই ললে অতি উত্তম হয়।

পাত্ৰত ৰুবলৈও এনেধৰণৰ মাটি তৈয়াৰ কৰি লৈ মাটিখিনি ১৫-২০ দিন তিনি-চাৰি বাৰমান তল-ওপৰ কৰি ৰ'দত থাকিবলৈ দিব লাগে। তাৰ পাছতহে ব্যৱহাৰ কৰিলে ভাল হয়।

গছ কিনিবৰ সময়ত মন কৰিব লগীয়া কথাবোৰ হ'ল ঃ

(১) কোঁহ ধৰাই কৰা (budded) গোলাপৰ যাতে সংযোজন অংশৰ ওপৰত কমেও দুটা শক্তিশালী ডাল থাকে।

(২) গছজোপা যাতে স্বাস্থ্যবান হয় আৰু নিৰোগী হয়।

(৩) গছজোপাৰ যাতে যথেষ্ট পৰিমাণে শিপা থাকে। গছ সদায় নিৰ্ভৰযোগ্য, সুপ্ৰতিষ্ঠিত নাৰ্ছাৰিৰ পৰাহে কিনা উচিত। কিছুমান নাৰ্ছাৰিৰ ক্ষেত্ৰত প্ৰায়েই ঠগ খোৱাৰ সম্ভাৱনা থাকে।

## ৰুবৰ সময়ত লবলগীয়া যত্ন

(১) গছজোপাৰ কুমলীয়া আৰু ভিতৰমুৱা হৈ সোমাই অহা ডালবোৰ বাহিৰৰ পিনে মুখ কৰি থকা পাত-কলিৰ (bud) ওপৰত কাটি দিব লাগে,—যাতে গছজোপা জোপোহা হৈ উঠে।

(২) ফুল বা ফুলৰ কলি থাকিলে ওপৰত কোৱাৰ দৰে তিনিটামান পাতৰ তলত কাটিব আৰু বেছিভাগ পাত কাটি পেলাব।

(৩) বেছি দীঘল হৈ থকা, ওপৰলৈ মুখ কৰি থকা আৰু আঘাত পোৱা শিপাবোৰ কাটি পেলাব। শিপা শুকাই থাকিলে গছজোপা পানীত দুঘণ্টামান ডুবাই লব।

(৪) ভেঁকুৰৰ (fungus) আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ বৰডো মিক্সাৰ (Bordeaux mixture) ২৫০ গ্ৰাম বা কপাৰ ছালফেট ৩০ গ্ৰাম ১০ লিটাৰ পানীত মিহলাই গোটেই গছজোপা তাত কিছুপৰ ডুবাই থব।

ৰুবৰ সময়ত চাব যাতে শিপাবোৰ চাৰিওপিনে মেলখাই থাকে। শিপাবোৰ একগোটকৈ বা কিছু ওপৰমুৱাকৈ ৰুলে সেইবোৰ ভালদৰে বাঢ়িব নোৱাৰে আৰু ফলত গছৰ অনিষ্ট হয়। গছ ৰোৱাৰ পাছত চাৰিওপিনৰ মাটিখিনি অলপ হেঁচি দিব লাগে যাতে মাজত ফাঁক নাথাকে। তাৰ পাছত ভালকৈ পানী দি গছজোপাক পাৰিলে কেইদিনমান ছাঁ দিব লাগে। পাত্ৰত ৰুলে নতুনকৈ পোখা নোলোৱালৈকে ছাঁত ৰাখিব পাৰিলে ভাল।

গোলাপৰ নিশকতীয়া আৰু পুৰণি ডালবোৰ বছৰি কাটি নাথাকিলে (pruning) ভাল ফুল আশা কৰিব নোৱাৰি। আমাৰ ইয়াত দেৱালীৰ আগে-আগে প্ৰুনিং কৰাটো উত্তম ব্যৱস্থা।

ভালকৈ যত্ন লৈ নাথাকিলে বহুধৰণৰ বেমাৰ, পোক আদিয়ে গোলাপৰ অনিষ্ট কৰে।

পোক তিনি ধৰণৰ আছে ঃ গা-গছ শুহি খোৱা, পাত খোৱা আৰু শিপা খোৱা পোক। শুহি খোৱা আৰু গছৰ ডালত ফুটা কৰি সোমাই খোৱা (borer) পোকবোৰৰ কাৰণে systemic type দৰব (যেনে Furadon) প্ৰয়োজন অনুসাৰে গছৰ গুৰিত দিব লাগে। এই দৰব শিপাই গা-গছলৈ টানি নিয়ে।

পাত খোৱা পোকৰ বাবে contact type ঔষধ (যেনে Malathion, Rogor, B. H. C. ইত্যাদি) ব্যৱহাৰ কৰিব পাৰি।

শিপাৰ পোকৰ বাবেও B. H. C. ব্যৱহাৰ কৰিব পাৰি।

গোলাপৰ বেমাৰৰ ভিতৰত ভেঁকুৰৰ পৰা হোৱা বেমাৰ (যেনে Blackspot, Mildew, Rust আদি) বেছিকৈ হোৱা দেখা যায়। কেপটান, বৰডো মিক্সাৰ আৰু লাইম ছালফাৰ নামৰ ঔষধে এনে বহুতো ৰোগ নাশ কৰে।

কিন্তু গোলাপৰ গুৰিত পানী জমা নহ'লে, গছজোপাই, ৰ'দ-বতাহ ভালদৰে পাই থাকিলে আৰু সিহঁতৰ যত্ন লৈ থাকিলে বেমাৰ হোৱাৰ আশংকা বহু পৰিমাণে কমে।

**খাদ্য ঃ** গোলাপক পানী যথেষ্ট পৰিমাণে লাগে ; কিন্তু গছৰ গুৰিত পানী জমা হ'ব নালাগে। অক্টোবৰ-নৱেম্বৰত ডেৰ-দুই বছৰীয়া গছক আধা মুঠি পৰিমাণৰ ব'নমিল (হাড়ৰ গুড়ি) বা মাছৰ গুড়ি, ইয়াৰ দহ-বাৰ দিনমানৰ পাছত গছৰ গুৰিত নলগাকৈ গছেপ্ৰতি ডাঙৰ চামুচেৰে এচামুচ N. P. K. আৰু পাছত কিছু পাতসাৰ, পুৰণি পচা গোবৰ ইত্যাদি দিলে ভাল ফল পোৱা যায়। মাৰ্চ-এপ্ৰিলত আকৌ এচামুচ N. P. K. দিলে ভাল। গছ ডাঙৰ হ'লে পুৰণা গোবৰ, পাতসাৰ ইত্যাদি দি থাকিলে যি শ্ৰেণীৰ গছ ৰোৱা হয়, সেই শ্ৰেণীৰে ফুলে গৃহস্থক আনন্দ দিব।


**অসম প্ৰকাশন পৰিষদৰ মূল্যবান গ্ৰন্থৰাজি**

**লোককল্প দৃষ্টি —**

**নীলমণি ফুকন**

কোনো সমাজৰ বা বিশেষ শ্ৰেণীৰ অথবা কোনো নিৰ্দিষ্ট গোষ্ঠীৰ জীৱন-চৰ্যাৰ লগত লোক-শিল্প তথা লোক-সংস্কৃতি—অঙ্গাঙ্গীভাৱে যুক্ত। "লোক কল্প দৃষ্টি" অসমৰ লোকশিল্পকলা অধ্যয়নৰ এটি বিশিষ্ট ভূমিকা স্বৰূপ। নৃতাত্ত্বিক, সামাজিক আৰু নান্দনিক দৃষ্টিকোণৰ পৰা অসমৰ লোক শিল্পকলাৰ স্বকীয় বৈশিষ্ট্য গ্ৰন্থখনিত বিবৃত হৈছে। কাৰু আৰু চাৰু শিল্পৰ অপূৰ্ব্ব সমন্বয় ঘটা বহুৰঙী আলোকচিত্ৰসমূহ গ্ৰন্থখনিৰ অন্যতম বৈশিষ্ট্য।

মূল্য—১০০ .০০ টকা

**গ্ৰন্থ পঞ্জী**

ডেৰশ বছৰৰ অসমীয়া সংস্কৃতিত এভুমুকি (২য় সংস্কৰণ)
ড. বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ১০.০০
পদাৰ্থ বিজ্ঞানৰ নৱতম বিকাশ
ড. কিশোৰী মোহন পাঠক ১০.০০
কথা ৰামায়ণ
মূল ঃ চক্ৰবৰ্তী ৰাজাগোপালচাৰী
অনুবাদ ঃ লক্ষেশ্বৰ শৰ্মা ২০.০০
কথা মহাভাৰত
মূল ঃ চক্ৰবৰ্তী ৰাজাগোপালচাৰী
অনুবাদ ঃ মহাদেব শৰ্মা ২০.০০
ওডিছী (৩য় সং) মূল ঃ হোমাৰ
অনুবাদ ঃ অমূল্য চক্ৰবৰ্তী ২৫.০০
মেক্সিম গোৰ্কি মূল ঃ মেক্সিম গোৰ্কি
অনুবাদ ঃ সদা মৰল ১৫.০০

আপোনাৰ কপিৰ বাবে—
অসম প্ৰকাশন পৰিষদৰ বিক্ৰী কেন্দ্ৰত (লয়াৰ্ছ বিল্ডিং পাণবজাৰ, গুৱাহাটী) খবৰ কৰক। নাইবা আমালৈ লিখক।

সচিব
অসম প্ৰকাশন পৰিষদ
গুৱাহাটী—২১


OKDISCD

# ঐতিহাসিক দৃশ্যকল্প ঃ

# অৰণ্যৰ পৰা তেল নগৰীলৈ

ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী

**১৮২৫, ছেপ্টেম্বৰ ঃ দিহিং নদীৰ পাৰত**

নাৱৰ বঠাৰ চটপ-চটপ শব্দৰ বাহিৰে সেই নিশ্ছিদ্ৰ ঘন-জংগলৰ মাজেৰে বৈ যোৱা বুঢ়ীদিহিং নদীৰ আৰু কোনো শব্দ নাই। নিৰ্জন দুই পাৰৰ পৰা নদীৰ প্ৰায় সোঁমাজলৈ হাউলি পৰা অচিন গছ আৰু বনৰীয়া লতাৰ ডাঠ আৱৰণৰ বাবে এই শেষ আবেলিও নদীপৃষ্ঠ প্ৰায় অন্ধকাৰ; যেন নদী নহয়, এটা ছায়াঘন সুৰংগৰ মাজেৰেহে সোঁ-সোঁ শব্দেৰে নাওখন আগবাঢ়ি গৈ আছে। ঘন সেউজীয়া গছৰ পাতৰ সুৰুঙাৰ মাজেৰে মাজে-মাজে মাথো ওপৰলৈ মূৰ তুলি চালে দৃশ্যমান হয় আবেলিৰ ৰ'দ পৰি স্বৰ্ণাভ হৈ উঠা শৰতৰ আকাশৰ খণ্ডিত টুকুৰা।

হাতত দুনলীয়া বন্দুক এটা লৈ নাৱৰ ওপৰত বহি আছে প্ৰায় চাৰে ছফুট ওখ, বলিষ্ঠ, পেশীবহুল বৃটিছ চাহাব লেফটেনেন্ট উইলকক্স (Leut. R. Wilcox)। ছাৰ্টৰ পকেটৰ পৰা টাইমপিছটো উলিয়াই উইলকক্সে চালে—তিনি বাজি চল্লিছ মিনিট।

আজি মাথো দুদিন আগতে বংগৰ ৰাজ্যপালৰ পৰা সামৰিক বিষয়া উইলকক্সে নিৰ্দেশ পাইছে—শদিয়াৰ পৰা মাৰ্ঘেৰিটালৈকে এই বিস্তৃত অঞ্চলজুৰি বসবাস কৰা চিংফৌ, খামটি আৰু ফাকিয়ালসকলৰ বিষয়ে কিছু তথ্য সংগ্ৰহ কৰি তৎকালে প্ৰেৰণ কৰিবলৈ। আইন-শৃংখলাৰ ফালৰ পৰা ফাকিয়াল আৰু খামটিসকলক লৈ উইলকক্স বিশেষ চিন্তান্বিত নহয়; কিন্তু চিংফৌসকল যেন ঠিক সহজতে সেও মনা বিধৰ নহয়; যুদ্ধ-বিগ্ৰহ, হাই-কাজিয়া যেন তেওঁলোকৰ এক সহজাত প্ৰবৃত্তি। দেখাতো তেওঁলোক তুলনামূলকভাৱে দীৰ্ঘদেহী, শক্তিমান আৰু খেলুৱৈসুলভ। অৱশ্যে যোৱা কেইটামান মাহত উইলকক্সে যিখিনি তথ্য সংগ্ৰহ কৰিছে তাৰ পৰা এটা কথা প্ৰতীয়মান হৈছে যে কানি আৰু এক প্ৰকাৰৰ দেশীয় পানীয়ৰ নিচাত এই স্বাধীনচিতীয়া গোষ্ঠীটোৰো শৌৰ্য-বীৰ্য আৰু আত্মবিশ্বাস ধীৰে-ধীৰে ক্ষয় হৈ আহিছে।

চলমান নাৱৰ ওপৰৰ পৰা এক দৃষ্টিৰে অলৌকিক সৌন্দৰ্যৰে ভৰা অটব্য অৰণ্যলৈ চাই আছে উইলকক্সে। আৰণ্যক নিৰ্জনতা ভংগ কৰিছে বঠাৰ চটপ-চটপ শব্দ আৰু বনৰীয়া পখীৰ কলৰৱে। মাজে-মাজে অদূৰৰ জংগলৰ পৰা ভাঁহি আহিছে খৰ খৰ-মৰ মৰ শব্দ; —কিজানি বনৰীয়া হাতীৰ জাক পানীৰ সন্ধানত অৰণ্যগৰ্ভৰ পৰা ওলাই আহিছে নদীৰ পাৰলৈ। প্ৰকাণ্ড একোটা মহে আহি হঠাতে কাণৰ কাষত ভুন-ভুন কৰিছে।

প্ৰায় দুঘণ্টা ধৰি একেৰাহে যোৱাৰ পাছত উইলকক্সে সংগীবৃন্দক নাও ৰখাবলৈ নিৰ্দেশ দিলে। হাতত বন্দুকটো লৈ নাৱৰ পৰা লাহে-লাহে নামি গ'ল উইলকক্স। এই কিজানি প্ৰথম সেই নিৰ্জন অৰণ্যৰ মাটিত কোনো মানুহৰ ভৰিৰ খোজ পৰিছে। ভিতৰলৈ যাবৰ কোনো উপায় নাই; সন্মুখত প্ৰাচীৰৰ দৰে থিয় হৈ আছে সুবৃহৎ গছ, লতা, বন। গছৰ ওপৰৰ পৰা থপকৈ তেওঁৰ টুপীৰ ওপৰত কিবা এটা পৰিল। মূৰৰ পৰা টুপীটো খুলি লৈ উইলকক্সে দেখিলে—প্ৰায় আঠ ইঞ্চি দীঘল সেউজীয়া জোক এডালে লিউ-লিউকৈ বগা টুপীৰ ওপৰত নাচি আছে। এই অঞ্চলৰ ৰক্তপিপাসু, ভয়ংকৰ জোকৰ কথা উইলকক্সে শুনিছে। শিৰশিৰাই গ'ল উইলকক্সৰ শৰীৰ।

সোঁফালে উভালি পৰা প্ৰকাণ্ড গছ এজোপাৰ তলত বহল পিতনি এটা; পচি যোৱা গছৰ পাত, জলজ উদ্ভিদৰ এক অবৰ্ণনীয় মিশ্ৰিত গোন্ধ পিতনিৰ পৰা উঠি আহি উইলকক্সৰ নাকত লাগিল। কজলা, সেউজীয়া ডাঠ আৱৰণ এটা পিতনিৰ ওপৰত। হাতেৰে চুই চালে উইলকক্সে—সামান্য পিচল, এঠা-এঠা। শুঙি চালে—এটা চিনাকি সুতীব্ৰ গোন্ধ।

১৮২৫ চনৰ ছেপ্টেম্বৰ মাহৰ সেই শৰতৰ সন্ধিয়া লেফটেনেন্ট উইলকক্সে ডায়েৰিত লিখিলে—উজনি অসমৰ বুঢ়ীদিহিং নদীৰে, নাৱেৰে উজাই যাওঁতে চুপখণ্ডৰ ওচৰৰ পিতনি এটাত দেখিলো প্ৰচণ্ড বুৰবুৰনিৰে গেছ আৰু সেউজ বৰণীয়া পেট্ৰলিয়াম ওপৰলৈ উঠি আছে।

**১৮৬৫ ঃ কলিকাতাৰ পৰা নাহৰপুং**

কলিকাতা নগৰীৰ হুগলী নদীৰ পাৰে-পাৰে, গ্ৰেট ট্ৰাংক ৰোডৰ দক্ষিণ-পশ্চিম ফালে বিশাল বাগানেৰে পৰিবেষ্টিত শাৰী-শাৰী ঘৰবোৰ আছুতীয়াকৈ ৰখা হৈছে শ্বেতাংগসকলৰ বাবে। তাৰেই কোনোবা এটা পুৰণি কাঠৰ ঘৰত থাকিবলৈ লৈছে মেকিলপ ষ্টুৱাৰ্ট এণ্ড কোম্পানিৰ কৰ্মচাৰী মি গুডেনআও (Mr. Goodenough)। ঘৰৰ পৰা ওলাই বাঁওফালে ঘূৰিলেই প্ৰশস্ত কৰ্ট হাউছ ষ্ট্ৰিট; আৰু অলপ দক্ষিণ ফালে শাৰী-শাৰী বৃক্ষৰ ছায়াত কলিকাতা নগৰীৰ মধ্যমণি চৌৰংগী, সন্মুখত যুদ্ধ-বিগ্ৰহ, কুচ-কাৱাজৰ বাবে ৰখা এছপ্লানেড নামৰ বহল খোলা পথাৰ।

নেটিভসকলে এতিয়াও যাবলৈ ভয় কৰা চৌৰংগী অঞ্চলৰ গলিৰ দুইকাষে শাৰী-শাৰীকৈ থিয় হৈ আছে শ্বেতাংগৰ অফিছ আৰু ব্যৱসায়ৰ ঘৰসমূহ। তাৰে এটা অফিছৰ সন্মুখত দুপৰীয়া পূৰ্ব-নিৰ্ধাৰিত সময় মতে এদিন উপস্থিত হ'ল মি গুডেনআও। অফিছৰ বাহিৰত জিঅ'ল'জিকেল ছাৰ্ভে অৱ ইণ্ডিয়াৰ নামফলক। খট-খটকৈ আগবাঢ়ি গ'ল গুডেনআও। ৰ'দত চিকমিকাই আছে তেওঁৰ তাৰুণ্যৰ দীপ্ত ৰঙচুৱা শৰীৰ, দীৰ্ঘ ঋজু দেহ, মেদবিহীন; —স্প্ৰিঙৰ দৰে প্ৰতিটো খোজতে উঠা-নমা কৰিছে তেওঁৰ দুহাতৰ বাইছেপ, দুচকুত তৰোৱালৰ দৰে শানিত দৃষ্টি।



সুদীৰ্ঘ, প্ৰশস্ত কৰিডৰেৰে আগবাঢ়ি গৈ একেবাৰে শেষৰ কেবিনটোৰ সন্মুখত খন্তেকৰ বাবে গুডেনআও থমকি ৰ'ল। বাহিৰৰ ব্ৰঞ্জৰ ফলিত সোণালী, গোট-গোট আখৰেৰে লিখা আছে—মি এইচ. বি. মেডলিকট (Mr. H. B. Medlicott)। দুৱাৰ ৰক্ষীয়ে দুৱাৰ খুলি দিলে। ভিতৰত মুখত পাইপ এটা লৈ তপামুৰৰ মেডলিকট চাহাব বহি আছে চিন্তামগ্ন হৈ। সন্মুখৰ সুবিশাল কাঠৰ টেবুলত কেইবাখনো মেপ আৰু কেইবাটাও ফাইল।

এক মিনিট সময়ো অযথা নষ্ট নকৰি মেডলিকটে এবাৰ মেপ আৰু এবাৰ ফাইল উলিয়াই উৎসাহেৰে গুডেনআওক বুজাবলৈ আৰম্ভ কৰিলে,—মই যে কৈছিলো তোমাক, এয়া, ভাৰতবৰ্ষৰ একেবাৰে পুব দিশত উজনি অসম। যোৱা বছৰ মই এই দুৰ্গম অঞ্চলত বেচ কিছুদিন কটাই আহিছোঁ। যথেষ্ট তথ্য সংগ্ৰহ কৰিছোঁ; মোৰ দৃঢ় বিশ্বাস হাবি-জংগল, বাঘ-হাতীৰে ভৰা এই ৰহস্যময় ঠাইখন তেলৰ সাগৰত ওপঙি আছে। মই ভাবোঁ, অতি সোনকালে উজনি অসমত তেলৰ খাদ খান্দিবলৈ আৰম্ভ কৰি দিব লাগে।

গুডেনআৱে তীক্ষ্ণ দৃষ্টিৰে মেডলিকট চাহাবৰ উচ্ছ্বসিত মুখৰ ফালে চালে আৰু মনে-মনে ভাবিলে—এই তপামুৰীয়া মানুহজনে কোৱাৰ দৰে যদি অসমত তেল আছে, তেনেহ'লে ইয়াতকৈ ডাঙৰ আৰু সম্ভাৱনাপূৰ্ণ ব্যৱসায় এই সময়ত আৰু একোৱেই হ'ব নোৱাৰে।

তাৰ মাত্ৰ কিছুদিন পাছত, ১৮৬৫ চনৰ শেষৰ ফালে উজনি অসমৰ জয়পুৰ অঞ্চলৰ নাহৰপুঙত দিহিং নদীৰ পাৰৰ গভীৰ অৰণ্যত কেইজনমান গাঁওবাসীয়ে সবিস্ময়ে লক্ষ্য কৰিলে এটা তম্বু; তম্বুৰ সন্মুখত হাফপেন্ট পিন্ধি যিজন ৰঙচুৱা চাহাবে খোজকাঢ়ি ইফাল-সিফাল কৰি আছে, তেৱেঁই হ'ল কলিকাতা নগৰীৰ চৌৰংগীত দেখা পোৱা মি গুডেনআও চাহাব।

**১৮৬৬, নৱেম্বৰ ঃ অসফল আৰম্ভণি**

নাহৰপুঙৰ অটব্য অৰণ্য নৱেম্বৰ মাহৰ ভৰ দুপৰতো যেন অন্ধকাৰময়। নিশ্ছিদ্ৰ অৰণ্যত বেলিৰ পোহৰৰ বাবেও সুৰুঙা নাই।

তম্বুৰ পৰা অলপ আঁতৰত গছ-বন কাটি মুকলি কৰা ঠাইত উত্তেজিত মি গুডেনআও। সন্মুখত কেইবাজনো নেটিভ। অদ্ভুত, দুৰ্বোধ্য ভাষা আৰু হাতৰ ভংগীমাৰে গুডেনআৱে কি জানো বুজাবলৈ আপ্ৰাণ চেষ্টা চলাইছে। গুডেনআওৰ ৰঙচুৱা শৰীৰত মহ'ৰ কামোৰৰ ৰঙা-ৰঙা দাগ। লিউ-লিউকৈ বনৰ ওপৰেৰে মানুহৰ শৰীৰৰ ঘ্ৰাণ লৈ আগবাঢ়ি আহিছে জোকৰ জাক। বিশাল বৃক্ষৰ আলম লৈ চৌপাশ মকৰাজালৰ দৰে ছানি ধৰা বনৰীয়া অচিন লতিকাৰ পৰা থপ-থপকৈ তললৈ সৰি পৰিছে বৰ্ণময় ৰক্তপিপাসু দীঘল-দীঘল জোক আৰু বিষাক্ত পোক। এই শীতৰ সময়তো গুডেনআওৰ কপালত বিন্দু-বিন্দু ঘাম।

খনিজ তেলৰ এক অনাবিষ্কৃত বিশাল ভাণ্ডাৰৰ স্বপ্ন দেখা গুডেনআৱে জন্মস্থানৰ পৰা হাজাৰ-হাজাৰ মাইল দূৰৈৰ ভাৰতবৰ্ষৰ এচুকৰ এক অগম্য অৰণ্যৰ মাজত খান্দিবলৈ আৰম্ভ কৰিছে এই অঞ্চলৰ

প্ৰথম তৈল খাদটো। খাদ নহয় যেন এটা গভীৰ পুখুৰী। যন্ত্ৰ-পাতিৰ কোনো সহায় নোলোৱাকৈয়ে গুডেনআওৰ নিৰ্দেশ আৰু প্ৰেৰণাত দিনৰ পাছত দিন কেইবাজনো অনিচ্ছুক নেটিভ ব্যস্ত হৈছে খাদটো খন্দাত।

জুখি চালে গুডেনআৱে খাদৰ গভীৰতা। ১০২ ফুট। নাই গেছ অথবা খনিজ তেলৰ কোনো সন্ধান নাই। 'হতাশ হোৱাৰ কাৰণ নাই। ইয়াত তেল আছে। আমি যিকোনো প্ৰকাৰে বিচাৰি উলিয়াবই লাগিব'—গুডেনআৱে বুজাবলৈ চেষ্টা কৰিছে।

**১৮৬৭, ২৬ মাৰ্চ : মাকুম-নামদাং বনাঞ্চলত**

ঠিক এই সময়ত কিজানি সাত সাগৰ তেৰ নদীৰ সিপাৰৰ ইংলেণ্ডৰ মি গুডেনআওৰ কাঠেৰে নিৰ্মিত দুমহলীয়া ঘৰৰ সন্মুখৰ ৰাস্তাত নিঃশব্দে জিৰ-জিৰকৈ বৰফ পৰিছে। স্বদেশত থকা হ'লে হয়তো জানুৱাৰি মাহৰ ঠেঁটুৰা লগা শীতৰ এই সন্ধিয়া গুডেনআৱে ভৰিলৈ ওলমি পৰা অ'ভাৰকোট, মুৰত ইংৰাজ টুপী পিন্ধি ওলাই গ'লহেঁতেন ঘৰৰ পৰা মাত্ৰ দুশ হাত আঁতৰৰ সান্ধ্যবাৰ খনলৈ ; ফায়াৰ প্লেছৰ কাষত বহি বন্ধুবৰ্গৰ সৈতে হাতত তুলি ললেহেঁতেন স্কটচৰ ৰঙীন গিলাছ।

তাৰ বিপৰীতে এই সন্ধিয়া স্বদেশৰ পৰা কত হাজাৰ মাইল দূৰৈৰ গভীৰ অৰণ্যৰ মাজৰ তম্বুৰ তলত বহি গুডেনআৱে উলিয়াই লৈছে কলিকাতাৰ মেডলিকট চাহাবৰ পৰা লৈ অহা মেপ আৰু ফাইল। স্বপ্নই যাৰ বুকুত এবাৰ বাঁহ সাজে, তাৰ বাবে ৰং-ধেমালি, আৰামৰ অৱকাশ নাই। মেডলিকট চাহাবে চৰকাৰৰ ওচৰত দাখিল কৰা ৰিপ'ৰ্টখন গুডেনআৱে আকৌ এবাৰ গভীৰ মনোযোগেৰে পঢ়ি গ'ল। বাৰে-বাৰে মেডলিকট চাহাবে মাকুম-নামদাঙৰ ওচৰত খনিজ তেলৰ প্ৰচুৰ সম্ভাৱনাৰ কথা উল্লেখ কৰিছে।

নাহৰপুঙৰ ব্যৰ্থতাই প্ৰচণ্ড আত্মবিশ্বাসী গুডেনআওক কিঞ্চিৎমানো নিৰাশ কৰা নাই ; বৰঞ্চ কৰি তুলিছে দুগুণ জেদী। সেয়েহে আৰু এক অভিযানৰ প্ৰস্তুতি হিচাপেই গুডেনআৱে যোৱা ছমাহত সংগ্ৰহ কৰিছে বিভিন্ন যন্ত্ৰ-পাতি, আমদানি কৰিছে মাথাৰ এণ্ড প্লাট (Mather and Platt) ভাপ ইঞ্জিন।

এইবাৰ, অটব্য অৰণ্য ভেদি বৈ যোৱা নামদাং নদীৰ উত্তৰ-পশ্চিমে মাকুম বনাঞ্চলৰ লোকালয়বিহীন ঠাইত দৃশ্যমান হ'ল গুডেনআওৰ তম্বু। গছ-গছনি কাটি মুকলি কৰা হৈছে ভালেখিনি ঠাই ; অৰণ্য-পথেৰে ভাৰাতীয়া হাতীয়ে চোঁচোৰাই আনিছে ভাপ ইঞ্জিন, গধুৰ লোহাৰ পাইপ। পুনৰ ইঞ্জিনৰ ঘৰ-ঘৰ শব্দৰে মুখৰিত হৈ উঠিল অৰণ্য। এইবাৰো প্ৰথম খাদত তেলৰ কোনো সন্ধান নাই।

স্বপ্ন সফল নহয় মানে প্ৰতিজ্ঞাবদ্ধ গুডেনআও চাহাব বিৰামবিহীন। সেই একেই অঞ্চলতে আৰম্ভ কৰা হ'ল দ্বিতীয় খাদটো। এডাল-দুডালকৈ লোহাৰ পাইপ প্ৰৱেশ কৰিছে ধৰিত্ৰীৰ গৰ্ভত। খাদৰ গভীৰতা যিমানেই বাঢ়িছে, সিমানেই বাঢ়িছে অভিব্যক্তিবিহীন গুডেনআওৰ চেপি ৰখা উত্তেজনা।

অৱশেষত ১৮৬৭ চনৰ ২৬ মাৰ্চত মাত্ৰ ১১৮ ফুট গভীৰতাত গুডেনআৱে সন্ধান পালে ইমান দিনে বিচাৰি ফুৰা ব্লেক গ'ল্ডৰ ; —খনিজ তেলৰ।

আৱিষ্কাৰৰ আনন্দ গুডেনআৱে পালে ; নাপালে ব্যৱসায়িক সফলতা। অৰণ্যময় অসমৰ অগম্য পথৰ বাবেই আৱিষ্কৃত তেলো পৰি ৰব লগীয়া হ'ল মাকুম-নামদাং বনাঞ্চলৰ গভীৰ অৰণ্যত।

**১৮৮১, ৩০ জুলাই : সৰ্বজনবন্দিত চিকিৎসকজন**

ব্ৰহ্মপুত্ৰৰ পাৰৰ কাঠৰ বাংলো এটাৰ সন্মুখত ৰাতিপুৱাৰ পৰাই দূৰ-দূৰণিৰ পৰা বাটকুৰি বাই অহা জীৰ্ণ-শীৰ্ণ, মৃত্যুমুখী, পৰিশ্ৰান্ত মানুহৰ শাৰী। পেটৰ কিবা এক অসহ্য যন্ত্ৰণাত এজন ফাকিয়াল যুৱকে চিঞৰি আছে ; বনৰ ওপৰত বাগৰি ছটফটাই থকা খামটি লোক এজনে প্ৰচণ্ড জ্বৰত ভুল বকিবলৈ আৰম্ভ কৰিছে। মেলেৰিয়া অথবা কলাজ্বৰ।

শুধবগা পোছাক পৰিহিত এজন তৰুণ চিকিৎসকে অকণো বিৰক্ত নোহোৱাকৈ ধৈৰ্য সহকাৰে এজন-এজনকৈ ৰোগী পৰীক্ষা কৰিছে। মুখ আৰু হাতৰ অদ্ভুত ভংগীমাৰে প্ৰতিজন ৰোগীকে দিছে ঔষধ আৰু চিকিৎসা-নিৰ্দেশ। সন্দেহ, সংশয়, শ্ৰদ্ধা আৰু বিস্ময়ৰ এক মিশ্ৰিত দৃষ্টিৰে প্ৰতিজন ৰোগীয়ে চাই আছে দেৱদূত সদৃশ, গোল ৰঙচুৱা মুখৰ সেই শ্বেতাংগ চিকিৎসকক। নেটিভৰ লগতো মিলি যাব পৰা হাস্যমুখ, সৰ্বজনবন্দিত হোৱাইট চাহাব, ড. জন বেৰি হোৱাইট (Dr. John Berry White.)।

ৰোগীৰ সৈতে কটোৱা ব্যস্ত এটা দিনৰ শেষত হোৱাইট চাহাবে, সন্ধিয়াটো গল্প-গুজব কৰি কটাই দিবৰ বাবে উপস্থিত হ'ল ওচৰৰে চাহ-বাগিচাৰ মালিক পীল চাহাবৰ বাংলোত। নাহৰ আৰু দেৱদাৰু গছৰ ছাঁয়াত কোনো এক ঐতিহাসিক ৰাজপ্ৰাসাদৰ দৰে থিয় হৈ আছে পীল চাহাবৰ সুবিশাল এলাকাজোৰা কাঠৰ বাংলো। স্নানৰ শেষত, সুসজ্জিত বাংলোৰ বাৰাণ্ডাত মেহগনি কাঠৰ চকীত বহি পীল চাহাবে এইমাত্ৰ খুলিছে স্কটচৰ বটলৰ চাফৰ।

সান্ধ্য-অভিবাদন জনাই হোৱাইট চাহাব বহি পৰিল কাষৰ চকীখনত। জিৰ-জিৰ বতাহ বাহিৰত ; ব্ৰহ্মপুত্ৰৰ পাৰৰ পৰা ভাঁহি আহিছে জাকৰুৱা শিয়ালৰ হোৱা।

নেটিভসকলে ড. জন বেৰি হোৱাইটক হোৱাইট চাহাব বুলিয়েই জানে ; পীল চাহাবে কিন্তু সম্বোধন কৰে জন বেৰি বুলি। কথা প্ৰসংগত পীল চাহাবে ক'লে,—বাৰ্মাৰ সীমান্তত নংয়াং নামৰ হ্ৰদ এটা আছে। মোৰতো জানেই, প্ৰতিবছৰে কিবা এটা এডভেনচাৰ লাগে। তিনি-চাৰি বছৰ আগতে, এইটিন ছেভেনটি নাইনত বুঢ়ী দিহিঙেৰে নাও বাই নংয়াং হ্ৰদ পালোগৈ। কি ৰোমাঞ্চকৰ অভিজ্ঞতা! এনেকুৱা ঘন অৰণ্য মই আগতে দেখা নাই। ... এটা কথা। এই অঞ্চলত এতিয়ালৈকে চাহৰ বাহিৰে আমি একোতে সুবিধা কৰিব পৰা নাই। মোৰ বিশ্বাস, অসমৰ জয়পুৰ-মাৰ্ঘেৰিটা অঞ্চলত প্ৰচুৰ কয়লা আৰু খনিজ তেল আছে। অঞ্চলটো এতিয়াও ভাৰ্জিন হৈয়ে আছে। পিছে সমস্যা হ'ল—যন্ত্ৰ-পাতি, কয়লা, তেল কঢ়িয়াবৰ বাবে এই দুৰ্গম অঞ্চলত এতিয়াও কোনো সুবিধাজনক পথ গঢ়ি উঠা নাই।

হাতৰ পৰা পানীয়ৰ গিলাছটো ট্ৰে'ৰ ওপৰত থৈ বেৰি হোৱাইটে ক'লে,—মই ভাবোঁ অনতিবিলম্বে এই অঞ্চলত, অন্ততঃ ব্ৰহ্মপুত্ৰ ঘাটৰ পৰা শদিয়া, মাৰ্ঘেৰিটালৈ ৰেল লাইন স্থাপনৰ ব্যৱস্থা কৰিব লাগে। আৰু মোৰ বোধেৰে এই ৰেল লাইন যোৱা উচিত হ'ব বৰভিল, মাকুমৰ তেলৰ সম্ভাৱনা থকা অঞ্চলৰ মাজেৰে, যাতে তেলৰ অনুসন্ধান চলাবৰ বাবে যন্ত্ৰ-পাতি কঢ়িয়াবলৈ সুবিধা হয়।

অৱশেষত ড. হোৱাইটৰ দৰে আৰু কিছু উদ্যোগী শ্বেতাংগৰ প্ৰচেষ্টাত উজনি অসমত ৰেলৰ লাইন স্থাপন কৰাৰ উদ্দেশ্যেৰে সুদূৰ লণ্ডন চহৰত ১৮৮১ চনৰ ৩০ জুলাইত গঢ় লৈ উঠিল এটা নতুন কোম্পানি—এ আৰ এণ্ড টি. কম্পেনি (The Assam Railways and Trading Co. Ltd.)।


**১৮৮৪, ১৮ ফেব্ৰুৱাৰি : সেই ঐতিহাসিক যাত্ৰা**

সুদূৰ কলিকাতাৰ পৰা ব্ৰহ্মপুত্ৰৰ বুকুৰে মন্থৰ গতিত উজাই আহি আছে ষ্টিমাৰখন। ডেকত বোজাই কৰা আছে ৰেল লাইন বহুউৱাৰ বাবে লোৰ গধুৰ, সৰঞ্জাম, যন্ত্ৰ-পাতি। চিমনিৰ পৰা কুণ্ডলী পকাই আকাশলৈ উৰিছে ক'লা ধোঁৱা। মাজে-মাজে লুইতৰ বুকুৰ পৰা ষ্টিমাৰৰ দীঘল উকিৰ শব্দ ভাঁহি আহি ঠেকা খাইছে জনপ্ৰাণীহীন নিৰ্জন দুই পাৰত। হঠাতে কেতিয়াবা একোটা নৈৰ-ঘাট, ওচৰতে বালিচৰ। অৱশেষত ষ্টিমাৰ আহি ৰ'ল ডিব্ৰুগড়ৰ ওচৰৰ ব্ৰহ্মপুত্ৰৰ ঘাটত।

দ্ৰুতগতিত ডিব্ৰুগড়ৰ পৰা মাকুমলৈ ৰেল লাইন স্থাপনৰ কাম আৰম্ভ হৈ গ'ল। প্ৰকল্পৰ দলপতি প্ৰখ্যাত অভিযন্তা বেঞ্জামিন পায়াৰ্ছী (Benjamin Piercy), তেওঁৰ লগত তিনিজন ইটালীয় যুৱক আৰু তেওঁৰেই আপোন ভাতৃ ৰবাৰ্ট। ৰাতিপুৱা সূৰ্য নৌ উঠোঁতেই ঘোঁৰাৰ পিঠিত উঠি বেঞ্জামিন হাজিৰ হয় ছাইটত। গভীৰ অৰণ্যৰ মাজে-মাজে গছ-বন কাটি লুংলুঙীয়া বনপথ গঢ়ি তোলা হৈছে। কেইবাটাও হাতীয়ে কাঠৰ প্ৰকাণ্ড-প্ৰকাণ্ড টুকুৰা কঢ়িয়াই নিছে ; শাৰী-শাৰী ফিছ-প্লেট বহুউৱা হৈছে।

দিনটোৰ পৰিশ্ৰমৰ অন্তত অৰণ্যৰ মাজত ঠায়ে-ঠায়ে তৰা তম্বুত আহি সকলোৱে জিৰণি লয়। আজিও লৈছে। কি জানো মন গ'ল, পাগানিনি নামৰ ইটালীয় যুৱকজনে আজি নিজ হাতে তম্বুৰ এচুকৰ কিচেনত ইটালীয় খাদ্য প্ৰস্তুত কৰাত ব্যস্ত। বাকী বন্ধু কেইজনে পানীয়ৰ গিলাছ হাতত লৈ গল্প-গুজব আৰম্ভ কৰি দিছে।

হঠাতে সকলোকে আচৰিত কৰি কোনো কাৰণ নোহোৱাকৈ স্বতঃস্ফূৰ্তভাৱে কেম্পৰ পিছফালে মাটিৰ ওপৰত জুই জ্বলি



উঠিল। বাস্তিত পানী লৈ দৌৰি ওলাই আহিল পাগানিনি। দূৰৈৰ পৰা অভিজ্ঞ বেঞ্জামিনে চিঞৰিলে— না, না, পানী নাঢালিবা, এয়া পেট্ৰলিয়ামৰ জুই ; পানীৰে নুমুৱাব নোৱাৰি।

অন্য এদিন হাবিৰ মাজৰ পৰা কাঠৰ টুকুৰা কঢ়িয়াই অনা হাতীৰ ভৰিত বেঞ্জামিনহঁতে লক্ষ্য কৰিলে তেলৰ চিন। পাছদিনা ৰাতিপুৱা সদলবলে হাতীক অনুসৰণ কৰি আৱিষ্কাৰ কৰা হ'ল চেউজীয়া, ঘন হাবিৰে আবৰা পিতনি এটা। বুৰবুৰণিৰ ৰূপত মাটিৰ তলৰ পৰা অবিৰাম ওলাই থকা পেট্ৰলিয়ামৰ চামনি বান্ধিছে ঠাইখিনিত। অদ্ভুত গোন্ধ এটা চৌপাশৰ বতাহত।

বেঞ্জামিনে মনে-মনে ভাবিলে ঠিক ঠাইৰ মাজেৰেই ৰেল লাইন বহুউৱা হৈছে।

বেঞ্জামিন, ৰবাৰ্ট, পাগানিনি আৰু শ-শ নেটিভ বনুৱাৰ শ্ৰম, নিষ্ঠা আৰু অবৰ্ণনীয় কষ্টৰ ফলতে ১৮৮৪ চনৰ ১৮ ফেব্ৰুৱাৰিত মাকুমৰ পৰা মাৰ্ঘেৰিটালৈ ঝক-ঝক শব্দৰে আৰণ্যক নিৰ্জনতা ভংগ কৰি প্ৰথম ট্ৰেইনখন অৰণ্যৰ মাজেৰে আগবাঢ়িল। সেই অবিস্মৰণীয় ঐতিহাসিক যাত্ৰাৰ সৌভাগ্যবান যাত্ৰীসকলে মন্থৰ গতিৰে আগবাঢ়ি যোৱা ৰেলৰ ডবাৰ খোলা খিৰিকিৰে বিস্ময়বিমুগ্ধ হৈ বাহিৰত দেখিলে ঘন, চেউজীয়া ডাঠ হাবি ; প্ৰাচীৰৰ দৰে নিচেই কাষতে থিয় হৈ ৰোৱা সুবিশাল অচিনাকি গছ ; ক'ৰবাত হঠাতে দুই-এটা জুপুৰী অথবা তম্বু। সন্মুখত হয়তো থিয় হৈ আছে অবৰ্ণনীয় শাৰীৰিক পৰিশ্ৰম, ৰক্তপিপাসু জোঁক, মহ, বনৰীয়া পোক-পৰুৱাৰ কামোৰতো চেও নমনা দুৰ্মদ সাহসী নেটিভ বনুৱাসকল,—বনৰীয়া কাঁইটৰ

৪১ পৃষ্ঠাত চাওক




OKDISCD

# ছিংকিং দৈৱসাহোন

**ড় বিকাশ বৰুৱা**

যুধিষ্ঠিৰ, ভীম, অৰ্জুন, নকুল আৰু সহদেৱ।

পাঁচোটাকৈ জোঁৱাই। এজন শহুৰ।

দেখাতেই এইজন এলাপেচা শহুৰ নহয়। সাংঘাতিক শহুৰ।

শহুৰ দেউতাই জংঘলৰ পৰা ঋষি এজন ধৰি আনিলে। আনি ক'লে,— আপুনি যজ্ঞ আৰম্ভ কৰি দিয়ক। মোক সন্তান লাগেই। আৰু এনেকুৱা সন্তান লাগে যি ৰেম্ব' নাইবা জেমছ বণ্ডৰ দৰে একে ধিচুমতে দ্ৰোণাচাৰ্যক উৰাই দিব পাৰে।

তেতিয়া দেওবাৰে পুৰা দহ বাজিছে। গোটেই ভাৰতৰ মানুহে আৰু পাকিস্তানৰো কিছুমানে একেথৰে চকু ফিক্স কৰি চাই আছে— কিনো হয়, ক'ৰপৰানো সন্তান ওলায়!

শহুৰ আৰু ঋষিবৰে চোতালতে বহি লৈ যজ্ঞ আৰম্ভ কৰি দিলে। হোম জ্বলি আছে, ঘিঁউ ঢালি আছে। পুৰোহিতে ৰজাক ক'লে,— এইবাৰ ৰাণীক মাতক। ৰাণীক মাতিবলৈ ৰজাই খাচ আদমী অন্দৰমহললৈ পঠাই দিলে। ৰাণী তেতিয়া বাথৰুমত। চুলি ছেম্পু কৰি আছে। গতিকে তেওঁ ভিতৰৰ পৰাই জনাই দিলে যে তেওঁ আহিব পৰা কণ্ডিছনত নাই। পুৰা টিপ-টপ হ'বলৈ কমেও আঢ়ৈ ঘণ্টামান লাগি যাব।

ঋষিৰ খঙেই উঠিল নে কিবা এটা হ'ল,— ৰাইজে বৰ ভালকৈ ধৰিব নোৱাৰিলে। ৰজাঘৰীয়া ঘিঁউ ফ্ৰি পাই দুবাল্টিমান বেছিকৈ ঢালি দিলে। চাই থাকোঁতেই হোমৰ মাজৰ পৰা ধৃষ্টদ্যুম্ন ওলাই আহিল। সুদৰ্শন ৰেম্ব',— ধনুৰে-কাঁড়ে একদম ফিট-ফাট। মূৰত টুপী, ভৰিত বুট, কঁকালত বেল্ট। আহিয়েই বাপেকক মাতিলে,— হেল্লউ ডেড! ঋষিক মাতিলে,— হায় আংকোল। পিছে-পিছে দ্ৰৌপদীও আহি হাজিৰ। মধুমিতাৰ ব্লাউজ, বিমলৰ শাৰী, ওৰণিয়ে-বাৰণিয়ে একদম তমস্কাৰ!

পাণ্ডুৰৰ শহুৰ আৰু শাহুজনীয়ে ল'ৰা-ছোৱালীহালক ট্ৰিপোল-পলিঅ' দি হালধীয়া বস্ত্ৰৰে লেতেৰা হোৱা কেঁচুৱাৰ কাপোৰ ধুব লগা নহ'ল, আমুলস্প্ৰে' ফেৰেক্স কিনিতো নাপালেই, আনকি অন্নপ্ৰাশন-চূড়াকৰণ পাতিবলৈকো চাঞ্চ নাপালে। দুইটি ল'ৰা-ছোৱালী পোনেই বিয়া পতা বয়সত হাজিৰ!




গোটেই কাণ্ডটো দেখাৰ পাছত আটাইতকৈ বেছি ফূৰ্তি লাগিল অসমৰ মানুহখিনিৰ। এনেকুৱা উপায়েৰেও যে সন্তান পাব পাৰি সেই কথা আগতে কাৰো মূৰত খেলোৱাই নাছিল। ৰাইজৰ এতিয়াহে মনত পৰিল যে— হয়তো, সেই কেতিয়াবাই স্বয়ং দুৰ্গা গোসাঁনীও স্বৰ্গত এইটো ছিষ্টেমতে পয়দা হৈছিল। অসুৰক বধিব নোৱাৰি খঙে-বিষে জৰ্জৰিত হৈ তেত্ৰিছ কোটি দেৱতাই মুখ মেলি দিওঁতেই দেৱী ওলাই আহিছিল।

সুদীৰ্ঘ ছটা বছৰে প্ৰচণ্ড আন্দোলন কৰি অসমৰ ৰাইজ বেচ তেজাল হৈ আছিলেই। গতিকে আৰু কোনে পায়? আকাশলৈ চাই আটাইখনে এবাৰ একেলগে ডাঙৰকৈ 'জয় আই অসম' বুলি চিঞৰ মাৰি দিলে। থলৰকে' হাতী এটা সৰি পৰিল। শূন্যতে দেৱতা দহজনমানে থিয় হৈ দৈৱবাণী কৰিলে—হোঁ ল হৰে' অসমীয়া, এই হাতীটো দিছোঁ। কেইদিনমান ইয়ে তহঁতক শাসন কৰক। বহুতদিন আয়ে কৰিলে, দুদিনমান জনতাই কৰিলে, এইবাৰ হাতীৰ সোৱাদ ল। চাচোন কেনে পাৱ!

হাতী মাটিত পৰিয়ে পুনৰ চাৰিঠেঙৰ ওপৰত থিয় হ'ল। কাণ-মূৰ জোকাৰিবলৈ ধৰিলে। শূৰডাল দাঙি ৰাইজক প্ৰকাণ্ড ছেলুট মাৰিলে আৰু গজেন্দ্ৰ-গমনে গৈ ৰাজসিংহাসনত থপককৈ বহি দিলে। বহিয়ে চৌদিশে চাই মিচিকিয়া হাঁহি মাৰিলে। মহিলাসকলে উৰুলি দিলে। সকলো ৰাইজে সমস্বৰে চিঞৰিলে—জয় ৰাম বোলা, জয় হৰি বোলা...।

সেইহেনটো হাতীৰে এতিয়া অসুখ।

বৰ বেছি অসুখ।

ছিৰিয়াছ বুলিয়ে ক'ব পাৰি। হস্পিটেলত খবৰ লোৱা মানুহেই অগণন। অহা আহিছে, যোৱা গৈছে। কাৰোবাৰ হাতত খোৱাবস্তু, কাৰোবাৰ হাতত ঔষধ, কাৰোবাৰ হাতত টিফিন কেৰিয়াৰ, পানীৰ ফ্লাস্ক, কাৰোবাৰ হাতত কাপোৰ-কানি...

ভিতৰত ডাক্তৰ লাগি আছে।

অবিৰাম লাগিয়েই আছে।

ইজনৰ পিছত সিজন ডাক্তৰে পিটিকি-মুচৰি চাইছে। সোঁৰে-বাঁৱে টুকুৰিয়াই, হেঁচি-টিপি, ওপৰে-তলে উৰাই-ঘূৰাই চাইছে।

এক্সৰে' কৰিছে। ব্লাড, ষ্টুল, ইউৰিন কালেক্ট কৰি লেবৰেটৰীলৈ পঠাইছে। আল্‌ট্ৰা ছাউণ্ড ছ'ন'গ্ৰাফি কৰিছে। ফুল বডি স্কেনিং কৰিছে। মুঠতে কৰিবলৈ কোনেও একো বাকী ৰখা নাই।

ডাক্তৰৰ কপালৰ ঘাম থুঁতৰিৰে বৈ আহিছে। চিন্তাত কপালৰ গাঁঠি খোপা হৈ গৈছে। ঘামত নাকটো তিতি পিছল হৈ যোৱা বাবে চচমাযোৰ বাৰে-বাৰে তললৈ নামি-নামি আহিছে।

নজ্বলা ছিগাৰেট এটা ওঁঠত গুজি লৈ ডাক্তৰ নিজৰ চেম্বাৰত আহি বহিল। অলপ সময় থমথমকৈ বহি ৰ'ল। কিবা এটা ভাবিলে আৰু শেহত সন্মুখত বহি থকা মানুহ কেইজনলৈ চাই পঠালে।

মানুহকেইজনেও ডাক্তৰৰ মুখৰ পৰা কিবা শুনিম বুলি বেচ আগ্ৰহ আৰু উৎকণ্ঠাৰে একেথৰে চাই ৰ'ল।

সি বাৰু যোৱা দুই চাৰিদিনত কিবা বেয়া বস্তু মুখত দিছিল নেকি?

বেয়া বস্তু মানে? বিড়ি? ছিগাৰেট? মদ? ভাং?




ন' ন'। মই সেইবিলাক মিন কৰা নাই। আজিকালি এইবোৰ বস্তু বেয়াৰ লিষ্টত আমি নধৰোঁ। নিজেও খাওঁ।

তেন্তে ছাৰ...

এই, যেনে, ৰেগুলাৰ আইটেমৰ ভিতৰতে কিবাকিবি?

মানুহকেজনে ইজনে সিজনৰ চকুলৈ চালে। অলপমান চিন্তাও কৰিলে। এজনে ক'লে—

হ'ব পাৰে, একেবাৰে নোহোৱা নহয়। মাজতে যে আমাৰ কোম্পানিয়ে গেলা চাউল এদ'ম আনিছিল...

আহা! বুজিলো, তেন্তে কথাই নাই। ই গেলা চাউল খালে। কেইবস্তামান জকল পেটত সোমাল। পেটটো ওফন্দি আছে, ভিতৰত গেছো আছে।

কিন্তু...

হোৱাট কিন্তু?

এটা কথা নহয় ছাৰ, গেলা চাউল আহি পোৱাৰ বহুত আগৰ পৰাই ইয়াৰ অসুখ।

হয় নেকি! আই ছি...

ডাক্তৰ আকৌ মহা চিন্তাত পৰিল। এইবাৰ তেওঁ ছিগাৰেটটো জ্বলাই ললে।

সকতে বাৰু ট্ৰিপোল, পলিঅ', বিছিজি—সেইবোৰ দিয়া হৈছিল নে?

নাই দিয়া ছাৰ।

হাতীৰ জন্ম-বৃত্তান্তটো উপস্থিত ৰাইজে থোৰতে ডাক্তৰক বুজাই দিলে। ভালকৈ বুজি পাবৰ বাবে সেই আগতে দেখা দৃশ্যাৰ কেছেট এটাও ভিছিপিত লগাই দিলে।

অ' আই ছি! এটা পছিবিলিটি কিন্তু আছে।

আছে? কি ছাৰ?

উপজিয়েই ৰাজসিংহাসনত বহিছিল, নহয় জানো?

হয়। উপজিয়েই, লগে-লগে। ৰাইজে পোনেই নি বহুৱায়ে দিলে।

তেনেকুৱাত মেণ্টেল ইমবেলেন্স এটা হ'ব পাৰে কিন্তু। এই যে হঠাত কিবা ডাঙৰ বস্তু এটা পাই যোৱা... আপোনালোকে বুজি পাইছেনে বাৰু,—মানে কথাটো অলপ ছাইকলজিকেল...

জানো ছাৰ! আপুনিহে ক'ব পাৰিব।

স্বভাৱৰ পৰিবৰ্তন কেতিয়াৰ পৰা মন কৰিছিল?

এই ধৰক, এবছৰেই পুৰা নহ'ল। পৰিবৰ্তন আৰম্ভ হ'লেই।

কেনেকুৱা ধৰণে আৰম্ভণি হৈছিল?

যেনে ছাৰ, ধৰি লওক, মানে...

**৪৯ পৃষ্ঠাত চাওক**

# লোকগীতকেই জীৱন বুলি ধৰা শিল্পী

# যোগেশ চন্দ্ৰ ভৰালী

দ্বিজেন্দ্ৰনাথ দাস
পংকজ কুমাৰ মজুমদাৰ

"ঘন বৰষুণ পিছল মাটি,
লাহে-লাহে দিবা পাৰ ... ।"

এই জনসমাদৃত গীতটি সৃষ্টি কৰা শিল্পী-গৰাকী হ'ল যোগেশ চন্দ্ৰ ভৰালী।

আজিৰ পৰা প্ৰায় তিনি বছৰৰ আগতে আমি এদিন তেখেতৰ বাস ভৱনলৈ গৈছিলো । তেখেতৰ প্ৰতিভাৰ সম্ভেদ লোৱাৰ উপৰিও আমি লোকগীত সম্পৰ্কীয় দুটামান কথা তেখেতক সুধিছিলো । তেখেতৰ লগত কথা পাতি আমি যি জানিছিলো, তাকে থূলমূলকৈ প্ৰান্তিকৰ পাঠকৰ বাবে প্ৰকাশ কৰিব খুজিছোঁ।

শৈশৱ কালৰে পৰা ভৰালীৰ সংগীতৰ প্ৰতি বিশেষ আকৰ্ষণ আছিল । তেখেতৰ পিতৃ যাদব চন্দ্ৰ ভৰালী বৰপেটাৰ সেই সময়ৰ গায়কৰ দল 'দাবানল দল'ৰ সদস্য আছিল । মাক হেমপ্ৰিয়া ভৰালীও ভাল পাঠকণী আছিল । সংগীতৰ ক্ষেত্ৰত যোগেশ চন্দ্ৰ ভৰালীক তেখেতৰ পিতৃ-মাতৃয়ে বিশেষ উৎসাহ যোগাইছিল । ১৯৩৬ চনত বিষ্ণুপ্ৰষাদ ৰাভাদেৱৰ ভিনিহিয়েক ড. ধাবাৰাম মেচে বৰপেটাত চিকিৎসক হিচাপে কাম কৰিছিল । ড. মেচৰ ঘৰত কিছুদিন কটাম বুলি বিষ্ণুৰাভা বৰপেটালৈ আহিছিল । তেখেতে ভৰালীক লগ পাই হাতত ধৰি কৈছিল, "লোকগীত এবিধ ভাল সংগীত । ইয়াক আপুনি নেৰিব ।" তাৰ পাছৰ পৰাই ৰাভাই ভৰালীৰ লগত দোতাৰা সংগত কৰিবলৈ শিকিছিল । কালক্ৰমত ইয়াৰ পৰাই ভৰালীৰ লোকগীতৰ প্ৰতি গভীৰ আগ্ৰহ জন্মিল। এই আগ্ৰহে তেখেতৰ লিখা-পঢ়াত বাধা জন্মাইছিল । কৰবাত সংগীতৰ অনুষ্ঠান পাতিলে তেখেতে স্কুললৈ নোযোৱাৰ চেলু বিচাৰিছিল । বিভিন্ন অনুষ্ঠানত তেখেতে গীত গাইছিল, যাত্ৰা-গানত অভিনয় কৰিছিল, বিয়াৰ বৈঠকীত গীত-পদ আওৰাইছিল । তাৰ পৰাই ভৰালীয়ে ক্ৰমশঃ জনপ্ৰিয়তাৰ শীৰ্ষলৈ উঠিবলৈ আৰম্ভ কৰে।

১৯৩৫-৩৬ চনত স্বৰ্গীয় শৰৎ চন্দ্ৰ গোস্বামী স্কুল পৰিদৰ্শক থকা সময়ত বৰপেটা চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ এখন সংগীতানুষ্ঠানত ভৰালীয়ে প্ৰথম মঞ্চত গীত পৰিবেশন কৰিবলৈ সুযোগ পায়। উক্ত



যোগেশ চন্দ্ৰ ভৰালী

সংগীতানুষ্ঠানত ড. ভূপেন হাজৰিকাও উপস্থিত আছিল । তেতিয়া ড. হাজৰিকাৰ বয়স আছিল ৮-৯ বছৰমান । সেই সংগীতানুষ্ঠানত ভৰালীয়ে দুটি গীত পৰিবেশন কৰিছিল । বিশেষকৈ "শ্ৰীগুৰু শংকৰ কৰুণা সাগৰ, নামৰে পাতিলা খেলা ... ।" —এই গীতটি গাই তেখেতে ৰাইজৰ ভূয়সী প্ৰশংসা পাইছিল । তাৰ পাছত তেখেতে ইখনৰ পিছত সিখন মঞ্চত গীত পৰিবেশন কৰিবলৈ ধৰে আৰু জনপ্ৰিয়তা অৰ্জন কৰে।

১৯৩৫-৩৬ চনত মেগাফোন ৰেকৰ্ড কোম্পানিয়ে সৰ্বপ্ৰথম ভৰালীৰ গীত ৰেকৰ্ডিং কৰে । এইটো তেখেতৰ জীৱনৰ এক উল্লেখযোগ্য ঘটনা । মেগাফোন কোম্পানিয়ে ৰেকৰ্ডিং কৰা গীতসমূহৰ ভিতৰত উল্লেখযোগ্য দুটি গীত হৈছে— "দেহাৰ ভৰসা নাই—" "ভাইৰে বোলাইও দাদা বলৰাম হে ... ।" ইয়াৰ উপৰিও ১৯৪২ চনত হিজমাষ্টাৰছ ভয়ছে তেখেতক আমন্ত্ৰণ কৰি নি দুটি গীত ৰেকৰ্ড কৰে । গীত দুটি হৈছে,— "ঘনবৰষুণ পিছল মাটি, লাহে-লাহে দিবা পাৰ" আৰু "ঢৌ দেখি হালি পৰে পাত ... ।"

১৯৪৮ চনত ভৰালীৰ লোকগীত আৰু বৰগীতৰ ওজা দয়াল চন্দ্ৰ সূত্ৰধাৰৰ বৰগীতেৰে আকাশ বাণীৰ গুৱাহাটী কেন্দ্ৰৰ শুভ উদ্বোধন কৰা হয় । ভৰালীয়ে গোৱা গীতটি আছিল—"ভাইৰে বোলাই, ওদাদা বলোৰাম হে ... ।" তাৰ পাছৰে পৰা তেওঁ গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ এজন নিয়মীয়া শিল্পীৰূপে প্ৰতিষ্ঠিত হয় । গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ জৰিয়তে তেখেতে তিনি হাজাৰমান লোকগীত পৰিবেশন কৰিছে । গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ উপৰিও তেওঁ কলিকাতা অনাতাঁৰ কেন্দ্ৰতো লোকগীত গাবলৈ সুবিধা লাভ কৰিছিল । কলিকাতাত যি সময়ত তেওঁ লোকগীত পৰিবেশনৰ সুযোগ পাইছিল, সেই সময়ত গুৱাহাটী অনাতাঁৰ কেন্দ্ৰ প্ৰতিষ্ঠিত হোৱা নাছিল । তাত তেওঁ আঠোটা গীত পৰিবেশন কৰিছিল । সময়টো আছিল আনুমানিক ১৯৪২-৪৩ চন । তাৰে উল্লেখযোগ্য চাৰিটা জনপ্ৰিয় গীত হৈছে : (১) ঘন বৰষুণ পিছল মাটি, (২) ঢৌ দেখি হালি পৰে, (৩) সোণৰ পুতলি বাছা আৰু (৪) ও হৰি শ্ৰীগুৰু ... । কলিকাতা অনাতাঁৰ কেন্দ্ৰত তেখেতৰ গীত প্ৰচাৰ হোৱাৰ পাছত তেখেতে বহুতো শ্ৰোতা ৰাইজৰ প্ৰশংসা আৰু আশীবাদ লাভ কৰে।





লোকগীত শিকোৱাৰ সময়ত এদল শিক্ষাৰ্থীৰ সৈতে শিল্পী যোগেশ চন্দ্ৰ ভৰালী।

১৯৫৬ চনৰ ২৬ জানুৱাৰিত দিল্লীৰ নিমতল পথাৰত এক বিৰাট জনসমাবেশত এইজনা শিল্পীয়ে গীত পৰিবেশন কৰি সেই অনুষ্ঠানতে সেই সময়ৰ প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৰ পৰা বঁটা লাভ কৰি সমগ্ৰ অসমৰ বাবেই গৌৰৱ কঢ়িয়াই আনে।

ভৰালীৰ যে অকল লোকগীততেই পাৰদৰ্শিতা আছিল এনে নহয়, তেখেতে শাস্ত্ৰীয় সংগীত, জ্যোতি সংগীত, ভজন আদিও গাইছিল । সৰু কালত এইজনা শিল্পীয়ে যাত্ৰাদলসমূহত নৃত্যও পৰিবেশন কৰিছিল। সেই সময়ত, অৰ্থাৎ ১৯৩৮ চনত, বাৰাণসীৰ পৰা "ৰামলীলা" প্ৰদৰ্শন কৰিবলৈ বৰপেটালৈ এটা যাত্ৰাদল আহিছিল । ভৰালীয়ে যাত্ৰাদলটোৰ লগত চা-চিনাকি হৈ তেওঁলোকৰ লগতে বাৰাণসীলৈ যায় । দলটোৰ মেনেজাৰ ছবিলাল উপাধ্যায়ৰ অধীনত তেখেতে প্ৰায় দুবছৰ কাল শাস্ত্ৰীয় সংগীতৰ অনুশীলন কৰে । তেখেতে "বদন বৰফুকন" নামৰ অসমীয়া কথাছবিখনৰ বাবেও এটি গীত গাইছিল। গীতটি আছিল—"সোণৰে পুতলি বাছা—কাৰ ঘাটে জলেৰে ... ।"

১৯৩৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ মহাসভাৰ সোণালী জয়ন্তী উৎসৱৰ গুৱাহাটীত পতা সাংস্কৃতিক সমাৰোহত ভৰালীয়ে গীত গাইছিল । তেখেতে এবাৰ কলিকাতালৈ যাওঁতে কালী ফিল্ম ষ্টুডিঅ'ত বিখ্যাত গায়ক তথা সংগীত পৰিচালক শচীনদেব বৰ্মনৰ লগত ভাটিয়ালী আৰু গীতত দোতাৰা সংগত কৰিছিল । ১৯৩৫-৩৬ চনত মেগাফোন কোম্পানিৰ পৰিচালক শ্ৰীভীষ্মদেব চেটাৰ্জীয়ে ভৰালীৰ গীত শুনি তেখেতক উচ্চ প্ৰশংসা কৰি আশীৰ্বাদ দিয়ে আৰু "দেহাৰ ভৰসা নাই" গীতটি বাণীবদ্ধ কৰি ৰাখে। ভৰালীয়ে শ্বিলঙৰ লাবান গাৰ্লছ হাইস্কুল, লেডিজ স্কুল আদিতো গীত পৰিবেশন কৰিছিল আৰু বহু ছাত্ৰ-ছাত্ৰীক সংগীত শিকাইছিল।

ভৰালীৰ জীৱনত এটা উল্লেখযোগ্য ঘটনা ঘটিছিল । ১৯৪৮ চনত তেওঁৰ এটি গীতৰ সুৰ বিখ্যাত হিন্দী কথাছবি "মাদাৰ ইণ্ডিয়া"ত প্ৰসিদ্ধ সংগীত পৰিচালক নৌশাদ আলিয়ে সংযোগ কৰিছিল। এই বিষয়ে আমি সোধাত শ্ৰীভৰালীয়ে কৈছিল : "১৯৪৮ চনত সংগীত পৰিচালক নৌশাদ আলিয়ে মোৰ—ঘন বৰষুণ পিছল মাটি—নামৰ গীতটিৰ সুৰটো নকল কৰিছিল । সেই সময়ত গুৱাহাটীৰ ৰূপায়ণ কথাছবি-গৃহত মাদাৰ ইণ্ডিয়া নামৰ কথাছবিখন চলি আছিল । মোৰ সহপাঠী কমল নাৰায়ণ চৌধুৰীয়ে সেই ছবিখন চাই আহি মোৰ গীতটোৰ নকল হোৱা বুলি মোক জনায় । তাৰ পাছত মই উক্ত কথাছবিখন চাই কথাটো যে সত্য সেইটো জানিব পাৰিলো । প্ৰথমতে মই সেন উপাধিৰ উকীল এজনৰ সহযোগত উক্ত কথাছবিৰ প্ৰযোজকৰ লগত যোগাযোগ কৰিলো । তেখেতে সেই বিষয়ে একো নাজানো বুলি ক'লে আৰু কথাছবিখনৰ সংগীত পৰিচালক নৌশাদ আলিয়েহে এই বিষয়ে জানিব বুলি স্পষ্টভাৱে লিখি পঠালে। তেখেতৰ পৰা বিশেষ সঁহাৰি নাপাই মই সকলো কথা বিতংভাৱে জানিবলৈ হিজ

মাষ্টাৰছ ভয়ছৰ লগত যোগাযোগ কৰিলো। নৌশাদে মোৰ গীতৰ কপি এটা নিয়া বুলি তেখেতে মোক ক'লে। সকলো কথা জানি লৈ এই বিষয়ে নৌশাদলৈ লিখি পঠালো। তেখেতে সকলো কথা স্বীকাৰ কৰি দুহাজাৰ টকা আগবঢ়াই মোক ক্ষমা খোজে। উক্ত ঘটনাই সেই সময়ত সংগীতজগতত এক বিশেষ আলোড়নৰ সৃষ্টি কৰিছিল।"

এইজনা প্ৰসিদ্ধ শিল্পীক লোকগীত সম্পৰ্কে দুটামান প্ৰশ্ন সুধিছিলো। কামৰূপী লোকগীত সম্পৰ্কে আপোনাৰ মতামত কি আৰু ক'ৰ পৰা এই গীতৰ সৃষ্টি হৈছিল— এই বিষয়ে আমি জানিব খোজাত তেখেতে কৈছিল,—"প্ৰত্যেক জাতিৰে নিজা-ববীয়াকৈ, লোক-সংস্কৃতিৰ লগত খাপ খোৱাকৈ মুখে-মুখে বাগৰি অহা কিছুমান গীত-পদ আছে। সেই গীত-পদসমূহকে সাধাৰণতে লোকগীত বুলি কোৱা হয়। কামৰূপী লোকগীতক উজনিৰ মানুহে টোকাৰী গীত বুলি কৈছিল। লোকগীত আচলতে আঞ্চলিক ভাষা-সংস্কৃতিৰ লগত খাপ খোৱা গীত। সেয়েহে লোকগীতসমূহ আঞ্চলিক ভাষাত সৃষ্টি হোৱা দেখা যায়। প্ৰাচীন কালৰ পৰা চলি অহা এই গীত-পদবোৰ সাধাৰণতে দেহ বিচাৰ, কৃষ্ণলীলা, আধ্যাত্মিক ভাব আদিৰ ওপৰত প্ৰতিষ্ঠিত। সঁচা কথা ক'বলৈ গ'লে বৰ্তমানে প্ৰাচীন কালৰ সেই লোকগীতৰ ধাৰাৰ বহু পৰিমাণে পৰিবৰ্তন হৈছে। আজিকালি যিবিলাক লোকগীত পৰিবেশন কৰা দেখা যায়, সেইবিলাকৰ প্ৰায় ভাগকে প্ৰকৃত লোকগীত বুলি ক'ব নোৱাৰি। প্ৰত্যেক লোক-সংস্কৃতিৰ মানুহে নিজ ঠাইৰ লোকগীতক ভাল পায় আৰু ভাল পোৱা উচিত। লোকগীতক জীয়াই ৰাখিবলৈ হ'লে প্ৰত্যেকজন সংগীতপ্ৰেমী লোকৰে সহযোগ অপৰিহাৰ্য।"

বৰ্তমান বহুতে কয় যে—লোকগীতৰ সুৰৰ যিটো লালিত্য আছে সেইটো ক্ৰমশঃ হেৰাই যাবলৈ ধৰিছে। আন কিছুমানে কয়—সম্প্ৰতি লোকগীত যিটো দিশত যিটো গতিত আগবাঢ়িছে, তালৈ চাই আশংকা হয়—ইয়াৰ যিটো প্ৰকৃত ৰূপ বা বস্তু সেইটো হেৰাই যাব আৰু লোকগীত খিচিৰিত পৰিণত হ'ব। —এই সম্পৰ্কে সোধাত শ্ৰীভৰালীয়ে কৈছিল—"সময়ৰ পৰিবৰ্তনৰ লগে-লগে লোকগীতৰ প্ৰকৃত সুৰ আৰু ভাষাৰো পৰিবৰ্তন হৈছে। বৰ্তমান লোকগীতৰ যিটো ধাৰা সেই ধাৰাটো আধুনিক ঠাচৰ ওপৰত প্ৰতিষ্ঠিত। তদুপৰি আপোনালোকে যি দুটা কথা উনুকিয়াইছে সেই কথাখিনিৰ যথাৰ্থতে সত্যতা আছে। বহুতো শিল্পীয়ে লোকগীতত আধুনিক দুই-এবিধ যন্ত্ৰ-সংগীতো ব্যৱহাৰ কৰা শুনা যায়।"


আমি সুধিছিলো,—এই গতি ৰোধ কৰাৰ বাবে কি প্ৰয়োজনীয় ব্যৱস্থা লোৱা উচিত? তেখেতে কৈছিল,—"লোকগীতৰ যিটো আধুনিক ধাৰা সেই ধাৰাটোক প্ৰতিৰোধ কৰি লোকগীতৰ যি প্ৰকৃত ৰূপ তাক প্ৰতিষ্ঠা কৰিবলৈ হ'লে প্ৰথমতে অসমৰ অনাতাঁৰ কেন্দ্ৰসমূহে উপযুক্ত ব্যৱস্থা হাতত লব লাগিব। এই ক্ষেত্ৰত তেওঁলোকে লোকগীতসমূহৰ ভাষা আৰু সুৰৰ যিটো লালিত্য বা মাধুৰ্য সেইটো বিচাৰ কৰিহে শিল্পীসকলক গীত পৰিবেশন কৰিবলৈ দিব লাগিব। তদুপৰি ঠায়ে-ঠায়ে হোৱা প্ৰতিযোগিতামূলক সাংস্কৃতিক অনুষ্ঠানবিলাকত গীতসমূহ ভালদৰে চালিজাৰি চাইহে প্ৰতিযোগীসকলক গীত পৰিবেশন কৰিবলৈ দিব লাগিব। এই ক্ষেত্ৰত সংগীতজ্ঞসকলে বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে। তদুপৰি প্ৰত্যেকজন সংগীতপ্ৰেমী লোকৰো সহায়-সহয়োগ যে লাগিব, তাক মই দোহাৰিব খোজা নাই। বৰ্তমান লোকগীতৰ যিটো ধাৰা সেই ধাৰাটো যদি আগলৈ অব্যাহত থাকে তেন্তে লোকগীত অপভ্ৰংশত পৰিণত হ'ব।"

লোকগীত, বৰগীত ইত্যাদি অসমীয়া কলাকৃষ্টিৰ অন্যতম উপাদান। ইয়াৰ বাবে আকাশবাণী আৰু দূৰদৰ্শনে কি ভূমিকা লোৱা উচিত বুলি সোধাত ভৰালীয়ে কৈছিল,—"লোকগীত আৰু বৰগীত ইতিমধ্যে অনাতাঁৰ কেন্দ্ৰৰ যোগেদি বহুলভাৱে প্ৰচাৰিত হৈছে। আনহাতে গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰ আৰম্ভ হোৱা বেছি বছৰ হোৱা নাই। এতিয়ালৈকে দূৰদৰ্শন কেন্দ্ৰই লোকগীত আৰু বৰগীত পৰিবেশন কৰিবলৈ যিকণ সুবিধা দিছে সেয়াই যথেষ্ট নহয়। ভৱিষ্যতে দূৰদৰ্শনে ইয়াৰ বহুল প্ৰচাৰৰ বাবে অধিক সুবিধা দিব বুলি মই ভাবোঁ।"

ভৰালীক আৰু দুটামান প্ৰশ্ন সুধিবলৈ আমাৰ মন আছিল; কিন্তু নুসুধিলো। কাৰণ শিল্পীগৰাকীয়ে বহুদিনৰ পৰা অসুখত ভুগি আছে।


সেই ৭৬ বছৰীয়া (১৯৮৬ চনত) প্ৰখ্যাত লোকগীত শিল্পীগৰাকীয়ে ৰুগ্ন গাৰে তেতিয়াও নিজ ঘৰতে আবদ্ধ হৈ অসংখ্য ছাত্ৰ-ছাত্ৰীক লোকগীত-বৰগীতৰ শিক্ষা দি আছিল। বৰপেটাৰ কুমাৰহাটীত ১৯১০ চনত জন্ম গ্ৰহণ কৰা এই শিল্পীগৰাকীয়ে লোকগীতৰ উদ্ধাৰ আৰু প্ৰচাৰ কাৰ্যত আজীৱন নিৰৱচ্ছিন্নভাৱে জড়িত হৈ আছিল। ১৯৮৫ চনৰ পৰা এইজনা শিল্পীক চৰকাৰে আজীৱন শিল্পী-পেঞ্চন দি আহিছে। শিল্পী-পেঞ্চনৰ টকাৰে তেখেতে কোনোমতে বৃহৎ পৰিয়ালটো পোহপাল দি আহিছে যদিও তেখেতৰ বস্তিৰ মাটি অতি কম। এই কম মাটিত থকা সৰু কোঠাটোত ছাত্ৰ-ছাত্ৰীসকলক লোকগীতৰ প্ৰশিক্ষণ দি থকাটো অতি কষ্টকৰ। গতিকে কেতিয়াবা তেখেতে চোতালতে ঢাৰিপাৰি ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ দিছিল।

(লেখক দুগৰাকীয়ে এই লেখাটো যি সময়ত প্ৰকাশ হোৱাটো আশা কৰিছিল, বিভিন্ন কাৰণত আমি সেই সময়ত প্ৰকাশ কৰিব নোৱাৰিলো। তাৰ বাবে আমি দুখ প্ৰকাশ কৰিছোঁ। —স. প্ৰা.)







# প্ৰজন্ম

**কৃষ্ণ কান্ত দাস**

দিনটোৰ এইখিনি সময়ত চৌধুৰীয়ে প্ৰায়েই নিজৰ সৰু কোঠাটোতে নিজকে আবদ্ধ কৰি ৰাখে। চৌধুৰীৰ পুতেক সুমন্ত অফিছলৈ আৰু ডাঙৰ নাতিয়েক মিণ্টু স্কুললৈ যোৱাৰ এইখিনি সময়ত বোৱাৰীয়েক অজন্তা ৰান্ধনিশালতেই ব্যস্ত থাকে। চৌধুৰীৰ দুবছৰীয়া নাতিনীয়েক-জনীয়ে বাৰান্দা আৰু চোতালতে দৌৰাদৌৰি কৰি খেলি থাকে। কেতিয়াবা হয়তো তাই উবুৰি খাই পৰি "ককা ককা"কৈ ৰাউচি জোৰে। মাক অজন্তাই "এইজনীৰ কান্দোনেই নুগুচে!" বুলি জেঙেৰা মাৰে। চৌধুৰীয়ে আদৰেৰে কোলাত তুলি ললেও মাকে কয়, "নল'ব তাইক। কোলা বগাই-বগাই তাই আদকৰা হৈ গৈছে।" চোলাত খামুচি ধৰা ছোৱালীজনীক ব্যথিত অন্তৰেৰে চৌধুৰীয়ে বাৰান্দাতে পুনৰ বহুৱাই থৈ নিজৰ কোঠাত সোমায়গৈ। বনকৰা ছোৱালী-জনীয়ে তাইক তুলি ললেও মাকে কয়, "তয়ো হ'বলা আৰাম কৰাৰ চেলু বিচাৰি ললি!" গতিকে ছোৱালীজনীয়ে কান্দি-কাটি এসময়ত নিজেই শান্ত হৈ আকৌ দৌৰাদৌৰি কৰিবলৈ ধৰে।

আজিও সুমন্ত আৰু মিণ্টু অফিছ-স্কুললৈ ওলাই যোৱাৰ পাছত ছোৱালীজনীয়ে কিবা কথাত জেউৰ ধৰিলে। মাকে ডাবি-ধমকিৰে কিবা খুৱাবলৈ চেষ্টা কৰিলে। বিছনালৈ অনাৰ পাছতো তাই উচুপিয়েই থাকিল। মাকে তাইক শুৱাবলৈ চেষ্টা কৰি-কৰি অৱশেষত বিৰক্ত হৈ চাপৰ এটা মৰাত তাইৰ কান্দোন বেছি হ'ল। চৌধুৰীয়ে আৰু ৰ'ব নোৱাৰিলে। কোঠাৰ দুৱাৰমুখলৈকে গৈ গল হেকাৰি এটা মাৰি তেওঁ ক'লে,—"বোৱাৰী অকণমান ছোৱালীজনীক অনাহকতে কিয় মাৰধৰ কৰিছা?"

বিছনাৰ পৰাই অজন্তাই ক'লে,—"নহয় দেউতা, তাই বৰ জেদী। ঔষধখিনিকে খাব খোজা নাই।"

"ঔষধ?"—উদ্বিগ্ন কণ্ঠে চৌধুৰীয়ে সুধিলে।

"টোপনি অহা ঔষধ দেউতা। দুচামুচ খুৱাই দিলেই তাইৰ টোপনি আহিব।" —সহজভাৱে অজন্তাই ক'লে।

চৌধুৰীয়ে কিবা ক'ব খুজিও বৈ গ'ল। নিজৰ ক্ষমতাৰ সীমা চৌধুৰীয়ে চিনি পায়।

তেওঁ লাহে-লাহে আঁতৰি আহি আগফালৰ বাৰান্দাৰ চকীখনতে বহি পৰিল। কিবা বিদেশী লতাই বাৰান্দাৰ এইখিনি ঠাই ছাটি পেলাইছে। চৌধুৰীয়ে

ইয়াতে বহুসময় বহিব। এইখিনি সময়তেই তেওঁ একান্তভাৱে নিজৰ লগত কথা পাতিব পাৰে।

আঃ! কিমান নিঃস্ব হ'ল মানুহৰ মনৰ জগতখন! এনেকুৱা সময়তে চৌধুৰীৰ পৰিবাৰ সুপ্ৰভালৈ মনত পৰে। নাজানিলেই বা ইংৰাজী আখৰকেইটা, কিন্তু মনটো? কিমান ভৰপূৰ আছিল মানুহজনীৰ মনটো! পোনা—মানে সুমন্তই আমনি কৰিলে গুণগুণকৈ গীত গাই মানুহজনীয়ে যে তাক কেনেকৈ যে নিচুকাইছিল! কেতিয়াবা পোনাৰ কাষত চকুমুদি তেৱোঁ শুনিছিল সেই গীতবোৰ। কি আছিল? কি আছিল?—লাই হালে জালে আবেলি বতাহে, লফা হালে জালে পাতে; —আমাৰে মইনা শুব এ বাৰীতে বগৰী কব এ; আৰু—আৰু সেই যে মইনাই মোনা সীবলৈ জোনবাইক বেজি খোজা, ভেকুলীয়ে বোপাককাৰ বৃত্তি নেৰি ফুলফুলাত বিধি-পথালি দিয়া, ৰ'দে বৰষুণে খঁৰা শিয়ালৰ বিয়াত ঘৰচিৰিকাই তামোল কটা গীতবোৰ! গীতবো ইমান শক্তি বাৰু কেনেকৈ থাকিব পাৰে? পাৰিছিল। সেইবোৰ গীত কণ্ঠৰ পৰা ওলোৱা নাছিল,—সেইবোৰ ওলাইছিল সুপ্ৰভাৰ হিয়াৰ পৰা। এৰা, এখন ভৰপূৰ হিয়াৰ পৰা নিগৰি-নিগৰি ওলাইছিল সেই গীত। আজি বাৰু পোনাৰ মনত সেইবোৰ গীতৰ সুৰে অনুৰণনৰ সৃষ্টি কৰেনে? পৰেনে মনত তাৰ মাকে কোৱা অপেশ্বৰী আৰু পাখিলগা ঘোঁৰাৰ সাধুবোৰ? তেজীমলা আৰু চিলনীৰ জীয়েকৰ সাধুবোৰ? সুপ্ৰভাই কল্পনাৰ দেউকাত তুলি পোনাক কিমান যে সোণ-ৰূপৰ দেশলৈ লৈ নগৈছিল! পোনাৰ বাৰু মনত পৰেনে? নপৰে কিজানি। চৌধুৰীৰ পিছে মাকে পোনাক কওঁতেই শুনা অজস্ৰ সাধু আজিও মনত জীৱন্ত হৈ আছে। তেওঁৰ কেতিয়াবা ইচ্ছা হয় যেন নাতিয়েক মিণ্টুক লগত লৈ কাঠৰ পখীঘোঁৰাত উঠি কোনোবা অচিন নগৰীলৈ গৈ যাদুকাঠীৰে শুই থকা নগৰখন প্ৰাণৱন্ত কৰি তুলিব! মিণ্টুক কোলাত বহুৱাই লৈ তেওঁ কেতিয়াবা ৰূপকথাৰ দুৱাৰ মুকলি কৰিব খুজিও থমকি ৰ'ব লগা হয় সুমন্তৰ চিঞৰত,—"মিণ্টু, ককাদেউতাৰাক কিয় আমনি কৰি আছা? আহা, এইয়া চোৱাহি,—নতুন কমিকছ,—দুখন—।"

চৌধুৰীয়ে গভীৰ বিষাদেৰে উপলব্ধি কৰে,—সুমন্তই হিয়াৰ অমূল্য মণি-মুকুতা নিঃশেষ কৰি কাঁচৰ মণি আহৰণ কৰিছে। ক'লৈ জানো গ'ল হৃদয় চিনি পোৱা মানুহবোৰ!

সুপ্ৰভাই তেওঁক কেতিয়াবাই এৰি থৈ গৈছে। কেতিয়াবা তেওঁ চকামকাকৈ দেখা দি চৌধুৰীক জোকাৰি থৈ যায়। সুপ্ৰভাৰ দৰে যদি তেৱোঁ সেই আছুতীয়া কোঠাটোৰ থাপনাৰ সমুখত বহি কটাব পাৰিলেহেঁতেন! তেতিয়া হয়তো তেওঁ বাহিৰৰ জগতখনৰ আঁৰ হৈ থাকি অলপ শান্তি পালেহেঁতেন। হয়, তেওঁ এটা আশ্ৰয় পালেহেঁতেন; অথাই সমুদ্ৰৰ মাজত খেৰকূটা পোৱাদি হ'লেও অলপ সাহস পালেহেঁতেন। বহুদিন ধৰি সেই কোঠাটোৰ দুৱাৰখন বন্ধ হৈ আছে। তেওঁ সেইখন খুলিব। তেওঁ জানে সিহঁতে আঁৰে-আঁৰে হাঁহিব; ভাবিব—বুঢ়া বয়সত পৰকিতি লৰিছে। ভাবক। তেওঁ দুৱাৰ খুলি সুপ্ৰভাই ৰখাৰ দৰে মচিকাচি কোঠাটো আটোম-টোকাৰিকৈ ৰাখিব। সিহঁতেতো নাজানে, সেই কোঠাটোতে এদিন কিমান বিশ্বাস, কিমান আন্তৰিকতা থুপ খাই আছিল!

"দেউতা ভাত দিছোঁ।" —বোৱাৰীয়েক অজন্তাৰ মাতত চৌধুৰী উচপ খাই উঠিল। তেওঁ অজন্তাৰ পিনে চালে। —তন্দ্ৰালস চকু। জীয়েক চাগৈ টোপনি যোৱা ঔষধ খাই শুলে। তাইৰ লগতে হয়তো মাকৰো টোপনি আহিছিল।

চৌধুৰীৰ একো খাবলৈ মন যোৱা নাই। আচলতে তেওঁৰ আজিকালি ভোকেই নালাগে। সুপ্ৰভাৰ দৰে অজন্তাইতো তেওঁৰ জিভাখন চিনি নাপায়! অজন্তাই তেওঁৰ মুখৰ ৰুচি বুজক—সেইটোৰ কোনো দৰকাৰো অনুভৱ কৰা নাই চৌধুৰীয়ে। খাবৰ মন নগলেও তেওঁ গৈ ভাতৰ পাতত বহিল।

বহা কোঠাৰ পৰা বাতৰি-কাকত কেইখন লৈ চৌধুৰী বাৰান্দাৰ চকীখনতে পুনৰ বহিলহি। কাকত-কেইখনত মানুহৰ খবৰ ক'ত? আচল মানুহৰ খবৰ? তেওঁ হতাশ হ'ল। বিশ্বৰ চুকে-কোণে হিংসামত্ত মানুহৰ অজস্ৰ খবৰ কাকত কেইখনে কঢ়িয়াই লৈ ফুৰিছে। মানুহ চিকাৰত কোনে কিমান কটামূৰ গোটাব পাৰে তাৰে প্ৰতিযোগিতা! প্ৰত্যেকৰে ইচ্ছা—বেছি সংখ্যক কটামূৰ গোটাই চৰ্দাৰ হোৱাৰ। প্ৰত্যেকতে যেন সেই আদিম পৰম্পৰা ৰক্ষাৰ প্ৰচেষ্টা। উঃ! কিমান বীভৎসতা বুকুত বান্ধি আজিৰ পৃথিৱীখন জীয়াই আছে! এনে লাগে—পৃথিৱীখন যেন কাইলৈকে নিঃশেষ হৈ যাব। কাইলৈকে যেন অনাতাঁৰত খবৰটো বিয়পি পৰিব—আজি ইমান বাজি ইমান মিনিটত বিশ্বৰ বৰেণ্য বিজ্ঞানীয়ে সাজি উলিওৱা সৰ্ববৃহৎ, অত্যাধুনিক, প্ৰযুক্তিবিদ্যাৰ মহান নিদৰ্শন-স্বৰূপ ইমান কোটি মানুহ চিকাৰ কৰিব পৰা বোমাটো নিক্ষেপ কৰা হ'ব! —হয়তো নিক্ষেপণৰ পাঁচ মিনিট আগতেও সুমন্তহঁতে চাহৰ মেজত বহি খবৰটোৰ বিশদ বিৱৰণ পঢ়ি হাঁহি-হাঁহি চাহকাপ খাব। আঃ! কি ভীষণ নিৰ্লিপ্ততা চাৰিওফালে! নে গীতাৰ স্থিতপ্ৰজ্ঞৰ চৰিত্ৰহে মানুহবোৰে আহৰণ কৰিছে? সেই সুখ-দুখ-ভয়তো উদ্বিগ্ন নোহোৱা মনটো? হয়তো সেয়ে কোনো কথাতে সিহঁতৰ আবেগ-অনুভূতি উথলি নুঠে। ৰাতিপুৱাৰ কোমল বেলিটোৱে সিহঁতক উৎসাহ প্ৰদান নকৰে, ফুলৰ সুবাসে সিহঁতৰ মন উন্মনা নকৰে, নিশাৰ জোনবায়ে মনত ৰূপকথাৰ সৃষ্টি নকৰে, কুলি-কেতেকীৰ মাতত মন ভৰি নুঠে, পৃথিৱীৰ শ্ৰেষ্ঠ সাহিত্যৰাজিয়ে সিহঁতৰ মন আলোড়িত নকৰে, পৃথিৱীৰ ৰূপ-ৰস-গোন্ধে সিহঁতৰ মনত কোনো ভাবাবেগ সৃষ্টি কৰিব নোৱাৰে। মানৱ জীৱনৰ মহান সম্ভাৱনাৰ সামান্যতম ধাৰণা নোহোৱাকৈ মাত্ৰ আহাৰ নিদ্ৰা মৈথুনৰ আৱৰ্তত আউল নলগাবলৈ যিকোনো উপায়ে সিহঁতে চাৰিওফালৰ পৰা অৰ্থ আঁজ্ৰিছে। চাৰিওফালৰ মানুহৰ আচৰণ দেখি চৌধুৰীৰ মানসপটত একোটা দৃশ্যাই ভুমুকি মাৰি যায়,—গুহা মানৱটোৱে গভীৰ অৰণ্যত প্ৰাণান্তক সংগ্ৰামেৰে চিকাৰ সংগ্ৰহ কৰি গুহালৈ উভতিছে; গুহাত থকা তাৰ সংগীনী আৰু সন্তানকেইটাৰে চিকাৰ কৰি অনা জন্তুটো দকচি খাই সংগীনীৰ লগত যৌন তাড়না প্ৰশমিত কৰি গভীৰ নিদ্ৰাত ঢলি পৰিছে; সপোনতো সি দেখিছে চিকাৰ আৰু যৌন মিলনৰ দৃশ্য; ৰাতিপুৱা পুনৰ ওলাই গৈছে চিকাৰৰ সন্ধানত। পৰম বিৰক্তিৰে চৌধুৰীয়ে ভাবে,— তেৱোঁ যদি নিৰ্লিপ্ত মন এটা পালেহেঁতেন, তেতিয়া হয়তো 'তেওঁ নিঃসংগ অনুভৱ নকৰিলে-হেঁতেন। মুক্ত হিয়াৰে হাঁহিব পাৰিলে-হেঁতেন; একেলগে অৱসৰ পোৱা বকৱাৰ দৰে দূৰদৰ্শনত স্পাইডাৰ মেনৰ ছিৰিয়েল চাই ৰোমান্স অনুভৱ কৰিলেহেঁতেন; নাতিয়েকৰ লগত যুদ্ধ-যুদ্ধ খেলিব পাৰিলে-হেঁতেন, আনকি পাঁচ বছৰীয়া ছোৱালী-জনীক অমানুষিকভাৱে ধৰ্ষণ কৰাৰ বাতৰিটো পঢ়ি-পঢ়ি তৃপ্তিৰে ৰাতিপুৱাৰ চাহকাপ খাব পাৰিলেহেঁতেন।

"ইস! ককাই পঢ়িবই নাজানে! কাগজখন ওলোটাকৈ লৈছে!"

চৌধুৰীয়ে নাতিয়েকলৈ চালে। হঠাতে যেন তেওঁ তাৰ মাজত সৰুকালিৰ পোনাকহে নতুনকৈ দেখা পালে! হয় হয়, সৰুতে পোনাও এনেকুৱাই আছিল। গভীৰ আবেগেৰে তেওঁ মিণ্টুক সাবটি লৈ সুধিলে, "মইনা, কেতিয়ানো স্কুলৰ পৰা আহিলা?"

"মইচোন অথনিয়ে তোমাৰ কাষেৰেই গ'লো, তুমি মোক নামাতিলাই।" অভিমানৰ সুৰত কথাখিনি কৈ মিণ্টুৱে ককাকৰ গালত মুখখন লগাই দিলে। চৌধুৰীৰ হিয়াখন উথলি উঠিল। নাতিয়েকক আৰু জোৰেৰে সাবটি ধৰি তেওঁ চকু দুটা মুদি দিলে। আঃ! কি প্ৰশান্তি! কিমান নিষ্কলুষ, সতেজ এই শিশুটো! পৃথিৱীৰ ধূলি-ধূসৰতাৰ পৰা যদি তেওঁ ইয়াক হৃদয়ৰ দেউকাৰে আৱৰি ৰাখিব পাৰিলেহেঁতেন! কিন্তু,—পোনাওটো এনেকুৱাই আছিল! পিছে পাৰিলেনে তেওঁ আৰু সুপ্ৰভাই তাৰ হৃদয়পাত্ৰ পৰিপূৰ্ণ কৰি ৰাখিব?

"ককা, তুমি কোৱা সেই দৈত্যটোক বাৰু ছুপাৰমেনে মাৰিব পাৰিবনে?" —মিণ্টুৱে হঠাতে সোধা প্ৰশ্নটোত চৌধুৰীৰ ভাবত যতি পৰিল।

"ছুপাৰ মেন? নাই নাই, ছুপাৰমেনে তাক মাৰিব নোৱাৰে। তাক মাৰিব পাৰিব—।"

চৌধুৰীক ক'বলৈ নিদি মিণ্টুৱে কৈ উঠিল,—"ইস, ময়ে তাক মাৰিব পাৰিম। আ ককা, মোক এটা পিষ্টল আনি দিবা? সকলোৰে বন্দুক-পিষ্টল আছে, মোৰহে নাই। মই সদায় সিহঁতৰ লগত হাৰিব লাগে।"

ভিতৰৰ পৰা দেউতাকৰ মাতত মিণ্টু একেজাপে চৌধুৰীৰ কোলাৰ পৰা নামি ভিতৰ সোমাল। চৌধুৰীয়ে চকুমুদি বহি ৰ'ল প্ৰস্তৰ মূৰ্তিৰ দৰে।

"হেণ্ডছ আপ!"

চৌধুৰীয়ে চকু মেলি দেখিলে মিণ্টুৱে পুতলা মেছিনগান এটা হাতত লৈ চৌধুৰীৰ পিনে চকু ঘোপা কৰি টোৱাই আছে; তাৰ চকু-মুখত ফুটি উঠিছে জিঘাংসাৰ বীভৎস ৰূপ।

"তোমাক মই কিমান দিন ক'লো, তুমি মোক পিষ্টল এটা আনি নিদিলা। এয়া চোৱা, দেউতাই মোক মেছিনগান আনি দিছে। তোমাক মই গুলী কৰিম।"

চৌধুৰীয়ে লাহে-লাহে থিয় হৈ হাতদুখন ওপৰলৈ তুলি ধৰিলে। মিণ্টুৰ মেছিনগানত অবিৰাম গুলী ফুটিবলৈ আৰম্ভ কৰিলে। প্ৰত্যেকটো গুলীৰ শব্দই চৌধুৰীৰ কলিজাখন ভেদি চিৰাচিৰ কৰি পাৰ হৈ যাবলৈ ধৰিলে।

৩৩ পৃষ্ঠাৰ পিছৰ পৰা

আঁচোৰত হয়তো ক্ষত-বিক্ষত সিহঁতৰ শৰীৰ!

**১৮৮৯, ১৯ অক্টোবৰ : খান্দা ল'ৰাহঁত, খান্দা**

বৰ্তমানৰ ডিগবৈ ৰেল ষ্টেছনৰ উত্তৰ-পূব দিশত অটব্য অৰণ্যৰে আবৃত সৰু টিলাটো। দিনতো সেইফালে কোনো মানুহে যাবলৈ সাহস নকৰে। দিন-দুপৰতে ভাঁহি আহে বাঘৰ গৰ্জন; বনৰীয়া হাতী কেতিয়াবা জাক পাতি ওলাই আহে লোকালয়লৈ।

ডব্লিউ. এল. লেক (W. L. Lake) নামৰ সুদূৰ এনফিল্ডৰ পৰা অহা প্ৰচণ্ড সাহসী কৰ্মচাৰী এজনে এ আৰ টি. কম্পেনিৰ উচ্চপৰ্যায়ৰ বিষয়াৰ ওচৰত প্ৰস্তাৱ দাঙি ধৰিলে—সেই গভীৰ অৰণ্যত তেলৰ অনুসন্ধান চলাবলৈ। প্ৰায় চাৰি বছৰ জুৰি বংগ-বিহাৰত মাইকা, এছবেছটছৰ বাবে অনুসন্ধান চলাই ব্যৰ্থ হৈ অহা লেক চাহাব অৱশেষত অসম পাইছেহি তেলৰ সন্ধানত।

কোম্পানিৰ পৰা ছিগনেল পোৱাৰ লগে-লগেই প্ৰচণ্ড উৎসাহেৰে লেক চাহাব কামত লাগি গ'ল। নেটিভ অসমীয়া, বাঙালী বনুৱাৰ সহযোগত তেওঁ আৰম্ভ কৰি দিলে ঘন অৰণ্য পৰিষ্কাৰ কৰি বনপথ নিৰ্মাণ কৰিবলৈ, সুদূৰ বিদেশৰ পৰা আমদানি কৰা হ'ল খননৰ বাবে যাৱতীয় যন্ত্ৰ-পাতি, সা-সৰঞ্জাম। যোগাৰ কৰা হ'ল প'ৰ্টেবল বয়লাৰ। জংগলৰ মাজে-মাজে বনোৱা লুংলুঙীয়া পথেৰে ছাইটলৈ হাতীৰে কঢ়িয়াই নিয়া হ'ল যন্ত্ৰপাতি; কেইবাটাও সৰু-সৰু তম্বু তৰা হ'ল ছাইটত।

ধীৰে-ধীৰে বনৰীয়া জন্তু, জেঁাক, সাপৰ বিচৰণভূমিত থিয় হৈ উঠিল মাকাই, নাহৰ কাঠেৰে নিৰ্মিত সেই অঞ্চলৰ প্ৰথম বিজ্ঞানসম্মত ডেৰিক। মাৰ্ঘেৰিটাৰ পৰা অনা কয়লাৰে প্ৰজ্জ্বলিত হৈ উঠিল প'ৰ্টেবল বয়লাৰ। মেছিনৰ টুং টাং, ঘৰ-ঘৰ শব্দত মুখৰিত হৈ উঠিল অটব্য অৰণ্য। অবিৰাম কয়লাৰে প্ৰজ্জ্বলিত হৈ উঠিল প'ৰ্টেবল বয়লাৰ। মেছিনৰ টুং টাং, ঘৰ-ঘৰ শব্দত মুখৰিত হৈ উঠিল অটব্য অৰণ্য। অবিৰাম পৰিশ্ৰমত শ্ৰান্ত-ক্লান্ত হৈ পৰা বনুৱাক বাৰে-বাৰে লেক চাহাবে চিঞৰি-চিঞৰি নিৰ্দেশ দিলে—খান্দা ল'ৰাহঁত, খান্দা (Dig Boy, Dig); এয়া জিৰণিৰ সময় নহয়।

অৱশেষত, ১৮৮৯ চনৰ ১৯ অক্টোবৰত ভাৰতবৰ্ষত তেল অনুসন্ধানৰ এক নতুন ইতিহাসৰ সূচনা কৰি ডিগবৈৰ প্ৰথম খাদটোত মাত্ৰ ১৭৮ ফুট গভীৰতাত পোৱা গ'ল তেলৰ সন্ধান।

সেই সময়ত হয়তো লেক চাহাবে কল্পনাও কৰা নাছিল যে তেওঁৰ সেই ঐতিহাসিক নিৰ্দেশ—'খান্দা ল'ৰাহঁত, খান্দাৰ পৰাই ভাৰতবৰ্ষৰ উত্তৰ-পূব কোণৰ এচুকত গঢ় লৈ উঠিব ভাৰতৰ প্ৰথম তেল-নগৰী 'ডিগবই'।


ডিগবৈৰ সেই সূত্ৰ ধৰিয়েই কেনেকৈ পাছত অন্য এক তেল-নগৰী দুলীয়াজানৰ সৃষ্টি হ'ল, সেয়া ভিন্ন সময়ৰ এক ভিন্ন কাহিনী। পাছত কেতিয়াবা কোৱাৰ আশা ৰ'ল।

(সংগৃহীত ঐতিহাসিক তথ্য আৰু কিছু নিজস্ব কল্পনাৰ সংযোজনত এই ৰচনাৰ সৃষ্টি। ইতিহাসৰ ছিৰিয়াছ পাঠকক এটা কথা কৈ থোৱাটো উচিত হ'ব : এয়া 'ইতিহাস' নহয়; ঐতিহাসিক 'কল্পকাহিনী'হে। অৱশ্যে মূল ঘটনা-প্ৰবাহ, আৰু ইতিহাসৰ পৰা তুলি অনা ব্যক্তিসকলক নিজস্ব স্থান আৰু নিজস্ব সময়ৰ পৰা বিচ্যুত কৰাৰ স্বাধীনতা কল্পনাক দিয়া নাই। —লেখক)।

OKDISCD

## পাথৰেহে জানে

**ৰবীন্দ্ৰ সৰকাৰ**



ছিন্নমূল মানুহৰ দৰে
বাটপথ আগচি পাথৰ—
আঁঠুত মূৰ গুজি বহি আছে।
অতদিন জনা নাছিল
ক'ত কেনেকৈ লুকাই থাকে
চিপৰাঙৰ নিষ্ঠুৰতা,
ড্ৰিলিঙৰ অন্তৰ্ভেদী চিঞৰ।

শোকত শিল হোৱা মানুহ মই দেখিছোঁ।
পাথৰৰো শোক আছে, দুখ আছে,
ভাঁজ আৰু ভাষা আছে অন্তৰৰ;
ভাব তাৰ বুজিছিলে ভাস্কৰ মূৰে—
ছন্দ লয় উত্থান পতন
গতিহীনতাৰ মাজতো ইমান স্বচ্ছল, গতিময়—
মূৰ্ত মানৱতাৰ প্ৰতীক।

শেলুৱৈ ধৰা ওখ পাথৰ দেখিলেই
আজিও মোৰ সোণৰ চচমা পিন্ধা
বুৰঞ্জীৰ সেই প্ৰাজ্ঞ অধ্যাপকজনলৈ মনত পৰে;
তৰাফুলা ৰাতি কিলিঙৰ উপত্যকাত
শুনো মই ঘোঁৰাৰ খুৰাৰ শব্দ,
বাউলী বতাহত উৰি যায় ধূসৰ
সময়ৰ কেইখিলামান উকা পাত—

মানুহৰ কৃতঘ্নতা আয়ুষ্মান
পাথৰেহে জানে!


## সেই সময়বোৰ

**মুনীন্দ্ৰ মোহন দাস**


এই যে কিনকিনীয়া বৰষুণ
আৰু ঘোলা আকাশৰ পৰা মাজে-মাজে এচমকা ৰ'দ—
পাতলিত-বোকা-লাগি-থকা-মেখেলা-পিন্ধা আদহীয়া তিৰোতাৰ দৰে
নিৰস দিনবোৰ

সেই যে সময়বোৰ—
উৎকণ্ঠাহীন, অপৰিমিত সময়বোৰ,—
নাকে-মুখে ফিৰফিৰীয়া বতাহ লগাই
পাহাৰীয়া বাটেৰে জোনাক ৰাতি গৈ থকাৰ দৰে—
আহিব, আহিব আগত এখন ৰূপালী নদী
জিৰজিৰীয়া পানীৰ আঁচল উৰাই—,
পাম পাম অনতিদূৰত
ৰঙা ধূলিয়ৰি বাটৰ দুয়োকাষে কৃষ্ণচূড়াৰ শাৰী—

সেই যে সময়বোৰ—
লাহে-লাহে,
গালে-মুখে হাত ফুৰাই দি, পিঠি থপৰিয়াই দি,
অলস খোজেৰে গাৰ কাষেদি পাৰ হৈ যোৱা সময়বোৰ,
অফুৰন্ত, এনেয়ে পৰিথকা সময়বোৰ,
যিমানে-লাগে-তিমানে বুটলি লব পৰা সময়বোৰ,
—হ'ব, হৈ যাব, একো ভয় নাই—
এনেকুৱা নিৰুদ্বেগ আশ্বাসেৰে ভৰা সময়বোৰ,
সেই সময়বোৰ,
য'ত এটাও নিৰস দিন নাছিল—
প্ৰত্যেকটো দিন আছিল নতুন, সতেজ আৰু বেলেগ,
কেতিয়াবা ৰ'দাল আৰু কেতিয়াবা ডাৱৰীয়া,—
প্ৰতিদিনে পূবৰ আকাশত নতুন স্বাধীনতা,—
কিনকিনীয়া বৰষুণ
আৰু ঘোলা-আকাশৰ-পৰা-সৰা-চমকা-ৰ'দৰ দিনবোৰ
মুনিচুনি পৰত অচিনাকি বাটত
বাছলৈ বৈ থকা গাভৰুৰ চকুৰ দৰে—







ধাৰাবাহিক উপন্যাস

# ৰম্যভূমি

**ভবেন্দ্ৰ নাথ শইকীয়া**

### দহ

কথা পাতিব ? মোৰ লগত ? —খবৰটো শুনি মহানন্দৰ ভিতৰখন জিকাৰ খাই উঠিল। কালি ৰাতি ভাত খোৱাৰ সময়ত যোগমায়া মানুহজনীক তেওঁ দেখিছে; কিন্তু মানুহজনীৰ চকুৱে-চকুৱে পৰক—এনেকৈ তেওঁ এবাৰো মানুহজনীৰ ফালে চোৱা নাই। মানুহজনী ওচৰতে থিয় হৈ আছে বুলি তেওঁ জানিছে, মানুহজনীৰ মাত শুনি আছে, কিন্তু তেওঁ মূৰ তুলি মানুহজনীৰ মুখলৈ চোৱা নাই; মাজে-মাজে কেৱল আঁৰ-চকুৰে মানুহজনীৰ ভৰি দুখনলৈ চাইছে।

এতিয়া লক্ষেশ্বৰৰ মুখে যোগমায়াই তেওঁক আৰু এদিন থাকিবলৈ কৈছে, যোগমায়াই তেওঁৰ লগত কথা পাতিব,— এইবোৰ শুনি মহানন্দৰ ভয়-ভয় লাগিল। তেওঁ ঘৰত এৰাতি থাকি উভতিম বুলি কৈ আহিছিল। সেইটো হ'ব বাৰু। এদিন পলম হোৱাটো বৰ ডাঙৰ কথা নহয়। কিন্তু যোগমায়াৰ লগত কথা!

চাহ-জলপান খাই উঠি মহানন্দই কি কৰোঁ কি নকৰোঁকৈ অকণমান সময় আগফালৰ কোঠালিটোতে বহি ৰ'ল। আগফালৰ বাৰান্দাত শম্ভুৱে লক্ষেশ্বৰৰ লগত কাঠৰ ব্যৱসায়ৰ বিষয়ে কিবা কথা পাতিছে। ভিতৰফালে কোনোবাই কাৰোবাক মাজে-মাজে সৰু মাতেৰে কিবা কৈছে; ওচৰৰ কোঠালি দুটাত মাজে-মাজে কাৰোবাৰ খোজ আৰু কাপোৰৰ শব্দ হৈছে; কোনোবা এখন দুৱাৰে মাজে-মাজে কেৰ-কেৰ কৰিছে। কিছু সময় বহি থাকি মহানন্দ আগফাললৈ ওলাই গ'ল।

"কেনিবা যায় নে কি?" —লক্ষেশ্বৰে সুধিলে।

"নাই, এনেয়ে—এইখিনিতে অকণমান"—বুলি মহানন্দ লাহে-লাহে ওলাই গ'ল। অনন্তৰ নাতিয়েক গোপালৰ গেলামালৰ দোকানখনৰ আগত থিয় হৈ তেওঁ ছিগাৰেট এটাৰ কথা ভাবিলে। গোপালে মালজোখা ল'ৰাটোৰ হতুৱাই তক্তাপোচখনৰ তলৰ চুকটোত উঁয়ে উলিওৱা মাটি চফা কৰাইছিল; সি মহানন্দৰ মুখলৈ চালে। সি দোকান খুলিবলৈ অহাৰ আগতে সদায় অকণহঁতৰ গোঁসাইঘৰৰ সমুখত থিয় হৈ থাপনাখনৰ ফালে মূৰ দোঁৱাই সেৱা এটা কৰি আহে। আজি সেৱা কৰিবলৈ যাওঁতে সি অকণহঁতৰ পিছ চোতালত এই মানুহজনক দেখিছিল যেন লাগিল।

মহানন্দই লেম-মাৰ্কা ছিগাৰেট পাঁচটা বিচাৰিলে। নতুন পেকেট এটাৰ পৰা খালী পেকেট এটাত পাঁচটা ছিগাৰেট ভৰাই মহানন্দৰ হাতত দি গোপালে সুধিলে, "আপোনাক এখেতসকলৰ ঘৰত দেখা যেন লাগিছিল—!"

"হয়, ইয়াতে আছোঁহি।" —বুলি চমুকৈ উত্তৰটো দি মহানন্দই ছিগাৰেট জ্বলাবলৈ খোলা দিয়াচলাই এটা বিচাৰিলে।

গোপালে খপজপকৈ নতুন দিয়াচলাই এটা খুলি মহানন্দৰ ফালে আগুৱাই ধৰিলে। ছিগাৰেট এটা জ্বলাই মহানন্দই জেপৰ পৰা ভঙনীয়া পইচা কেইটামান উলিয়াই গোপালক তাৰে কি-কি দিব বাছিলে। গোপালে হাতযোৰ কৰি ক'লে, "নালাগে, হ'ব।"

মহানন্দই ওঁঠৰ মাজৰ ছিগাৰেটটোৰ ধোঁৱাই সৰু-সৰু কৰি পেলোৱা চকু দুটাৰে গোপাললৈ চালে। —"কিয়?"

"আপুনি এখেতসকলৰ আলহী। আপোনাৰ পৰানো পইচা লমনে?" গোপালে হাতযোৰকৈয়ে ক'লে।

মহানন্দই বাঁওহাতেৰে ওঁঠৰ মাজৰ পৰা ছিগাৰেটটো লাহে-লাহে নমাই ললে। তেওঁ একেথৰে গোপালৰ চকুলৈ চায়েই ৰ'ল। কেই মুহূৰ্তমান চাই থাকি তেওঁ সুধিলে, "এখেতসকল তোমাৰ কি হয়?"

"আই, বোপাই, ভগবান,—যি বোলে।" গোপালে সামান্য হাঁহি এটাৰে ক'লে।

মহানন্দই যেন কথাষাৰ বুজিবলৈ চেষ্টা কৰিলে, কিন্তু একো নুবুজিলে। তেওঁ সুধিলে, "এইখন তেখেতসকলৰ দোকান নে কি?"

"দোকানখন নামত আমাৰেই, কিন্তু আচলতে তেখেতসকলৰ বুলি কোৱাই ভাল।"

"মানে? বুজাই কোৱাচোন। কথাটো কি?"

গোপালে পোনে-পোনে, চমুকৈ বুজাই ক'লে। তাৰ ককাদেউতাক অনন্ত সৌটো

ঘৰৰ মালিক ঘনশ্যাম চৌধুৰীৰ চকীদাৰ আছিল। ঘৰটো সজা শেষ হোৱাৰ পৰা ঘৰখন পাতি দিয়ালৈকে সকলো কামৰ চকীদাৰী তাৰ ককাদেউতাকে কৰিছিল। এতিয়া সিহঁতো যোগমায়া-লক্ষেশ্বৰহঁতৰ চকীদাৰ ; কিন্তু আচলতে যোগমায়া-লক্ষেশ্বৰহঁতেহে সিহঁতৰ সংসাৰখনৰ চকীদাৰী কৰে ; —আই বোপায়ে যেনেকৈ ল'ৰা-ছোৱালীৰ সংসাৰৰ চকীদাৰী কৰে, —তেনেকৈ।

দোকানখনৰ আগফালে পাৰি থোৱা বেঞ্চখনত ওচৰৰে গছ এজোপাৰ ছাঁ পৰিছিল। মহানন্দৰ বেঞ্চখনত অলপ সময় বহিবলৈ মন গ'ল ; কিন্তু তেওঁ নবহিল। নিঃশব্দে ছিগাৰেটটোত হোঁপা এটা মাৰি তেওঁ সুধিলে, "তুমি ঘনশ্যাম চৌধুৰীক দেখিছিলা ?"

"নাই দেখা।"

"তোমাৰ ককাদেউতাৰাক মই এবাৰ লগ পাব পাৰিম নে ?"

গোপালে লৰালৰিকৈ ক'লে, "নাই নাই, তেখেত কেতিয়াবাই ঢুকাল।"

পইচাকেইটা আৰু ছিগাৰেটৰ পেকেটটো জেপত ভৰাই মহানন্দ আঁতৰি গ'ল। হৰিশংকৰ আৰু গোপালহঁতৰ ঘৰৰ মাজৰ বাটটোৰেদি তেওঁ চুবুৰিটোৰ ভিতৰলৈ সোমাই গ'ল। তেওঁ লাহে-লাহে তলমূৰকৈ খোজ কাঢ়িলে, দুই-এবাৰ মূৰ তুলি চালে। ৰেলৰ আলিৰ কাষে-কাষে লক্ষেশ্বৰহঁতে সেই তাহানিয়েই বেচা মাটিত দহটামান ঘৰ, —পকা, কেচা, জ্পুৰী,— বিভিন্ন ধৰণৰ। বুঢ়া এটাই কোৰ মাৰিছে, মানুহ এজনীয়ে জেওৰাত কাপোৰ মেলিছে, লুঙী পিন্ধা ডেকা এটাই এতিয়া দাঁতোনেৰে দাত মাজিছে, এটা ঘৰৰ ভিতৰত দুটামানে একেলগে চিঞৰি-চিঞৰি পঢ়িছে, এটা ঘৰৰ আগফালে বান্ধি থোৱা পছু পোৱালি এটাই ঘাঁহ খাইছে—।

শম্ভু-লতিফহঁতৰ ঘৰৰ ওচৰত বাটটো সোঁফালে ঘূৰিছে। মদন মোহনহঁতৰ দুমহলীয়া ঘৰটোৰ আগেদি আহি মহানন্দ জগমোহনৰ শিৱমন্দিৰৰ আগত ওলালহি। আঙুলিৰ চেপত ছিগাৰেটটো পুৰি-পুৰি এনেয়ে শেষ হৈছিল ; গুদামঘৰৰ কাষৰ নৰ্দমাটোত ছিগাৰেটৰ টুকুৰাটো পেলাই মহানন্দই ভাবিলে—কোন ফালে যোৱা যায়। এতিয়াই ঘৰলৈ,—মানে লক্ষেশ্বৰহঁতৰ ঘৰলৈ যাবলৈ তেওঁৰ মন নগ'ল। স্কুলৰ আগেদি তেওঁ পাৰ্কখনলৈ আহিল ; ভিতৰলৈ সোমাই ৰেলৰ আলিৰ ফালৰ ছাঁ পৰি থকা বেঞ্চ এখনত বহিল। কিছুসময়ৰ পাছত তেওঁ পেকেটটো উলিয়াই ছিগাৰেট এটা ওঁঠৰ মাজত গুজিলে। তাৰ পাছত তেওঁৰ মনত পৰিল—দিয়াচলাই নাই। ছিগাৰেটটো তেওঁ আকৌ পেকেটটোত ভৰাই থলে।

এই গোটেইখিনি সময় তেওঁৰ মনলৈ একেটা কথাই বাৰে-বাৰে আহি থাকিল,— এওঁলোক—মানে যোগমায়াহঁত—মানে যোগমায়া মানুহজনী দোকানীটোৱে কোৱাৰ সমানে ভাল মানুহ নে ? আৰু,—তেওঁ যে সেই তাহানি দেউতাকক ইমান ভাল মানুহ বুলি ভাবিছিল !

যোগমায়াক লগ পাবলৈ মহানন্দৰ ভয়-ভয় লাগিছিল, এতিয়া মনো গ'ল। আকৌ সেই ৰাতি ভাত খাই উঠাৰ পাছত যোগমায়াই তেওঁক চোতালত বহুৱাই লব নে কি ? দিনৰ দিনটো সেইখিনি সময়লৈ বাট চাই থাকিব লাগিব নে কি ?

যোগমায়াই দুপৰীয়া ভাত খোৱাৰ পাছতে মহানন্দক অকণৰ কোঠালিত বহুৱাই ললে। লক্ষেশ্বৰ আৰু তৰা ঘৰটোৰ সিফালৰ মূৰৰ সিহঁতৰ শোৱনি কোঠাত আছিল ; তাৰ বাহিৰে ঘৰখনত কোনো নাছিল। যোগমায়াৰ আজি কেৱল জানিবলৈ মন গৈছিল—ঘনশ্যাম চৌধুৰী মানুহজনৰ শেষৰ সময়খিনিত কি হৈছিল। তাই নিজে মানুহজনৰ ওচৰত থকা হ'লে যি দেখিলেহেঁতেন, গোটেই জীৱনটোলৈ যি মনত ৰাখিলেহেঁতেন, কেতিয়াবা কোনোবা আপোনজনক কথাবোৰ লাহে-লাহে, এফালৰ পৰা একো বাদ নপৰাকৈ যেনেকৈ ক'লেহেঁতেন—আজি যেন মহানন্দই তেনেকৈ কৈ যায়,—তাই তাকে আশা কৰিলে।

"কি হৈছিল তেখেতৰ ? কথাবোৰ তোমাৰ মনত আছে নে ? কোৱাচোন কেনেকৈ কি হ'ল ?" —অকণৰ বিছনাখনত বহি লৈ যোগমায়াই পোনে-পোনে মহানন্দক সুধিলে।

মহানন্দই অকণমান সময় যোগমায়াৰ মুখলৈ চাই ৰ'ল। গোল মুখ, বগা ৰং, চকু দুটা ডাঙৰ-ডাঙৰ, উজ্জ্বল ; মুখখনত বয়সৰ এটা হিচাপ আছে, কিন্তু কোনো দাগ নাই। মাতটো গহীন, কোমল, স্পষ্ট ; —কি কৈছে নুবুজাকৈ থকাৰ উপায় নাই।

কথাখিনি ক'বলৈ লৈ মহানন্দই এবাৰ মাটিলৈ চাই চকুযোৰ মুদি ললে। এইবাৰ তেওঁ যেন দেউতাকক চাই লবলৈ চেষ্টা কৰিলে। তাৰ পাছত তেওঁ লাহে-লাহে কৈ গ'ল।

ঘনশ্যাম চৌধুৰীৰ অসুখ-বিসুখৰ কোনো লক্ষণেই নাছিল। আগৰ বাৰ ঘৰলৈ আহোঁতে তেওঁ দুষ্প্ৰাপ্য লতাফুলৰ পুলি এটা আনিছিল ; সেইদিনা আগবেলা তেওঁ পুলিটোৰ গুৰিত খুটি দুটা পুতি সেইটো বগাই যোৱাৰ ব্যৱস্থা কৰি দিছিল আৰু বনকৰা মানুহ ভগীৰথক বকিছিল,—'তহঁতৰ নিজৰ চকু নাই ? নিজৰ জ্ঞান নাই ? মই নাথাকিলে চব নবাব হৈ থাক ? এই সামান্য কামটোৰ কাৰণেও মই ছুটী লৈ ঘৰলৈ আহিব লাগে ?' —ইত্যাদি। মহানন্দৰ মাকে এবাৰ ভিতৰত তেওঁক কৈছিল—'সেইকণ কথাতে নো তাক ইমানকৈ কিয় বকিছে ?' তেতিয়া তেওঁ চকু টিপিয়াই কৈছিল, 'ৰবাহে ! মুখখন খজুৱাই আছে ; খজুতিটো মাৰি লৈছোঁ।'

সেইদিনা দুপৰীয়া চৌধুৰীয়ে পাৰ মাংসৰে ভাত খাইছিল। ভাত খাই থাকোঁতে পাৰ চৰাইবোৰ বৰটোকোলা একোটাৰ সমান নোহোৱাৰ কাৰণে অসন্তোষ প্ৰকাশ কৰিছিল। সেই খিচখিচীয়া পাৰ মাংস মেকুৰীক দিবলৈ কৈছিল। ভাত খাই উঠি, এঘণ্টামান বিছনাত পৰি থকাৰ পাছত তেওঁ কাপোৰ-কানি পিন্ধি বাগানৰ মাটি চাবলৈ যাবলৈ সাজু হৈছিল। হাবিতলীয়া ঠাইত খোজ কাঢ়িব লাগিব কাৰণে তেওঁ বুট জোতাযোৰ পিন্ধি লৈছিল। নিৰ্মল ভট্টাচাৰ্য্য অহাৰ কথা আছিল। তেওঁৰ অহাত পলম হৈছিল। সেইখিনি সময় চৌধুৰীয়ে আগফাল-পিছফাল, ইটো কোঠালি-সিটো কোঠালি কৰি ফুৰিছিল। তেওঁ বুটজোতাৰ খটপ-খটপ শব্দত অতিষ্ঠ হৈ ঘৈণীয়েকে কৈছিল—'একে ঠাইতে নো বহি নাথাকে কিয় ?'

এঘণ্টামান পলমকৈ নিৰ্মল ভট্টাচাৰ্য্য আহিছিল। চৌধুৰীয়ে তেওঁক দেখিয়েই চিঞৰিছিল—'হেৰা বাপু, তুমি চাহ-বাগিচা পাছত কিনিবা ; আগতে ঠিক সময় দিয়া ঘড়ি এটা কিনি লোৱা।' তাৰ পাছত দুয়ো ওলাই গৈছিল।

নিৰ্মল ভট্টাচাৰ্য্যই কোৱামতে—চাহ-বাগিচাৰ মাটি পোৱাৰ পাছতো চৌধুৰী সম্পূৰ্ণ ঠিকেই আছিল। ভট্টাচাৰ্য্যৰ নিজৰ ভাগৰ লাগিছিল, কিন্তু চৌধুৰীৰ ভাগৰৰ কোনো চিনেই নাছিল। বৰঞ্চ তেওঁ এঠাইত ওখ গছ এজোপাৰ আগৰ ডাল এটাত মৌ-বিচনী এখন ওলমি থকা দেখি সেইখনলৈ দলিয়াবহে খুজিছিল। এসময়ত মুকলি ঠাই এডোখৰৰ ঘাঁহনিত বহি দুয়ো হাঁহি-মাতি বাগিচাখনৰ কথা পাতি আছিল। চৌধুৰীয়ে শকত চুৰট এটা জ্বলাই লৈছিল। হঠাতে এবাৰ মানুহজনে চুৰট হোপা, কথা কোৱা বন্ধ কৰিছিল ; সোঁহাতেৰে বুকুখনত হেঁচা মাৰি ধৰিছিল। ভট্টাচাৰ্য্যই কি হ'ল-কি হ'ল বুলি তেওঁৰ বাহুত ধৰিছিল। ওঁহ-আহ কৰি অলপ পাছতে চৌধুৰী ঘাঁহনিৰ ওপৰত চিৎ হৈ পৰিছিল। অলপ সময়ৰ কাৰণে কি কৰোঁ-কি নকৰোঁ কৰি ভট্টাচাৰ্য্য অস্থিৰ হৈছিল ; তাৰ পাছত তেওঁ অলপ দূৰত থকা বাটটোলৈ দৌৰিছিল। অলপ পাছতে সেই বাটেদি এখন ম'হৰ গাড়ী আহিছিল। গাড়ীখন ৰখাই গাড়োৱানটোৰে সৈতে ভট্টাচাৰ্য্য চৌধুৰীৰ ওচৰলৈ দৌৰিছিল। গাড়োৱানটোৱে মূৰৰ ফালে আৰু ভট্টাচাৰ্য্যই ভৰিৰ ফালে ধৰি চৌধুৰীক গাড়ীখনলৈ দাঙি আনিছিল। তাৰ পৰা চৌধুৰীহঁতৰ ঘৰলৈকে এই ছোৱা বাট গাড়ীখনৰ ম'হ দুটাই খোজ কঢ়া নাছিল ; —ভট্টাচাৰ্য্যৰ হুকুমত দৌৰিছিল। ঘৰ পোৱাৰ সময়ত চৌধুৰীৰ চেতন নাছিল। আধাঘণ্টামানৰ ভিতৰতে চহৰখনত ডাক্তৰ কবিৰাজ বুলিবলৈ যিমান মানুহ আছিল,— চিকিৎসাৰ নামত অলপ-অচৰপ কিবা জনা যিমান মানুহ আছিল, সকলো আহি ঘৰখনত গোট খাইছিলহি। চিকিৎসাৰ একো নজনা, কিন্তু চৌধুৰীক জনা মানুহেৰে ঘৰ ভৰি পৰিছিল। মানুহজনৰ চেতন উভতি অহা নাছিল। পিছ নিশা তেওঁৰ ডিঙিৰ পৰা এটা শব্দ ওলোৱা যেন লাগিছিল। দহ-বাৰজন মানুহ গোটেই নিশা সাৰে আছিল। মহানন্দৰ মাক চৌধুৰীৰ মূৰৰ ওচৰতে বহি আছিল। কোনোবাই মহানন্দক শোৱাৰ কথা কৈছিল ; কিন্তু তেওঁ শোৱা নাছিল। চকী এখনত বহি থাকোঁতে এবাৰ অকণমান সময়ৰ কাৰণে তেওঁৰ টোপনি গৈছিল। পাছদিনা—আগবেলা—এঘাৰ বজাৰ অলপ পাছতে ছজন মানুহে ধৰাধৰিকৈ চৌধুৰীক বাহিৰলৈ উলিয়াইছিল।

মহানন্দই জীৱনত প্ৰথম বাৰ দেউতাক ঢুকুৱাৰ কথাখিনি ইমান দীঘলীয়াকৈ, ইমানকৈ মনত পেলাই-পেলাই, ইমান খুঁটি-নাটি মাৰি কৈ পালে। বহুত দিনৰ মূৰত—এই প্ৰথম বাৰৰ কাৰণে—বুটজোতা পিন্ধি খটপ-খটপকৈ খোজ কাঢ়ি ফুৰা দেউতাক, অচেতন হৈ পৰি থকা দেউতাক আৰু বগা কাপোৰেৰে ঢাকি থোৱা দেউতাকৰ ছবি মানুহজনৰ চকুৰ আগত জিলিকি উঠিল। —ঘটনাবোৰ যেন এইমাত্ৰ ঘটিছে ; —এতিয়াও ঘটিয়েই আছে !

অচেতন ঘনশ্যাম চৌধুৰীৰ মূৰৰ শিতানত বহি থকা মানুহ এজনীৰ নিচিনাকৈ যোগমায়াই কথাবোৰ শুনি গ'ল। তায়ো যেন ঘটনাবোৰ দেখি গ'ল। এবাৰ যেন তাই সৰু বাটি এটাৰ পৰা এচামুচ পানী ঘনশ্যাম চৌধুৰীৰ ওঁঠ দুখনৰ মাজত বাকি দিলে। পানীখিনি মানুহজনৰ দুই কোৱাৰিয়েদি বৈ আহিল। চাদৰৰ আচলেৰে তাই মানুহজনৰ কোৱাৰি দুটা,—লগতে গোটেই মুখখন আলফুলকৈ মচি দিলে।

মাজতে হঠাতে এবাৰ যোগমায়া ভিতৰি-ভিতৰি অস্থিৰ হৈ উঠিল ; —সেইদিনা—ঠিক সেই সময়খিনিত তাই কি কৰি আছিল ? কি কৰি আছিল ?

মজিয়াৰ একেডোখৰ ঠাইলৈ চাই দুয়ো কিছু সময় মনে-মনে বহি ৰ'ল। তাৰ পাছত যোগমায়াৰ মুখেদি আপোনা-আপুনি ওলোৱাৰ নিচিনাকৈ ওলাল,—"কিবা খাইছিল নে ?"

মহানন্দই মূৰ জোকাৰিলে। নাই খোৱা। তাৰ পাছত তেওঁ ক'লে, "ঔষধখিনিয়েই ভালকৈ পেটলৈ নগ'ল।"

যোগমায়াৰ যেন আজি আৰু সুধিবলগীয়া একো নাই—তাই তেনেকৈ কিছু সময় বহি থাকিল। অলপ পাছতে লক্ষেশ্বৰহঁতৰ কোঠালিৰ দুৱাৰ খোলাৰ শব্দ শুনা গ'ল। যোগমায়াই মহানন্দক সুধিলে, "ছবিখন আকৌ লৈ যাবা নে কি ?" তাৰ পাছতে উত্তৰটোও তায়েই দিলে, "ইয়াতে থাকক দিয়া।"

আবেলি অকণ স্কুলৰ পৰা অহাৰ পাছত যোগমায়াই নিজে তাক, তাৰ কোঠালিতে চাহ-জলপানৰ যোগাৰ কৰি দিলে। অকণে খাই থাকোঁতে যোগমায়া ওচৰতে বহি থাকিল। তাৰ খাই হোৱাৰ পাছত যোগমায়াই সুধিলে, "তই কাম এটা কৰি দিব পাৰিবি ?"

"কি কাম ?"

যোগমায়াই হাতৰ মুঠিত নোট কেইখনমান লৈ আছিল। সেই কেইখন অকণৰ ফালে আগবঢ়াই দি তাই ক'লে, 'বজাৰৰ পৰা বস্তু কেইটামান কিনি আনিব লাগে।"

"কি বস্তু ?"

"চোলাৰ কাপোৰ, চাদৰ, সোনকালে বেয়া নোহোৱা কিবা খোৱাবস্তু—বিস্কুট, মিঠাই— "

"কিয় ? কি কৰিবলৈ ?" অকণে পিন্ধিবলৈ বুলি পুৰণি চোলা এটা হাতলৈ তুলি লৈছিল ; সি সেই ভংগীতে ৰৈ গ'ল।

"এওঁৰ হাতত দি পঠাবলৈ।" যোগমায়াই ক'লে।

অকণে চোলাটো পিন্ধিলে, খিৰিকিয়েদি বাহিৰলৈ চাই বুতাম তিনিটা মাৰিলে, আৰু তাৰ পাছত ক'লে, "ইহঁতৰ কোনোবা এটাক ক।"

"ইহঁতৰ কাক কবি ? গ'লে আৰু তিলক বা নবীনহে যাব লাগিব ! সিহঁতে বস্তুবোৰ চাই-চিতি কিনিব পাৰিব জানো ?" —যোগমায়াই কোমল মাতেৰে ক'লে।

"সিহঁতে নোৱাৰে যদি কৈলাশক মাতি পঠিয়া।"

কৈলাশ মানে গোপালৰ ভায়েক। সি অকণৰ স্কুলতে মাষ্টৰী কৰে আৰু এইখন ঘৰৰে ল'ৰাৰ নিচিনাকৈ নিজৰ ঘৰত থাকে।

"তইনো কিয় নাযাৱ ?" যোগমায়াই অলপ আচৰিত হৈ সুধিলে।

"এনেয়ে। মই নোৱাৰোঁ।" —বুলি কৈ অকণ কোঠালিটোৰ পৰা ওলাই গ'ল।

হাতত টকাখিনি লৈ যোগমায়া ভালেমান পৰ বহিয়েই থাকিল। এসময়ত তাইৰ মন গ'ল—অকণক আকৌ মাতি আনি সুধিব—কিয় সি এই কামটো কৰিব নোৱাৰে ?

বাহিৰলৈ ওলাই তাই অকণক বিচাৰিলে। ৰাধাই ক'লে—সি ওলাই গৈছে।

গধূলিৰ পাছত ল'ৰা-ছোৱালীহঁত মেজে-মেজে বহিল ; লক্ষেশ্বৰ গোঁসাইঘৰত আৰু তৰা পাগঘৰত সোমাল ; অকণে তাৰ নিজৰ কোঠালিত স্কুলৰ কাগজ-পাতি কিছুমান লৈ বহিল। তাৰ পাছত যোগমায়াই



OKDISCD

আগফালৰ বাৰান্দাত আকৌ মহানন্দক লগ ধৰিলে।

"কাইলৈ তোমাৰ ৰেল কেই বজাত ?" যোগমায়াই সুধিলে।

"এখন এঘাৰ বজাত। ৰাতিলৈও এখন আছে, কিন্তু মই দিনৰখনতে যাম।"

অলপ সময় মনে-মনে থাকি যোগমায়াই ক'লে, "এইখিনি লোৱাচোন।"

মহানন্দই প্ৰথমতে যোগমায়াৰ হাতখনলৈ আৰু তাৰ পাছত তাইৰ মুখখনলৈ চালে। আধা-আন্ধাৰতো যোগমায়াৰ চকুহাল যেন তিৰবিৰাই উঠিল।

"টকা দুশ আছে। ঘৰৰ সকলোকে কিবাকিবি কিনি দিবা।" যোগমায়াই শান্ত মাতেৰে ক'লে।

"এঃ! কিয়নো দিব লাগিছে মাহী ?" মহানন্দই ক্ষীণ মাতেৰে আপত্তি কৰিলে। কিন্তু তেওঁৰ মুখৰ পৰা ওলোৱা মাহী শব্দটো যেন বেগেৰে পাৰ হৈ যোৱা ৰেল এখনৰ শব্দৰ নিচিনাকৈ গোটেই চুবুৰিটোত ৰজনজনাই গ'ল, আৰু তাৰ পাছতহে যোগমায়াৰ কাণত সোমাল।

মহানন্দই মেলি নোখোজা হাতখনত নোটখিনি গুজি দি যোগমায়া ভিতৰলৈ সোমাই গ'ল।

পাগঘৰত তৰাৰ লগত ৰন্ধা-বঢ়াৰ কাম কৰি থকাৰ সময়ত যোগমায়াৰ মনলৈ আহিল—সকলো খাই-বৈ শোৱাৰ পাছত সিহঁত দুজনীয়ে লগ লাগি, যি যোগাৰ আছে তাৰেই পিঠা-পনা অলপমান ভাজিব পাৰিব নে কি ? অন্ততঃ সৰু টোপোলা এটা !

কিন্তু,—কিন্তু অকণে সেই সাধাৰণ কামটো কিয় কৰি নিদিলে ? সি কি ভাবিছে ? তাৰ পেটত কি আছে ?

সেই ৰাতি টোপনি অহাৰ আগলৈকে যোগমায়াৰ ঘনশ্যাম চৌধুৰীৰ অচেতন মুখখন আৰু তেওঁৰ মূৰৰ ওচৰত বহি থকা মানুহ এজনীৰ কথা মনত পৰি থাকিল ; কিন্তু তাই ভাবি থাকিল অকণৰ কথা।

পাছদিনা মহানন্দ যেতিয়া যাবলৈ ওলাল, তেতিয়া অকণৰো স্কুললৈ যোৱাৰ সময় হৈছিল। ঘৰখনৰ এটাইবোৰ মানুহ আগফালৰ বাৰান্দালৈ ওলাই আহিছিল। ৰাধা আৰু গৌৰী দুৱাৰডলিতে থিয় হৈ আছিল। লক্ষেশ্বৰে মহানন্দক সুধিলে, "আকৌ কেতিয়াকৈ এইফালে আহিব ?"

"চাওঁচোন।" মহানন্দই চমুকৈ উত্তৰ দিলে।

"আহিলে অইন ঠাইত নাথাকিবা।" যোগমায়াই ক'লে।

অকণ আৰু মহানন্দৰ লগে-লগে লক্ষেশ্বৰ পদুলি পাৰ হৈ কিছুদূৰ আগুৱাই গ'ল। তাৰ পাছত সি উভতি আহিল। বাকীডোখৰ বাটত অকণ আৰু মহানন্দই কথা নাপাতিলে। হাইস্কুলৰ ছাইনব'ৰ্ড-খনৰ ওচৰত অকণ ৰ'ল।

মহানন্দই ক'লে, "যোৱা অকণ। আকৌ কেতিয়াবা লগ পাম।"

অকণে "ভাল" বুলি কৈ স্কুলৰ গেটেদি সোমাই গ'ল। এক মুহূৰ্ত সময় তালৈ চাই থিয় হৈ থাকি মহানন্দ গুচি গ'ল।

তাৰ পাছত যোগমায়াহঁতৰ ঘৰখন আকৌ মুকলি আৰু পোহৰ-পোহৰ হৈ পৰিল। যেন কিবা বান্ধ এটাহে খুলি গ'ল,—যেন এচপৰা ডাৱৰহে আঁতৰি গ'ল। আবেলি ৰাধা আৰু গৌৰী পাৰ্কত ফুৰিবলৈ গ'ল ; তিলকে সুহুৰিয়ালে, নবীনে ত্ৰিৰংগ পতাকা উৰি থকা বিষয়ৰ হিন্দুস্থানী গীত গালে। ৰাতি সকলোৱে আহি আকৌ আগৰ নিচিনাকৈ পাগঘৰৰ মজিয়াত বহি ভাত খালে। ভাত খাওঁতে লক্ষেশ্বৰে হিটলাৰৰ কথা উলিয়ালে ; ৰাধাই পাৰ্কৰ শিলিখা জোপা ফুলাৰ কথা উলিয়ালে ; তৰাই মানুহে টনা ৰিক্সাৰ কথা উলিয়ালে। যোগমায়া আৰু অকণে সকলোৰে কথাৰ ভাগ ললে ; কিন্তু নিজৰ ফালৰ পৰা একো নুলিয়ালে।

যোগমায়াৰ কেইবা দিনলৈকে মন গৈ আছিল—অকণৰ লগত মহানন্দৰ কথা পাতিবলৈ, কিন্তু তাই সাহ নকৰিলে। পাছলৈ এদিন তাইৰ যেন জিদেই হ'ল—নোসোধোঁ তাক একো। সিওতো কিবা এটা সুধিব পাৰিলেহেঁতেন !

কৈলাশৰ হাতত এদিন যোগমায়াই ঘনশ্যাম চৌধুৰীৰ ছবিখন ফটো বন্ধা দোকানলৈ দি পঠালে—ভাল ফ্ৰে'ম দি ডাঙৰকৈ বন্ধাই আনিবলৈ। দোকানৰ পৰা অহাৰ পাছত ছবিখন তাই তাইৰ শোৱা কোঠালিত মূৰ শিতানৰ ফালে আঁৰি থলে।

যিদিনা গোঁসাইঘৰত লক্ষেশ্বৰৰ ওচৰত বহি পুথি পঢ়া শুনিবলৈ কোনো নাহে, তেনেকুৱা দিনত যোগমায়া তাৰ ওচৰত বহেগৈ। ইটো-সিটো কথাৰ পাছত তাই মহানন্দৰ কথা উলিয়ায়। —একেটা চোলাকে লৈ তেওঁৰ পুতেক দুটাইনো কিয় টনা-আজোৰা কৰিব লাগিছে ! বেপাৰী মহাজনে তেওঁক খটুৱাইছে ; সেই মহাজনেতো তেওঁক ঘৰখন চলাব পৰাকৈ পইচা দিব লাগে ! কেতিয়াবা যদি মালিকে ভাৰাঘৰৰ পৰা মহানন্দহঁতক উলিয়াই দিয়ে !

লক্ষেশ্বৰে কথাবোৰ শুনি মাজে-মাজে হুঁ-হুঁ কৰে ; কেতিয়াবা কৰ্ম আৰু ধৰ্ম সম্পৰ্কীয় পদ একোফাঁকি মাতি শুনায়।

দুমাহমানৰ পাছত এদিন দুপৰীয়া মহানন্দ আকৌ ওলালহি। অলপ সময়ৰ কাৰণে। তেওঁ সেইদিনাই উভতি যাবগৈ লাগে। ঘৰত তেতিয়া যোগমায়া আৰু তৰাৰ বাহিৰে কোনো নাছিল। মহানন্দই ক'লে—ইয়াৰ মাজতে তেওঁ আৰু এবাৰ আহিছিল, কিন্তু এইফালে আহিবলৈ সময়েই উলিয়াব নোৱাৰিলে।

যোগমায়াই সুধিলে, "ঘৰত সকলোৰে ভাল নে ?"

তৰা তেতিয়া চাহ কৰিবলৈ পাগঘৰত সোমাইছিলগৈ।

যোগমায়াৰ প্ৰশ্নৰ উত্তৰত মহানন্দই একো নক'লে। অলপ সময় অইন ফালে চাই থাকি তেওঁ জেপৰ পৰা ৰুমাল উলিয়াই তাৰে চকুযোৰ মচি ললে।

মহানন্দ যোৱাৰ পাছত কেইদিনমানলৈ যোগমায়া আকৌ গহীন-গম্ভীৰ হৈ থাকিল। এদিন তাইৰ ভাব হ'ল—এই মানুহটোৱে তাইক ঘনশ্যাম চৌধুৰীৰ যিমান ওচৰ চপাই ৰাখিব পাৰে, আৰু যেন কোনেও সিমান ওচৰ চপাই ৰাখিব নোৱাৰে।

এদিন আবেলি যোগমায়া তৰাৰ লগত পাৰ্কৰ ফালে ফুৰিবলৈ ওলাই গ'ল। উভতি আহোঁতে হাইস্কুল আৰু জগমোহনৰ শিৱ-মন্দিৰৰ মাজৰ মুকলি ঠাইডোখৰৰ ফালে চাই যোগমায়া অকণমান সময় থিয় হৈ ৰ'ল। তাই সুধিলে, "কি হ'ল ?"

"একো নাই হোৱা, ব'লা।"

কেইদিনমানৰ পাছত এদিন যোগমায়াই প্ৰথমতে লক্ষেশ্বৰক—আৰু তাৰ পাছত অকণক ক'লে,—স্কুল আৰু শিৱমন্দিৰৰ মাজত যে এবিঘামান খালী মাটি আছে, সেইখিনি মহানন্দক দিব লাগে।

(আগলৈ)





## ক্ৰিকেট কণ্ট্ৰল বৰ্ডে শাস্তিমূলক ব্যৱস্থা প্ৰত্যাহাৰ কৰিলে

ভাৰতীয় ক্ৰিকেট কণ্ট্ৰল ব'ৰ্ডে ছজন খেলুৱৈৰ ওপৰত লোৱা শাস্তিমূলক ব্যৱস্থা প্ৰত্যাহাৰ কৰিছে। অলপতে ব'ৰ্ডৰ বিশেষ কাৰ্যকৰী সভাত এই সিদ্ধান্ত লোৱা হয়। ইয়াৰ বাহিৰেও আন খেলুৱৈসকলক যি ৫০ হাজাৰ টকা জৰিমনা কৰা হৈছিল সেয়াও প্ৰত্যাহাৰ কৰা হৈছে। আনকি মহীন্দৰ অমৰনাথে নিৰ্বাচকমণ্ডলী সম্বন্ধে কটু মন্তব্য কৰা বাবে আৰু বাতৰি কাকতত লিখা বাবে তেওঁক যি ২০ হাজাৰ টকা জৰিমনা কৰা হৈছিল সেয়াও প্ৰত্যাহাৰ কৰা হৈছে। ভাৰতৰ উচ্চতম আদালতে খেলুৱৈসকলৰ লগত আলোচনাৰ মাধ্যমেৰে এই বিতৰ্কিত বিষয়টো নিষ্পত্তি কৰিবলৈ ব'ৰ্ডক নিৰ্দেশ দিছিল। আইনবিদ ছোলি ছোৰাবজিয়ে তেওঁৰ বক্তব্যত কয় "ক্ৰিকেটাৰসকলৰ ওপৰত যি নিষেধাজ্ঞা জাৰি কৰা হৈছে সেইটো ভাৰসাম্যহীন, একপক্ষীয় আৰু সংবিধানৰ ১৪ নম্বৰ অনুচ্ছেদৰ বিৰোধী" তেওঁৰ মতে খেলুৱৈসকলৰ অৱস্থা "বণ্ডেড লেবাৰৰ দৰে।" প্ৰধান বিচাৰ পতিয়ে মন্তব্য কৰে,—"সংবিধানৰ ১৯ নম্বৰ অনুচ্ছেদ অনুযায়ী এই ধৰণৰ একপক্ষীয় চুক্তি কৰা মানে স্বাধীনতাত অন্যায়ভাৱে হস্তক্ষেপ কৰা।" এটৰ্নি জেনাৰেল কে. পৰাশৰনে কয়, "চৰকাৰে নিজে দেশত ক্ৰিকেট খেল নিয়ন্ত্ৰণ নকৰি ক্ৰীড়াসংস্থাকে কৰিবলৈ দিছে। চৰকাৰে তেওঁলোকৰ কাৰ্যত হস্তক্ষেপো নকৰে। কিন্তু এইটো মনত ৰখা প্ৰয়োজন যে, চৰকাৰী স্বীকৃতিৰ বাবেহে ব'ৰ্ডখনে অফিছিয়েল ব'ৰ্ডৰ মৰ্যাদা পাইছে আৰু আয়োজিত টেষ্টসমূহ চৰকাৰী টেষ্ট হৈছে। চুক্তিপত্ৰত এটা চৰ্ত আছে যে, খেলুৱৈয়ে মেচ নাইবা ব'ৰ্ডৰ কৰ্মকৰ্তাসকলৰ বিষয়ে কোনো মন্তব্য কৰিব নোৱাৰিব। বিচাৰপতি কে. এন. সিংহই এই সম্বন্ধে মন্তব্য কৰে, "ব'ৰ্ডৰ কৰ্মকৰ্তাসকল জানো সমালোচনাৰ উৰ্দ্ধত ? তেনেহ'লে তেওঁলোকতো প্ৰধান মন্ত্ৰীতকৈও নিৰাপদ স্থানত অৱস্থিত ! জনসাধাৰণে আমাকো (বিচাৰপতি সকলকো) প্ৰতিদিনে সমালোচনা কৰে।"

ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ প্ৰধান বিচাৰপতি ই. এম. ৱেংকটৰামাইয়াই কয়, "আহক আমি আকৌ খেলালৈ ঘূৰি যাওঁ।" মুঠতে চুক্তিপত্ৰত এনে কিছুমান দুৰ্বল দিশ আছিল যাৰ বাবে ব'ৰ্ডে খেলুৱৈসকলৰ বিৰুদ্ধে গ্ৰহণ কৰা শাস্তিমূলক ব্যৱস্থা প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হৈছিল। অহা নেহৰু কাপ আৰু ছাৰজা টুৰ্ণামেণ্টলৈ লক্ষ্য ৰাখি এই অপ্ৰীতিকৰ ঘটনাটোৰ যৱনিকা পৰাত ভাৰতীয় ক্ৰিকেট যে লাভবান হ'ব সেইটো ভাবি ক্ৰিকেট প্ৰেমী ৰাইজ সুখী হৈছে।

## নেহৰু শতবাৰ্ষিকী আন্তঃৰাষ্ট্ৰীয় এথলেটিকছ মিট

সম্প্ৰতি নতুন দিল্লীত অনুষ্ঠিত "পাৰমিট মিট"ত (নেহৰু-শতবাৰ্ষিকী উপলক্ষে আয়োজিত) আমেৰিকাৰ কাৰ্ল লুইছ এশ মিটাৰ দৌৰত পৰাজিত হৈছে অষ্ট্ৰিয়াৰ আণ্ড্ৰিয়াছ বাৰ্জাৰৰ হাতত। বাৰ্জাৰে ১০.৪৬ ছেকেণ্ড সময়ত এই দূৰত্ব অতিক্ৰম কৰে। লুইছৰ সময় আছিল ১০.৪৭ ছেকেণ্ড। দৌৰৰ শেষত বাৰ্জাৰে কয়, "লুইছক পৰাজিত কৰিম বুলি মই সপোনতো ভবা নাছিলো।" এই 'মিট'ৰ দ্বিতীয় বিস্ময়কৰ ফলাফল হৈছে মহিলাৰ দুশ মিটাৰ দৌৰত জামাইকাৰ গ্ৰেছ জেকছনৰ হাতত প্ৰাক্তন অলিম্পিক চেম্পিয়ন ইভলিন এছফ'ৰ্ডৰ পৰাজয়। জামাইকাৰ গ্ৰেছ জেকছনৰ সময় ২২.৭২ ছেকেণ্ড আৰু এছফ'ৰ্ডৰ সময় ২৩.৭২ ছেকেণ্ড। বিশ্ববিখ্যাত দৌৰবীৰ মৰক্কোৰ ছেয়দ আউইটা হেলাৰঙে ১৫০০ মিটাৰ দৌৰত বিজয়ী হয়। তেওঁ সময় লয় ৩ মিনিট ৩৪.৮৯ ছেকেণ্ড। পুৰুষৰ ১১০ মিটাৰ হাৰ্ডলছত তিনিগৰাকী বিখ্যাত এথলিটৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতা হয়। তেওঁলোক হ'ল—আমেৰিকাৰ গ্ৰেগ ফষ্টাৰ আৰু টনি কেম্পবেল, আৰু বৃটেইনৰ এণ্টনি গেৰেট ! কেম্পবেল বিজয়ী হয় ১৩.৪৪ ছেকেণ্ডত। মহিলাৰ এশ মিটাৰ দৌৰত ইভলিন এছফ'ৰ্ডে সহজে প্ৰথম স্থান অধিকাৰ কৰে। প্ৰতিযোগিতাৰ আটাইতকৈ উল্লেখযোগ্য ঘটনাটো হৈছে মাৰ্কিন দম্পতী ডেভিড আৰু ছাণ্ড্ৰা পেট্ৰিক ফাৰমাৰে ৪০০ মিটাৰ হাৰ্ডলছৰ পুৰুষ আৰু মহিলা বিভাগত স্বৰ্ণপদক লাভ কৰাৰ ঘটনাটো। অলপতে বাৰ্ছিলোনাত অনুষ্ঠিত বিশ্বকাপ প্ৰতিযোগিতাতো এই মাৰ্কিন দম্পতিয়ে নিজ-নিজ বিভাগত স্বৰ্ণপদক লাভ কৰিছিল। বিশেষ সাক্ষাৎকাৰত ডেভিড আৰু ছাণ্ড্ৰাই জনায় যে, অহা অলিম্পিকত স্বৰ্ণপদক জয়ৰ বাবে তেওঁলোক দৃঢ়প্ৰতিজ্ঞ। জামাইকাৰ ছানড্ৰাই যোৱা জানুৱাৰি মাহত বিয়া কৰাইছে আমেৰিকাৰ ডেভিডক। পেট্ৰিক দম্পতিয়ে সম্প্ৰতি আলোড়ন তুলিছে বিশ্বৰ ট্ৰেক এণ্ড ফিল্ড ইভেণ্টত তেওঁলোকৰ চমকপ্ৰদ সাফল্যৰ গুণত। ভাৰতৰ ছাইনি উইলছনে (আব্ৰাহাম) মহিলাৰ ৮০০ মিটাৰত সোণৰ পদক লাভ কৰে। ৰোজা কুট্টিয়ে লাভ কৰে ব্ৰঞ্জৰ পদক। ৰীত আব্ৰাহামে লংজাম্পত তৃতীয় আৰু এছ. বি. মিত্ৰই জেভেলিনত তৃতীয় স্থান লাভ কৰে। উল্লেখযোগ্য যে বাহাদুৰ প্ৰসাদে ১৫০০ মিটাৰ দৌৰত ২৩ বছৰৰ পুৰণি ৰাষ্ট্ৰীয় ৰেকৰ্ড ভংগ কৰিছে। ৩ মিনিট ৪৩.৪০ ছেকেণ্ডত তেওঁ এই দূৰত্ব অতিক্ৰম কৰে। পৃথিৱীৰ নামী এথলিটসকলৰ লগত দৌৰি বাহাদুৰ প্ৰসাদে যি অভিজ্ঞতা লাভ কৰিলে তাৰ দ্বাৰা তেওঁ লাভবান হ'ব অহা এছিয়াডত। একে কথা প্ৰযোজ্য ২০০ মিটাৰ দৌৰত অশ্বিনী নাচাপ্পাৰ ক্ষেত্ৰতো। যদিও তেওঁ পঞ্চম স্থান লাভ কৰিছে, তেওঁৰ সময় বেচ ভাল ; —২৩.৯৬ ছেকেণ্ড।

## ক্ৰিছ এভাৰ্টে টেনিছক বিদায় জনালে

এইবাৰৰ যুক্তৰাষ্ট্ৰ অ'পেন টেনিছৰ পৰা বিদায় লোৱাৰ লগে-লগে অন্ত পৰিল ক্ৰিছ এভাৰ্টৰ গৌৰৱময় সক্ৰিয় টেনিছ জীৱনৰ। এইখনেই আছিল ক্ৰিছৰ শেষ গ্ৰেণ্ডশ্লাম ইভেণ্ট। অৱশ্যে টোকিঅ'ৰ ফেডাৰেশ্যন মেচ বা প্ৰদৰ্শনীমূলক খেল হয়তো তেওঁ খেলিব।

যুক্তৰাষ্ট্ৰ অ'পেন টেনিছৰ কোৱাৰ্টাৰ ফাইনেলত ক্ৰিছ পৰাজিত হয় জিনা গেৰিছনৰ হাতত। কিন্তু এইখেলত প্ৰতিদ্বন্দ্বিতাতকৈ ভাবাবেগেহে অধিক গুৰুত্ব লাভ কৰিছিল যেন লাগে। এই খেলৰ সকলো দৰ্শকৰে আবেগ আৰু অভিনন্দনৰ পাত্ৰী আছিল ৩৪ বছৰীয়া এই টেনিছ তাৰকাগৰাকী। উল্লেখযোগ্য যে ১৯৭১ চনত যোল বছৰীয়া ক্ৰিছে ইয়াতেই খেলে জীৱনৰ প্ৰথম টুৰ্ণামেণ্টখন। ক্ৰিছে ১৮টা গ্ৰেণ্ডশ্লাম খিতাপৰ প্ৰথমটো লাভ কৰে ১৯৭৪ চনত। তেওঁ ছবাৰ যুক্তৰাষ্ট্ৰ চেম্পিয়নশ্বিপ, সাতবাৰ ফৰাছী অ'পেন, তিনিবাৰ উইম্বলডন আৰু দুবাৰ অষ্ট্ৰেলিয়া অ'পেনৰ খিতাপ লাভ কৰিছে। মাৰ্টিনা আৰু ক্ৰিছৰ



OKDISC




প্ৰতিদ্বন্দ্বিতাই ইতিমধ্যে বিশ্ব টেনিছৰ ইতিহাসৰ পাতত ঠাই পাইছে। তেওঁলোকৰ সংঘৰ্ষৰ বিজয়ৰ ৰেকৰ্ড হ'ল মাৰ্টিনা—৪৩ বাৰ, ক্ৰিছ ৩৭ বাৰ। ইয়াৰ পাছত আৰু কেতিয়াও আমি এই দুই বৰ্ষীয়ান টেনিছ তাৰকাক ডাঙৰ খেলত প্ৰতিদ্বন্দ্বী হিচাপে দেখিবলৈ নাপাওঁ। মাৰ্গাৰেট ক'ৰ্ট আৰু বিলি জিন কিঙৰ পাছত মহিলা টেনিছত এওঁলোকে এটি নতুন অধ্যায়ৰ সূচনা কৰিছিল।

জিনা গেৰিছনে ক্ৰিছক পৰাজিত কৰে ৭-৬, ৬-২ ছে'টত। মেচৰ শেষৰ ফালে আবেগবিহ্বল জিনাৰ চকু সেমেকি উঠিছিল। কিয়নো প্ৰতিপক্ষ হ'লেও, পৰাজিত ক্ৰিছক আৰু কোনোদিনেই তেওঁ ক'ৰ্টত লগ নাপায়। জিনাৰ বক্তব্য আছিল—ক্ৰিছক টুৰ্ণামেণ্টৰ পৰা আঁতৰাই পঠিয়াই তেওঁৰ নিজকে "ভিলেইন" যেন লাগিছিল। খেলুৱৈ হিচাপে তেওঁ ঠিক কৰিলেও ব্যক্তিগতভাৱে নিজকে দায়ী যেন সাব্যস্ত কৰিছিল।

– পুলক লাহিড়ী

৩৫ পৃষ্ঠাৰ পিছৰ পৰা

ধৰি থাকিবলৈ কিটো আছে ? যি দেখিছিল খোলাখুলিকৈ কওক। ডাক্তৰৰ আগত হেজিটেট নকৰিব।

মানে ছাৰ, পৰিবৰ্তন বহুত হৈছিল। উদাহৰণ স্বৰূপে ৰাইজৰ সেৱা দেশৰ সেৱা কৰিবলৈ এৰি নিজে আইনাৰ সমুখত বহি থাকিছিল। বাকী চব সমস্যালৈ প্ৰকাণ্ড পিঠিখন দি নিজে ভাল ধাননি আৰু কলগছ বিচাৰি ফুৰিছিল।

কাম-বন একেবাৰেই কেতিয়াৰ পৰা কৰিব নোৱৰা হ'ল ?

প্ৰথম এসপ্তাহমানেইহে যি কৰিলে আৰু ! তাৰ পাছত পাম নোহোৱা হ'লেই !

কাম যে কৰিব নোৱৰা হ'ল, তাৰ কাৰণটো কি ? শৰীৰত বল-শক্তিৰ অভাৱ ? নে অন্য কিবা ?

পইচাৰ অভাৱত ছাৰ।

ষ্ট্ৰেঞ্জ ! পইচাৰ অভাৱ ? কলৈ গ'ল পইচাবোৰ ?

নকব আৰু ছাৰ। আমাৰ তাত পাবলিকে পূৰা হানড্ৰেড পাৰছেণ্টেই মাৰি দিয়ে। অন্য ঠাইত যেনেকৈ দেশ প্ৰগতিৰ পথত,— আমাৰ তাত তেনেকৈ পকেট প্ৰগতিৰ পথত।

আচৰিত ! কাগজে-পত্ৰে আৰু' পালো তাত হেনো পইচাই পইচা। স্কুলতো কমপিউটাৰ দিছে, মন্ত্ৰীৰ লগতে বানপানী চাবলৈকে ত্ৰিছ-চল্লিছখন গাড়ী দৌৰিছে...

ডাক্তৰে ক'ম বুলি ভাবিও আৰু একো নক'লে। বেমাৰী আগত লৈ কথা পাতি থাকিলে বেয়া দেখি। হাতীলৈ পৰ্দাৰ ফাঁকেৰে এবাৰ চাই পঠালে। বেচেৰাই মাখি এটা খেদিবলৈ আপ্ৰাণ চেষ্টা কৰিছে— পৰা নাই। অলপমান কাণ-মূৰ জোকাৰিলেই ডাগৰ লাগে, ফোঁপনি উঠে।

আই থিংক হি ইজ ফাৰ্দাৰ ডিটৰিঅ'ৰেটিং। এনেকুৱা কণ্ডিছন কিমান দিনৰ পৰা হৈছে ?

ছাৰ, পেনছন বিচৰাৰে পৰা।

পেনছন ! হোৱাট পেনছন ? কাৰ পেনছন ?

কাৰ হ'ব আৰু ? নিজৰে ছাৰ। আকৌ এবাৰ হেনো দৰমহা বঢ়াব লাগে, পেনছন বঢ়াব লাগে।

হায় হায় ! চাৰি বছৰ কাম কৰিয়েই পেনছন ?

আমিনো কি ক'ম ছাৰ ? আমাৰে প্ৰতিনিধি। আমিয়েই পতা ৰজা।

ডায়গনছিছ যিয়েই নহওক, এটা কথা কিন্তু ক্লিয়েৰ।

কি ছাৰ ?

আগত ইলেকছন আহি আছে ?

হয়। সেইবাবেইহে আৰু' লৰালৰিকৈ লৈ আহিছোঁ।

চাওক। চাৰি বছৰেতো একো এটা কৰিবও নোৱাৰিলে। ৰেপুটেছনো বেয়া হ'ল। ফ্ৰাণ্ট্ৰেছন আহিল। হাৰিম-হাৰিম যেন ভাব এটাও চাগে' মনলৈ আহি থাকিল। এনেকুৱা অৱস্থাত...

হাৰিলেও যে সৰ্বনাশ হ'ব ডাক্তৰ !

কিয় ?

তেতিয়া পোক পৰুৱা, কুমজেলেকুৱা, ভেনামাখি—কোন সিংহাসনত উঠে ঠিকনা নোহোৱা হ'ব। তেনেই অথন্তৰ ঘটিব ছাৰ। আপুনি, প্লিজ,— যেনে-তেনে ৰোগীক পোনাই-পজৰাই দিয়ক। যি লাগে আপোনাক ফিজ আমি দিম।

চাওঁ। হাই ড'জৰ ষ্টিমুলেণ্ট দিলে ট'ন-আপ হ'বও পাৰে।

আপুনি যি ভাল দেখে তাকে কৰক। মেডিকেলৰ কথানো আমি কি বুজোঁ ! মুঠতে হাতী ভাল হ'ব লাগে। চাৰিটা ঠেঙৰ ওপৰত থিয় হৈ থাকিব লাগে। শূৰ, নেগুৰ লৰাব পাৰিব লাগে। নহ'লে ছাৰ,— সান্দহ খোৱা বালি, দৈৱসাহোন সোপাই তল যাব।

অ' কে। আই উইল ট্ৰাই মাই লেভেল বে'ষ্ট। সদ্যহতে মই তেওঁক হস্পিটেলাইজ কৰোঁ। ছেলাইন-টেলাইন দিওঁ। ৰিপ'ৰ্টবোৰ চাওঁ...

ডাক্তৰে ছুইচ টিপিলে।

নাৰ্ছ, হে'ল্থ ৱৰ্কাৰ সোমাই আহিল। ইনষ্ট্ৰাকছন ল'লে। হাতীক আলফুলকৈ ষ্ট্ৰেচাৰত তুলিলে।

ষ্ট্ৰেচাৰ লাহে-লাহে এলিফেণ্ট ৱাৰ্ডৰ ফালে আগবাঢ়িল।

## সম্পাদকৰ কোঠালিত

বন্ধু ঃ দূৰদৰ্শন-আকাশবাণীত শাসনত থকা দলৰ কথা বিৰোধীদলবোৰৰ কথাতকৈ বেছিকৈ প্ৰচাৰ কৰা হয় বুলি কোনোবাই আপত্তি কৰিলে শাসনত থকা দলে ষ্টেটিছটিকছ—অৰ্থাৎ পৰিসংখ্যাৰ সহায়ত দেখুৱাই দিয়ে—সেই আপত্তি মিছা ; শতকৰা হিচাপত বিৰোধী পক্ষৰ কথা বেছি প্ৰচাৰ কৰা হয়। এই যুক্তি সঁচা। প্ৰচাৰৰ পৰিসংখ্যাবোৰ এনে ধৰণৰ ঃ

শাসনাধিষ্ঠ দলৰ নেতাৰ বক্তৃতা— "আজি বিৰোধী দলবোৰে দেশক দুৰ্বল কৰিবলৈ বিদেশীৰ হাতত হাত মিলাইছে। মুখত গান্ধীজীৰ নাম লৈ তেওঁলোকে সাম্প্ৰদায়িকতাৰ বীজ সিঁচিছে। আমি ৰাইজক কেজিত ডেৰ টকা দামত বেচিবলৈ দিয়া চাউল তেওঁলোকে দুটকাকৈ বেচিছে। কেৱল শাসনৰ লোভত তেওঁলোকে কিম্ভূত-কিমাকাৰ একতা স্থাপন কৰিছে।" ... ৩৭ টা শব্দ।

বাতৰি পঢ়োঁতাৰ কথা—জনতা পাৰ্টিৰ নেতা শ্ৰীসুব্ৰামনিয়ম স্বামীয়ে আজি জনতা দলৰ নেতা শ্ৰীভি. পি. সিঙৰ বিৰুদ্ধে ছটা অভিযোগ উত্থাপন কৰি ৰাষ্ট্ৰপতিলৈ এখন চিঠি দিছে। অভিযোগকেইটা হ'ল ... ১১৪টা শব্দ।

শাসনত থকা নেতাজনৰ ৩৭টা শব্দহে প্ৰচাৰ কৰা হ'ল ! বিৰোধীপক্ষৰ কথাৰ দেখোন ১১৪টা শব্দ প্ৰচাৰ কৰা হ'ল !

# আদালতৰ বাহিৰৰ বিচাৰক

ক'ৰ্ট-কাচাৰী, মামলা-মোকৰ্দমা আদি বুলিলে এসময়ত সাধাৰণ মানুহৰ মনলৈ সাধাৰণতে চুৰি-ডকাইতি, হত্যা, মাৰপিট, মাটি-সম্পত্তি আদিৰ লগত সম্পৰ্ক থকা ঘটনাৰ কথাই আহিছিল । এতিয়াও বহু লোকৰ বাবে ক'ৰ্ট-কাচাৰী তেনে ধৰণৰ ঘটনাৰ লগত সম্পৰ্ক থকা ঠাই হৈয়েই আছে । পিছে আচলতে এতিয়া ক'ৰ্ট-কাচাৰী সম্পৰ্কে থকা তেনেকুৱা ধাৰণা সলনি কৰিবৰ হ'ল । লাহে-লাহে ক'ৰ্ট-কাচাৰীৰ লগত ইমান বিচিত্ৰ ধৰণৰ ঘটনা ইমান বেছি সংখ্যাত জড়িত হ'বলৈ ধৰিছে যে এতিয়া ক'ৰ্ট-কাচাৰীক "সম্ভ্ৰান্ত" ঘটনাৰ ঠাই বুলি সাধাৰণ লোকেও বিশ্বাস কৰিব লাগিব । কিন্তু লগতে এটা সন্দেহেও মূৰ তুলিব খুজিছে ঃ দেশৰ সংসদ, বিধানসভা, প্ৰশাসন-যন্ত্ৰ— এই সকলোকে চেৰাই এসময়ত আদালতেই সৰ্বাধিক "প্ৰভুত্ব" আহৰণ কৰিব নে কি ?

অযোধ্যাত ৰাম জন্মভূমি মন্দিৰ হ'ব নে বাবৰি মছজিদ হ'ব, তাৰ বিচাৰ আদালতৰ হাতলৈ গৈছে । মিউনিছিপাল ব'ৰ্ড এখন থাকিব নে নাথাকে সেইটো আদালতে ঠিক কৰিব । ৰাষ্ট্ৰভাষা প্ৰচাৰৰ কাম এখন সমিতিয়ে কৰিব নে চৰকাৰে কৰিব সেইটো আদালতে ঠিক কৰিব । কলেজ এখনত নাম ভৰ্তি কৰোৱাৰ নিয়মবোৰ ঠিক আছেনে নাই সেইটো আদালতে ঠিক কৰিব । কলেজ এখনৰ প্ৰিন্সিপালজনে চাকৰি হেৰুৱাব নে নেহেৰুৱায়, সেইটো আদালতে ঠিক কৰিব । বিশ্ববিদ্যালয় এখনৰ এই গৰাকী অধ্যাপক হে'ড অৱ দি ডিপাৰ্টমেন্ট হ'ব লাগে নে নালাগে সেইটো আদালতে ঠিক কৰিব । দীপৰ বিলৰ বুকুৰেদি ৰেল বিভাগে ৰেলৰ লাইন বহুউৱা উচিত নে অনুচিত সেইটো আদালতে ঠিক কৰিব ।

সমাধানৰ কাৰণে বহু ধৰণৰ সমস্যা আদালতলৈ নিবলগীয়া হয়েই । কিন্তু এই ক্ষেত্ৰত সাধাৰণ জ্ঞান-বুদ্ধিৰে দুটা প্ৰশ্ন উত্থাপন কৰিব পাৰি ঃ প্ৰথম প্ৰশ্ন সমাধানৰ অন্য কোনো উপায় নাথাকিলেহে একোটা সমস্যা শেষত আদালতলৈ নিয়া হয় বুলি সাধাৰণ লোকৰ যিটো বিশ্বাস আছে, সেই বিশ্বাসৰ যুক্তিযুক্ততা আছে নে নাই ? দ্বিতীয় প্ৰশ্ন— আদালতত মোকৰ্দমাটোৰ লগত সাক্ষী, উকীল আদিৰ বাহিৰে শেষ পৰ্যায়ত, ধৰি লওক, তিনিগৰাকী বিচাৰক জড়িত হ'ল । সেই তিনিগৰাকী বিচাৰকে যে বিষয়টো বুজি-শুনি গ্ৰহণযোগ্য ৰায় এটা দিব পাৰে, এই সংশ্লিষ্ট প্ৰতিষ্ঠানবোৰৰ ভিতৰতে ইমানবোৰ গুণী-জ্ঞানী লোক কি কৰিবলৈ আছে ?

এই দুয়োটা প্ৰশ্ন আমি একেলগে বিচাৰ কৰোঁ । "কে'ছ খেলা"টো যদি কাৰোবাৰ "হবি", সৰু-সুৰা কথাত যদি কে'ছ এটা দি কোনোবাই আনন্দ পায়, সেইবোৰ কথা আমি বাদ দিছোঁ । কিন্তু সাধাৰণতে প্ৰায় সকলো ভদ্ৰলোকেই আদালতলৈ যোৱাৰ আগতে সমাধানৰ অন্যান্য পথ বিচাৰে। এই পথবোৰত গুণী-জ্ঞানী লোকৰ লগত জড়িত হোৱাৰ সম্ভাৱনা নথকা নহয়; কিন্তু যিমানদূৰ বিশ্বাস এখেঁতসকলৰ জ্ঞান-বুদ্ধি বিচাৰো হয় কামত নাহে; নহয় সেইবোৰে প্ৰয়োজনীয় পৰ্যায়লৈ উঠিব নোৱাৰে। ফলত, যিহেতু আদালত এটা ইনষ্টিটিউশ্যন, যিহেতু আদালতৰ ৰায় শিলৰ ৰেখাৰ নিচিনা, গতিকে আহত ব্যক্তিজন বা প্ৰতিষ্ঠানটো আদালতলৈ যায় । আদালতে তেওঁৰ বিৰুদ্ধে ৰায় দিলেও তেওঁলোক মনে-মনে থাকিব; কাৰণ বিচাৰক তিনিগৰাকীৰ বিৰুদ্ধে তৰ্জন-গৰ্জন কৰাৰ তেওঁলোকৰ উপায় নাই ।

সাধাৰণভাৱে শিক্ষিত বা অশিক্ষিত একেবাৰে সাধাৰণ শ্ৰেণীৰ লোকৰ কথাটো বেলেগ। "কে'ছ দি দে" বুলি কোনোবা এজনে উচটাই দিলেও তেনে শ্ৰেণীৰ মানুহ এজন আদালতলৈ যাব পাৰে। কিন্তু নানা ধৰণৰ জ্ঞান-বুদ্ধিৰে বিভূষিত লোক বা তেনে লোকেৰে গঠিত একোটা প্ৰতিষ্ঠানৰ কথা এটা বেলেগ দৃষ্টিকোণৰ পৰা বিচাৰ কৰিব পৰা যায় । এইটো ঘাইকৈ জ্ঞান-বুদ্ধিৰ ওপৰত হেঁচা পৰা, মানবীয় দৃষ্টিকোণ হ'ব ।— এটা প্ৰতিষ্ঠানৰ সাতজন সদস্যই বহি এটা সিদ্ধান্ত ললে । শিক্ষা-দীক্ষা, জ্ঞান-বুদ্ধিৰ ফালৰ পৰা এই সাতজন সদস্যৰ প্ৰতিজনেই এজন বিচাৰক হোৱাৰ যোগ্য ! সেই তিনিজন বিচাৰকতো (ধৰি লওক) এসময়ত আপোনালোকৰ লগৰেই আছিল ! অমুক কাৰণতহে আপোনালোক এইটো লাইনলৈ আহিল আৰু তেখেতসকল সেইটো লাইনলৈ গ'ল ! আইনৰ ক'ৰ্ছটো নপঢ়াৰ কাৰণেই আপোনালোক দুদলৰ মাজত এনেকুৱা এটা পাৰ্থক্য হৈ গ'ল নে ? আইনত নম্বৰ লগোৱা ধাৰাবোৰহে আছে; কিন্তু আপোনালোকৰতো শিক্ষা-দীক্ষা, চৰ্চা, অভিজ্ঞতা আদিয়ে দিয়া মানবীয় গুণবোৰ আছে ! কি কাৰণে এই গুণবোৰ জটিল আৰু মেৰপাক লগোৱা বুলি বদনাম থকা আইনৰ ওচৰত সমৰ্পন কৰিব লাগে ? সেইবোৰ গুণেৰে বিভূষিত বুলি ধৰি লৈহে আপোনালোকক এই প্ৰতিষ্ঠানটোৰ সদস্যভুক্ত কৰা হৈছে ! আপোনালোক আদালতৰ বিচাৰক সকলতকৈ কোন গুণে কম ? জুৰিৰ সদস্যতো আপোনালোকৰ মাজৰ পৰাও নিৰ্বাচন কৰা হ'ব পাৰে! তদুপৰি, বিচাৰকসকলেওতো আপোনালোকৰ সমানে ভুল কৰিব পাৰে!

আদালতৰ বাহিৰত আমাৰ জ্ঞান, বিচাৰ-বুদ্ধি, অভিজ্ঞতা আদিৰ উপযুক্ত ব্যৱহাৰ নকৰাৰ ফলত আমাৰ বহুত ৰাজহুৱা ক্ষতি হৈছে । টকা-পইচা, সময়, শক্তিৰ লোকচান হৈছে । প্ৰতিষ্ঠান আৰু ব্যক্তিগত পৰ্যায়ত অশান্তি হৈছে । "বিচাৰাধীন" কাৰণে ভালেমান ভাল কাম আগবঢ়োৱাত অসুবিধা হৈছে । বৰ বেছি আইনমুখী হ'লে আমাৰ লেঠা বাঢ়ে ; মানবীয় দিশটোৰ ক্ষতি হয় । অইনে নোৱাৰিলেও অন্ততঃ বিচাৰক হোৱাৰ যোগ্যতা থকাসকলে এই ক্ষতিবোৰৰ পৰা দেশখনক বহু পৰিমাণে ৰক্ষা কৰিব পাৰে।

২৬/৯/৮৯



